www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমাৰ সীমাবদ্ধ দৃষ্টিভংগীৰ দ্বাৰা আমাৰ পৰিসীমা নিৰ্ণয় কৰিব নালাগে। — ভাৰ্জিনিয়া সাটিৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৭৭ | দেওবাৰ | ১৬ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 277 | Sunday | 16th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ দেশজুৰি ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন ঃ স্কুল-কলেজৰ শিক্ষাৰ্থীক লালকিল্লাত অগ্ৰাধিকাৰ ■

# ত্ৰয়োদশবাৰৰ বাবে লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন নৰেন্দ্ৰ মোডীৰ

## শক্তিৰ সপ্তধাৰাক লৈ প্ৰধানমন্ত্ৰীৰ লক্ষ্য দেশক বিকাশৰ দিশেৰে আগুৱাই নিয়াৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱসৰ পৱিত্ৰ ক্ষণত লালকিল্লাৰ প্ৰাচীৰৰ পৰা দেশবাসীক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ প্ৰজন্মৰ প্ৰতি এক গুৰুত্বপূৰ্ণ অঙ্গীকাৰ প্ৰকাশ কৰে। তেওঁ এই বিশেষ দিনটোত দেশৰ যুৱক-যুৱতীসকললৈ কেইবাটাও ডাঙৰ ঘোষণা আগবঢ়ায়, যাৰ ভিতৰত অন্যতম হৈছে বিনামূলীয়া অনলাইন কোচিং আৰু কৃত্ৰিম বুদ্ধিমত্তা (AI) দক্ষতা পাঠ্যক্ৰম। প্ৰধানমন্ত্ৰীয়ে স্পষ্ট কৰে যে সৰু চহৰ বা গাঁৱৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে ব্যয়বহুল মাচুলৰ বাবে পঢ়া-শুনা এৰিবলগীয়া নহয় তাৰ বাবে চৰকাৰে ডিজিটেল আৰু ভৌতিক আন্তঃগাঁথনি গঢ়ি তুলি শীৰ্ষ ফেকাল্টি সদস্যসকলৰ পৰা অধ্যয়ন সামগ্ৰী বিনামূলীয়াকৈ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ঘোষণা কৰে যে এক কোটি যুৱক-যুৱতীক AI দক্ষতা পাঠ্যক্ৰমৰ অধীনত প্ৰশিক্ষণ দিয়া হ'ব, যিয়ে তেওঁলোকক আগন্তুক প্ৰযুক্তি-চালিত বিশ্বৰ বাবে সাজু কৰি তুলিব। ❑ ৬ পৃষ্ঠাত



## বন্দে মাতৰম' পৰিৱেশনৰ সময়ত ছোনিয়া গান্ধীৰ অসৌজন্যমূলক আচৰণ

### ৰাষ্ট্ৰীয় গীতটোৰ প্ৰতি অপমানসূচক আচৰণক লৈ জাঙুৰ খাই উঠিছে বিজেপি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কংগ্ৰেছ দলৰ আয়োজিত অনুষ্ঠানৰ এটি ভিডিঅ' ফুটেজে নতুন ৰাজনৈতিক বিতৰ্কৰ সূচনা কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ ❑ ৬ পৃষ্ঠাত

## অঘটন! জনীয়াত বিধায়ক শ্বেৰমান আলী আহমেদৰ হাতত ছিঙি পৰিল ত্ৰিৰংগা

### ৰছী ছিগি মাটিত পৰে জাতীয় পতাকা, কিছুক্ষণ অস্বস্তিৰ সৃষ্টি; পুনৰ উত্তোলন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে অসমৰ প্ৰতিটো প্ৰান্ততে আয়োজিত হৈছে গৌৰৱময় অনুষ্ঠান। কিন্তু জনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত স্বাধীনতা দিৱস উদযাপন কৰিবলৈ ❑ ৫ পৃষ্ঠাত

## স্বাধীনতা দিৱসৰ মাজতেই অনশনত বিধায়ক অখিল গগৈ

### বানপীড়িত পৰিয়ালক ১০ লাখ টকাকৈ ক্ষতিপূৰণ, বিশেষ আৰ্থিক পেকেজৰ দাবী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱসৰ দিনটো যেতিয়া সাৰ্বভৌমত্বৰ গৌৰৱেৰে মুখৰিত, তেতিয়াই শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে এক বেলেগ ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। ৰাজ্যৰ আন আন ঠাইত জাতীয় পতাকা উত্তোলন আৰু সাংস্কৃতিক অনুষ্ঠানৰ মাজত উৎসৱমুখৰ পৰিৱেশ থাকিলেও, শিৱসাগৰৰ এইজন বিধায়কে পুৱাৰ পৰাই আঠ ঘণ্টীয়া অনশন আৰম্ভ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। বিধায়ক গগৈৰ অনশনৰ মূল কাৰণ হৈছে শেহতীয়া ভয়াবহ বানপানীৰ ফলত সমষ্টিবাসীয়ে ভোগা দুৰ্দশা। তেওঁ সংবাদ মাধ্যমৰ আগত স্পষ্টভাৱে কয় যে বানত ❑ ৫ পৃষ্ঠাত

## বিধানসভা চৌহদত পতাকা উত্তোলন কৰি দেশ বিভাজনক 'ভয়াৱহ বিপৰ্যয়' আখ্যা অধ্যক্ষ ৰণজিৎ দাসৰ

### ইয়াণ্ডাবু সন্ধিৰ দুৰ্ভাগ্যজনক দিনটো স্মৰণ কৰি গণতান্ত্ৰিক যাত্ৰাত অসম বিধানসভাৰ অৱদানৰ কথা উল্লেখ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** শনিবাৰে গুৱাহাটীস্থিত অসম বিধানসভা চৌহদত অতি গাম্ভীৰ্য, উৎসাহ আৰু জাতীয়তাবাদী চেতনাৰে পালন কৰা হয় ৮০ সংখ্যক স্বাধীনতা দিৱস। বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এই বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি উপস্থিত সকলো বিষয়া-কৰ্মচাৰী, আমন্ত্ৰিত অতিথি আৰু ৰাইজক স্বাধীনতা দিৱসৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। সমগ্ৰ বিধানসভা চৌহদ আছিল দেশপ্ৰেমৰ বৰ্ণিল সাজত সজ্জিত, আৰু ড্ৰ'ণৰ সহায়ত পুষ্পবৃষ্টি কৰি অনুষ্ঠানটোক এক অভুতপূৰ্ব মাত্ৰা প্ৰদান কৰা হয়। পতাকা উত্তোলনৰ পাছত ভাষণ প্ৰসংগত অধ্যক্ষ দাসে ❑ ৬ পৃষ্ঠাত

## প্ৰথম পত্নীক আইনী বিবাহ বিচ্ছেদ নকৰাকৈ এৰি দিয়া চৰকাৰী কৰ্মচাৰীৰ দৰমহাৰ ২০ শতাংশ কৰ্তন হ'ব ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, গুৱাহাটী, ১৫ আগষ্ট ঃ** গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত ৮০ সংখ্যক স্বাধীনতা দিৱসৰ সমাৰোহত ভাষণ প্ৰদান কৰি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উন্নয়ন, সমাজ সংস্কাৰ, অৰ্থনৈতিক সৰলীকৰণ আৰু সৰ্বাংগীন বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি এখনি শান্তিপূৰ্ণ, স্বাৱলম্বী আৰু সুযোগ-সম্ভাৱনাৰে ভৰপূৰ অসমৰ নিজৰ লক্ষ্যৰ কথা সদৰী কৰে। শৰ্মাই কয় যে অসম এতিয়া কেৱল আন ৰাজ্যৰ পৰা শিকি থকা অৱস্থাত নাই, বৰঞ্চ শান্তি, আন্তঃগাঁথনি, উদ্যোগ, বিনিয়োগ, সংস্কাৰ আৰু প্ৰযুক্তিৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উন্নয়নৰ নিজা আৰ্হিৰে আগবাঢ়ি আহিছে। ❑ ৬ পৃষ্ঠাত

## মোৰ কণ্ঠ কোনেও দমন কৰিব নোৱাৰে ১৫ দিনীয়া অনশনত দেৱেন্দ্ৰ মাহাতো

### ঝাৰখণ্ডৰ ছাত্ৰ নেতাগৰাকীৰ স্বাস্থ্যৰ অৱনতি, ত্ৰিৰংগ যাত্ৰাত যোগ দিবলৈ যাওঁতে আৰক্ষীৰ বাধা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** ঝাৰখণ্ড লোকসেৱা আয়োগ (জেপিএছচি) আৰু ঝাৰখণ্ড কৰ্মচাৰী বাছনি আয়োগ (জেএছএছচি)ৰ নিযুক্তি পৰীক্ষাত অনিয়মৰ অভিযোগ উত্থাপন কৰি ২ আগষ্টৰ পৰা অনিৰ্দিষ্টকালীন অনশন কৰি থকা ছাত্ৰ নেতা দেৱেন্দ্ৰ নাথ মাহাতোৱে আজি ১৫ দিনত ভৰি দিলে। শনিবাৰে ❑ ৬ পৃষ্ঠাত

## স্বাধীনতা দিৱসৰ লালকিল্লাৰ কাৰ্যসূচীত অনুপস্থিত কংগ্ৰেছৰ দুই শীৰ্ষ নেতা

### ৰাহুল গান্ধী, মল্লিকাৰ্জুন খাৰ্গে অনুপস্থিতি; আসন বিতৰ্কৰ পিছত ৰাজনৈতিক মহলত চাঞ্চল্য




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে নতুন দিল্লীৰ লালকিল্লাত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী দুয়োগৰাকী নেতাই অনুপস্থিত থাকিল। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰিলেও কংগ্ৰেছৰ দুই শীৰ্ষ নেতাৰ ❑ ৬ পৃষ্ঠাত

## আৰক্ষীৰ জালত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰাণনাশৰ ভাবুকি দিয়া আব্দুল মুতালেব

### স্বাধীনতা দিৱসৰ দিনা ফেচবুকৰ লাইভ সম্প্ৰচাৰৰ মাজতে এক কোটি টকাৰ বিনিময়ত হত্যাৰ ভাবুকি





**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰাণহানিৰ ভাবুকি দিয়া গুৰুতৰ ঘটনাটোত আৰক্ষীয়ে সফলতাৰে অভিযুক্তজনক আটক কৰিবলৈ সক্ষম হয়। আব্দুল মুতালেব নামৰ ব্যক্তিজনে ১৫ আগষ্ট, স্বাধীনতা দিৱসৰ পৱিত্ৰ দিনটোত মুখ্যমন্ত্ৰীগৰাকীৰ ফেচবুক একাউণ্টত থকা লাইভ সম্প্ৰচাৰৰ ❑ ৬ পৃষ্ঠাত

## ইণ্ডোনেছিয়াত প্ৰবল ভূমিকম্পত মৃতকৰ সংখ্যা ৪৭ লৈ বৃদ্ধি

### ফ্ল'ৰেছ অঞ্চলত ১০ কিলোমিটাৰ গভীৰতাত ভূমিকম্পৰ উৎপত্তি, ছুনামীৰ সতৰ্কবাণী জাৰি



**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** শনিবাৰে ইণ্ডোনেছিয়াত সংঘটিত হয় এক ভয়াবহ ভূমিকম্প। আমেৰিকাৰ ভূতাত্ত্বিক জৰীপ (USGS) অনুসৰি, পূব ইণ্ডোনেছিয়াৰ ফ্ল'ৰেছ অঞ্চলত ৭.৭ ৰিখটাৰ স্কেল প্ৰাবল্যৰ এই ভূমিকম্পটোৰ উৎপত্তি হয় মাটিৰ পৃষ্ঠৰ পৰা প্ৰায় ১০ কিলোমিটাৰ গভীৰতাত। ইয়াৰ কেন্দ্ৰবিন্দু আছিল পূব নুছা টেংগাৰা প্ৰদেশৰ এণ্ডে চহৰৰ পৰা উত্তৰ-উত্তৰ-পশ্চিমে প্ৰায় ৬৮ কিলোমিটাৰ (৪২ মাইল) দূৰত। এই প্ৰবল ভূমিকম্পত এতিয়ালৈকে ৪৭জন ❑ ৬ পৃষ্ঠাত

## বন্দে মাতৰম বিতৰ্ক ঃ কেৱল প্ৰথম দুটা স্তৱক গোৱা উচিত বুলি দাবী চিপিআই(এম)ৰ

### কেৰালাৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিত চৰকাৰী অনুষ্ঠানত বন্দে মাতৰম পৰিৱেশনৰ মাজতেই বিতৰ্কিত মন্তব্য

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ দিনটোতে বন্দে মাতৰমক লৈ ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সৃষ্টি হৈছে। কেৰালা ৰাজ্যিক চিপিআই (এম) সম্পাদক এম ভি গোবিন্দনে স্পষ্টভাৱে দাবী কৰে যে বন্দে মাতৰমৰ কেৱল প্ৰথম দুটা স্তৱকহে গোৱা উচিত, কাৰণ বাকী স্তৱকসমূহে সাম্প্ৰদায়িক সুৰ বহন কৰে বুলি ❑ ৬ পৃষ্ঠাত

## হৰমুজ প্ৰণালী আমেৰিকাৰ ভূখণ্ড ঃ ট্ৰাম্প

### ইৰাণৰ উপ-মন্ত্ৰীৰ কটাক্ষ- 'টুইট বা যুদ্ধজাহাজত প্ৰণালী দখল নহয়'

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ইৰাণক পৰাস্ত কৰাৰ পিছত বিশ্বৰ অন্যতম কৌশলগত জলপথ হৰমুজ প্ৰণালীক অতি সোনকালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূখণ্ড ঘোষণা কৰিব বুলি দিয়া মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ইৰাণে। শনিবাৰে তেহঁৰাণে স্পষ্টভাৱে জনাই দিয়ে যে এই জলপথ সদায় ❑ ৬ পৃষ্ঠাত

## জিএমচিএইচত প্ৰবীণ নেতা হেমেন দাসক লগ কৰি স্বাস্থ্যৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

### বিভিন্ন মতাদৰ্শৰ মাজতো কৃষক আৰু পিছপৰা শ্ৰেণীৰ কল্যাণৰ প্ৰতি নিষ্ঠাক স্মৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** শনিবাৰে স্বাধীনতা দিৱসৰ পৱিত্ৰ দিনটোত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল (জিএমচিএইচ) লৈ যায় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। তাত চিকিৎসাধীন হৈ থকা বৰ্ষীয়ান কমিউনিষ্ট নেতা, প্ৰবীণ ৰাজনীতিবিদ তথা প্ৰাক্তন বিধায়ক হেমেন দাসৰ স্বাস্থ্যৰ অৱস্থা প্ৰত্যক্ষভাৱে বুজি লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে হেমেন দাসৰ সৈতে কিছু সময় কটায়, তেওঁৰ চিকিৎসা পদ্ধতি সম্পৰ্কে চিকিৎসকসকলৰ পৰা তথ্য লয় আৰু ❑ ৬ পৃষ্ঠাত

## পেণ্ডিং ফাইল নিষ্পত্তিৰ বাবে 'মিছন সদ্ভাৱনা'

### ২ অক্টোবৰৰ পৰা আৰম্ভ হ'ব 'মিছন মুড'ত ফাইল নিষ্পত্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ আগষ্ট ঃ** গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত ৰাজ্যিক পৰ্যায়ৰ স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত এক যুগান্তকাৰী পদক্ষেপৰ ঘোষণা কৰে। চৰকাৰী সেৱা সৰলীকৰণ আৰু সুশাসন নিশ্চিত কৰাৰ লক্ষ্যৰে তেওঁ 'মিছন সদ্ভাৱনা' আৰু 'প্ৰজেক্ট সদ্ভাৱনা' শুভাৰম্ভ কৰাৰ কথা ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত স্পষ্ট কৰে যে ৰাজ্যৰ চৰকাৰী কাৰ্যালয়সমূহত বহু দিন ধৰি অমীমাংসিত হৈ থকা ফাইলসমূহ ক্ষিপ্ৰতাৰে নিৰ্পত্তি কৰা হ'ব। এই উদ্দেশ্য বাস্তৱায়িত ❑ ৬ পৃষ্ঠাত

## অৰুণাচলত বান-ভূমিস্খলন ঃ ৪ জনৰ মৃত্যু, পাঁচ সেনা জোৱান সন্ধানহীন

### ডিবাং ভেলীত আকস্মিক বানে উটুৱাই নিলে সেনা শিবিৰ ঃ উদ্ধাৰ অভিযান অব্যাহত



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** পাহাৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত ধাৰাসাৰ বৰষুণই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। শুকুৰবাৰে সন্ধিয়া সংঘটিত দুটা পৃথক দুৰ্ঘটনাত ৪জন লোকৰ মৃত্যু হোৱাৰ লগতে পাঁচজন সেনা জোৱান সন্ধানহীন হৈ পৰিছে। ডিবাং ভেলী জিলাৰ মিপি চক্ৰৰ পাছু পানী অঞ্চলত স্থানীয় এটি জুৰিৰ পানী হঠাৎ বৃদ্ধি পাই আকস্মিক বানৰ সৃষ্টি কৰে। এই বানৰ পানী পঞ্চম গ্ৰেনেডিয়াৰ্ছৰ সেনা শিবিৰৰ ভিতৰত সোমাই ❑ ৬ পৃষ্ঠাত

## মহানগৰীৰ শ্ৰদ্ধাঞ্জলি কাননত শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি ড° হিমন্ত বিশ্ব শৰ্মাৰ

### খানাপাৰাত মুখ্যমন্ত্ৰীৰ ঐতিহাসিক ভাষণ; ছেমিকণ্ডাক্টৰ প্লাণ্ট, নতুন সমজিলা, বিনামূলীয়া শিশু চিকিৎসা ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৫ আগষ্ট ঃ** ৰাজ্যজুৰি উলহ-মালহেৰে উদযাপন কৰা ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। পতাকা উত্তোলনৰ পাছত ৰাজ্যবাসীক সম্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ দ্ৰুত ❑ ৬ পৃষ্ঠাত

■ ২০৩০ চনত কমনৱেলথ গেমছ আৰু ২০৩৬ চনত অলিম্পিক আয়োজনৰ লক্ষ্য ■

## অলিম্পিক আয়োজনৰ দৌৰত ভাৰত ঃ প্ৰধানমন্ত্ৰী মোদী

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱসৰ পৱিত্ৰ ক্ষণ উপলক্ষে লালকিল্লাৰ প্ৰাচীৰৰ পৰা দেশবাসীক সম্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্ৰীড়া ক্ষেত্ৰত ভাৰতৰ উচ্চাকাংক্ষাৰ এক স্পষ্ট ৰূপৰেখা উপস্থাপন কৰে। তেওঁ ঘোষণা কৰে যে ২০৩৬ চনৰ অলিম্পিক গেমছ আয়োজন কৰাৰ ক্ষেত্ৰত ভাৰত এতিয়া



এজন সক্ৰিয় আৰু শক্তিশালী দাবীদাৰ হৈ পৰিছে। লগতে তেওঁ স্পষ্টভাৱে কয় যে ২০৩০ চনত ভাৰতে কমনৱেলথ গেমছৰ আয়োজক হিচাপে নিজৰ সামৰ্থ্য প্ৰমাণ কৰিব, যাৰ পিছতে অলিম্পিকৰ দৰে বিশ্বৰ শ্ৰেষ্ঠ ক্ৰীড়া মহাসমাৰোহ আয়োজন কৰাৰ পথ সুগম হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাষণত উল্লেখ কৰে যে ২০১৪ চনতে আৰম্ভ হোৱা 'অলিম্পিক প'ডিয়াম আঁচনি' খেলুৱৈসকলক প্ৰশিক্ষণ আৰু সম্পদ যোগানৰ ক্ষেত্ৰত এক যুগান্তকাৰী পদক্ষেপ হিচাপে পৰিগণিত হৈছে। এই আঁচনিৰ সফলতাৰ বাবেই খেলো ইণ্ডিয়া গেমছ, ইউনিভাৰ্চিটি গেমছ, বিচ গেমছ আৰু শীতকালীন গেমছলৈকে বিস্তৃত ক্ৰীড়া পৰিকাঠামোত ভাৰতে গতি পাইছে। ❑ ৬ পৃষ্ঠাত

# স্বাধীনতা দিৱস উপলক্ষে শংকৰদেৱ শিশু বিদ্যা নিকেতনত অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীৰ দ্বাৰা চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, বেৰেজীয়া, ১৫ আগষ্ট ঃ** স্বাধীনতা দিৱস ২০২৬ উপলক্ষে অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা ৰূপায়িত গ্ৰাম্য কৃষি কৰ্ম অভিজ্ঞতা আঁচনি, ২০২৬-২৭ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত শেনচোৱাৰ শংকৰদেৱ শিশু নিকেতনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতা, সাধাৰণ জ্ঞান আৰু দেশপ্ৰেমমূলক মনোভাৱৰ বিকাশৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ চিত্ৰাংকন প্ৰতিযোগিতা আৰু পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা দুটাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ লগতে স্বাধীনতা দিৱসৰ তাৎপৰ্য, ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু দেশৰ প্ৰতি নাগৰিকৰ দায়বদ্ধতা সম্পৰ্কে সজাগতা বৃদ্ধিৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত শংকৰদেৱ শিশু বিদ্যা নিকেতন, শেনচোৱাৰ প্ৰধান আচাৰ্য লৱকান্ত শৰ্মাৰ লগতে, উপ সভাপতি জ্ঞানজ্যোতি নাথ আৰু সম্পাদক অজিত শইকীয়া উপস্থিত থাকে। ইয়াৰোপৰি, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ মাণ্ডলিক গৱেষণা কেন্দ্ৰ, চিলঙনী, নগাঁৱৰ মুখ্য বিজ্ঞানী ড° হিৰণ্য কুমাৰ বৰা উপস্থিত থাকে। ড° বৰাই সভাপতিৰ ভাষণত, অসমৰ কৃষিক্ষেত্ৰৰ উন্নয়নত মাণ্ডলিক গৱেষণা কেন্দ্ৰ, চিলঙনীৰ ভূমিকা আৰু অৱদানৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অনুষ্ঠানত মাণ্ডলিক গৱেষণা কেন্দ্ৰ, চিলঙনীৰ বিজ্ঞানী ড° ৰুদ্ৰ নাৰায়ণ বৰকাকতি, ড° বিনোদ কলিতা, ড° পদ্মিনী দাস আৰু ড° প্ৰিয়াক্ষী বুঢ়াগোহাঁই উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। স্বাধীনতা দিৱসৰ পৱিত্ৰ ক্ষণত আয়োজিত এই কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেশপ্ৰেম, সৃষ্টিশীল চিন্তাধাৰা আৰু জ্ঞান অন্বেষণৰ মানসিকতা গঢ়ি তোলাৰ লগতে বিদ্যালয় আৰু গ্ৰাম্য কৃষি-কৰ্ম অভিজ্ঞতা আঁচনি, ২০২৬-২৭ৰ শিক্ষাৰ্থীসকলৰ মাজত এক সুন্দৰ পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰে।

### হাজো-শুৱালকুছিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ অংশগ্ৰহণ

# ৰামদিয়াত 'ত্ৰিৰংগা যাত্ৰা- ২০২৬' সম্পন্ন

**অসম বাৰ্তা, হাজো, ১৫ আগষ্ট ঃ** দেশৰ স্বাধীনতাৰ ৮০ বছৰীয়া গৌৰৱোজ্জ্বল যাত্ৰাৰ শুভক্ষণত দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু দেশৰ প্ৰতি থকা কৰ্তব্যবোধৰ বাণী সৰ্বসাধাৰণ ৰাইজৰ মাজলৈ কঢ়িয়াই নিয়াৰ উদ্দেশ্য সাৰোগত কৰি দেশৰ স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত আজি হাজো-শুৱালকুছি সমষ্টিৰ ৰামদিয়া ভঠেলি খোলাৰ পৰা অত্যন্ত উৎসাহ আৰু উদ্দীপনাৰে 'হৰ ঘৰ ত্ৰিৰংগা' আৰু 'ত্ৰিৰংগা যাত্ৰা-২০২৬' কাৰ্যসূচী ৰূপায়ণ কৰে। সমষ্টিটোৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে আনুষ্ঠানিকভাৱে এই বৰ্ণিল ত্ৰিৰংগা যাত্ৰাৰ শুভাৰম্ভ কৰে। ৰামদিয়া ভঠেলি খোলাৰ পৰা আৰম্ভ হোৱা এই পদযাত্ৰাত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে নিজে ৰাষ্ট্ৰীয় পতাকা হাতত লৈ ৰাইজৰ লগত সমদলত অংশগ্ৰহণ কৰে। ৰামদিয়াৰ ৰাজপথত হাতত ত্ৰিৰংগা লৈ ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীয়ে 'ভাৰত মাতা কী জয়' ধ্বনিৰে আকাশ- বতাহ মুখৰিত কৰি তোলে। জনতাৰ এই স্বতঃস্ফূৰ্ত উপস্থিতিয়ে অঞ্চলটোত এক অভূতপূৰ্ব দেশপ্ৰেমমূলক পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ জৰিয়তে প্ৰতিটো ঘৰতে ৰাষ্ট্ৰীয় পতাকাক মৰ্যাদাৰে আদৰি লৈ দেশপ্ৰেমৰ ভাৱনা জগাই তুলিবলৈ আহ্বান জনাইছে। ইয়াৰেই অংশস্বৰূপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বত অসমতো এই অভিযান জনসাধাৰণৰ মাজলৈ ব্যাপকভাৱে সম্প্ৰসাৰিত কৰা হৈছে। ৰামদিয়া ভঠেলি খোলাৰ পৰা আৰম্ভ হোৱা এই ত্ৰিৰংগা যাত্ৰাই নতুন প্ৰজন্মৰ মনত দেশৰ প্ৰতি থকা দায়বদ্ধতা, জাতীয় একতা আৰু সংহতিৰ বাৰ্তা অধিক শক্তিশালী কৰি তুলিব বুলি উপস্থিত বিশিষ্ট ব্যক্তিসকলে আশা প্ৰকাশ কৰে। ত্ৰিৰংগ যাত্ৰাৰ অন্তত বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ভাষণ প্ৰদান কৰি কয়, আজিৰ এই ত্ৰিৰংগা যাত্ৰাই আমাৰ মনত দেশপ্ৰেমৰ এক নতুন জোৱাৰ তুলিছে। আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু বলিদানৰ প্ৰতিফলনেই আজিৰ এই স্বাধীন ভাৰত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা 'হৰ ঘৰ ত্ৰিৰংগা' অভিযান কেৱল এটা কাৰ্যসূচী নহয়, ই আমাৰ প্ৰতিজন ভাৰতীয়ৰ দেশপ্ৰেম আৰু গৌৰৱৰ প্ৰতীক। তেওঁ লগতে কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম আজি প্ৰগতিৰ পথত দ্ৰুতগতিত আগুৱাই গৈছে। নতুন প্ৰজন্মই এই ত্ৰিৰংগাৰ মৰ্যাদা ৰক্ষা কৰি দেশক বিশ্বৰ দৰবাৰত এক শক্তিশালী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ব বুলি তেওঁ আশাবাদী। অনুষ্ঠানৰ শেষত তেওঁ বিশাল সমদলত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু দলীয় কৰ্মকৰ্তাক ধন্যবাদ জ্ঞাপন কৰে।

# নাজিৰা সমজিলা প্ৰশাসনৰ উদ্যোগত ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন

**অসমবাৰ্তা, নাজিৰা, ১৫ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে আজি নাজিৰা সমজিলাতো দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। নাজিৰা সমজিলা প্ৰশাসনৰ উদ্যোগত চকীমুখস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ৰ খেলপথাৰত আয়োজিত স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি নাজিৰা সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পূৰ্বে সমজিলা আয়ুক্তই বীৰ শ্বহীদ সকলক স্মৰণ কৰি শ্বহীদ তৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পিছত কুচ-কাৱাজত অংশগ্ৰহণ কৰা আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনীৰ অভিবাদন গ্ৰহণ কৰে। মুখ্য অতিথি ৰূপে প্ৰদান কৰা ভাষণত সমজিলা আয়ুক্তই দেশৰ বীৰ শ্বহীদ, মুক্তি-যুঁজাৰু সকলৰ চৰম ত্যাগ আৰু আত্মবলিদানৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে বিগত ১৯ জুলাই তাৰিখে অহা প্ৰলয়ংকাৰী বানত প্ৰাণ হেৰুওৱা ব্যক্তি সকলক সমৰণ কৰি তেওঁলোকৰ পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। লগতে সীমান্ত আৰু আভ্যন্তৰীণ সুৰক্ষাত নিয়োজিত নিৰাপত্তা বাহিনী সমূহৰ সাহস আৰু পৰাক্ৰমৰ কথা কৃতজ্ঞতাৰে স্মৰণ কৰে। নিজ ভাষণত তেওঁ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে সমজিলাতোৰ সৰ্বোত্তম উন্নতিৰ লক্ষ্যৰে গ্ৰহণ কৰা জনকল্যাণকামী আঁচনি সমূহৰ বিষয়ে উল্লেখ কৰি এই সমূহৰ সফল ৰূপায়ণৰ বাবে জনসাধাৰণৰ পূৰ্ণ সহযোগিতা কামনা কৰে। তেওঁ সমজিলাতোৰ শিক্ষা, স্বাস্থ্য, গ্ৰামোন্নয়ণ, কৃষি, জনস্বাস্থ্য কাৰিকৰী, নগৰ উন্নয়ন আদি বিভাগৰ অধীনস্থ আঁচনি সমূহৰ দ্ৰুত আৰু ফলপ্ৰসূ ৰূপায়ণৰ ক্ষেত্ৰত সমজিলা প্ৰশাসনে অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰে। স্বাধীনতা দিৱসৰ মূল কাৰ্যসূচীত নাজিৰা বিধান সভা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁই, আৰ্টফেডৰ উপাধক্ষ্য প্ৰহ্লাদ গোৱালা, নাজিৰা সমজিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া সকল, কৰ্মচাৰী সকল, আৰক্ষী প্ৰশাসন, সাধাৰণ নাগৰিক তথা নাজিৰাৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদ কৰ্মীসকল উপস্থিত থাকে।

# হাজী আনফৰ আলী মহাবিদ্যালয়ৰ শোচনীয় ফলাফলক লৈ গভীৰ চিন্তা

### ৬২৯ পৰীক্ষাৰ্থীৰ বিপৰীতে উত্তীৰ্ণ মাত্ৰ ৭৮ জন

**অসম বাৰ্তা, ডবকা, ১৫ আগষ্ট ঃ** হোজাই জিলাৰ ডবকাৰ হাজী আনফৰ আলী মহাবিদ্যালয়ৰ প্ৰথম ষাণ্মাসিক পৰীক্ষাৰ ফলাফলক কেন্দ্ৰ কৰি এতিয়া মহাবিদ্যালয় খনৰ শৈক্ষিক পৰিৱেশক লৈ গভীৰ চিন্তাৰ সৃষ্টি হৈছে। প্ৰকাশিত ফলাফল অনুসৰি মুঠ ৬২৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত মাত্ৰ ৭৮ গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। আনহাতে ২ গৰাকী পৰীক্ষাৰ্থী বহিষ্কৃত হৈছে। অৰ্থাৎ বিপুল সংখ্যক শিক্ষাৰ্থী উত্তীৰ্ণ হ'ব নোৱাৰা ঘটনাই মহাবিদ্যালয় খনৰ শৈক্ষিক মান, পাঠদান ব্যৱস্থা আৰু শিক্ষাৰ্থী সকলৰ অধ্যয়নৰ প্ৰতি থকা আগ্ৰহক লৈ একাধিক প্ৰশ্নৰ অৱকাশ সৃষ্টি কৰিছে। এনে ফলাফল কেৱল শিক্ষাৰ্থী সকলৰ ব্যৰ্থতা বুলি কৈ বিষয়টো সামৰি থোৱাটো উচিত হ'বনে, এই প্ৰশ্নটোৱেই এতিয়া গুৰুত্বপূৰ্ণ হৈ পৰিছে। কাৰণ এটা শিক্ষানুষ্ঠানৰ ফলাফলৰ আঁৰত শিক্ষাৰ্থীৰ অধ্যয়ন, শিক্ষকৰ পাঠদান, মহাবিদ্যালয়ৰ প্ৰশাসনিক ব্যৱস্থা, অভিভাৱকৰ তদাৰকী আৰু সামগ্ৰিক শৈক্ষিক পৰিৱেশ সকলোবোৰ দিশ জড়িত থাকে। শিক্ষাগুৰুৰ মূল কৰ্তব্য হৈছে নিয়মীয়াকৈ শ্ৰেণীকোঠাত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক মানসম্পন্ন শিক্ষা প্ৰদান কৰা, পাঠ বুজিবলৈ অসুবিধা হোৱা শিক্ষাৰ্থীক প্ৰয়োজনীয় সহায় কৰা, নিয়মীয়া মূল্যায়নৰ জৰিয়তে শিক্ষাৰ্থীৰ দুৰ্বলতা চিনাক্ত কৰা আৰু তেওঁলোকক উন্নতিৰ বাবে উৎসাহিত কৰা। কেৱল শ্ৰেণীত উপস্থিতি প্ৰদান কৰাই শিক্ষকৰ দায়িত্ব শেষ নহয়; শিক্ষাৰ্থীৰ শৈক্ষিক অগ্ৰগতিৰ প্ৰতি আন্তৰিক নজৰ ৰখাটোও শিক্ষকৰ অন্যতম গুৰুত্বপূৰ্ণ দায়িত্ব। একাংশ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত সময় কটোৱাৰ পৰিৱৰ্তে মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত গোটবান্ধি কথাৰ মহলা মাৰি সময় নষ্ট কৰা, বাহিৰৰ ৰেষ্টুৰেণ্ট আদিত সময় কটোৱা পৰিলক্ষিত হোৱাৰ অভিযোগো উত্থাপিত হৈছে। যদি শিক্ষাৰ্থীসকল নিয়মীয়াকৈ শ্ৰেণীত উপস্থিত নাথাকে, তেন্তে তেওঁলোকৰ অধ্যয়নৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। আনহাতে, বৰ্তমান সময়ত মোবাইল ফোন আৰু সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰো শিক্ষাৰ্থীৰ অধ্যয়নৰ ক্ষেত্ৰত এক প্ৰত্যাহ্বান হিচাপে দেখা দিছে। দীঘলীয়া সময় ৰীলছ, ভিডিঅ' আৰু অন্যান্য সামাজিক মাধ্যমৰ বিষয়বস্তুত ব্যস্ত থাকিলে নিয়মীয়া পঢ়া-শুনা, সময় ব্যৱস্থাপনা আৰু একাগ্ৰতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিব পাৰে। অৱশ্যে ইয়াৰ বাবে কেৱল শিক্ষাৰ্থীকেই দোষাৰোপ নকৰি অভিভাৱক আৰু শিক্ষানুষ্ঠানেও উপযুক্ত দিশ-নিৰ্দেশনা দিয়াৰ প্ৰয়োজন আছে। স্নাতক পৰ্যায়ৰ শিক্ষা এজন ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়। এই সময়ত নিয়মীয়া শ্ৰেণী উপস্থিতি, অধ্যয়ন, শিক্ষক-শিক্ষাৰ্থীৰ সুস্থ যোগাযোগ আৰু পৰীক্ষাৰ প্ৰস্তুতি অতি প্ৰয়োজনীয়। শিক্ষাৰ্থী সকলে নিজৰ ভৱিষ্যৎ লক্ষ্য নিৰ্ধাৰণ কৰি অধ্যয়নৰ প্ৰতি অধিক মনোযোগী হোৱাটোও সমানেই জৰুৰী। ইফালে, মহাবিদ্যালয় কৰ্তৃপক্ষৰ বাবেও এই ফলাফল আত্মসমীক্ষাৰ এক গুৰুত্বপূৰ্ণ সময়। কোনবোৰ বিষয়ত অধিক সংখ্যক শিক্ষাৰ্থী ব্যৰ্থ হৈছে, কিয় ব্যৰ্থ হৈছে, নিয়মীয়া পাঠদান কিমান হৈছে, শিক্ষাৰ্থীৰ উপস্থিতিৰ হাৰ কেনেধৰণৰ আৰু দুৰ্বল শিক্ষাৰ্থীসকলৰ বাবে কোনো বিশেষ সহায়মূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছিল নে নাই এই সকলোবোৰ বিষয় গভীৰভাৱে পৰ্যালোচনা কৰাৰ প্ৰয়োজন। শিক্ষাৰ্থীৰ শোচনীয় ফলাফলৰ বাবে কোনো এজন পক্ষক এককভাৱে দায়ী কৰাৰ পৰিৱৰ্তে শিক্ষক, অধ্যক্ষ তথা মহাবিদ্যালয় কৰ্তৃপক্ষ, অভিভাৱক আৰু শিক্ষাৰ্থী সকলো পক্ষই নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য আন্তৰিকতাৰে পালন কৰিছে নে নাই, সেই বিষয়টো পৰ্যালোচনা কৰাহে অধিক যুক্তি সংগত। এতিয়া প্ৰয়োজন হৈছে ব্যৰ্থতাৰ কাৰণ বিচাৰি উলিওৱা আৰু তাৰ সমাধানৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা। শিক্ষাৰ্থী সকলৰ বাবে নিয়মীয়া কাউন্সেলিং, অধ্যয়নৰ পৰিৱেশ উন্নত কৰা, শিক্ষক সকলৰ নিয়মীয়া পাঠদান আৰু মূল্যায়ন, অভিভাৱকৰ সৈতে মত-বিনিময় তথা দুৰ্বল শিক্ষাৰ্থীৰ বাবে বিশেষ সহায়ৰ ব্যৱস্থা গ্ৰহণ কৰিলে পৰিস্থিতিৰ উন্নতি ঘটিব পাৰে। হাজী আনফৰ আলী মহাবিদ্যালয়ৰ এই ফলাফল সেয়ে কেৱল এটা পৰীক্ষাৰ ফলাফল নহয়; ই মহাবিদ্যালয় খনৰ সামগ্ৰিক শৈক্ষিক ব্যৱস্থাক লৈ আত্মসমীক্ষাৰ এক সুযোগ। সকলোৱে নিজৰ দায়িত্ব উপলব্ধি কৰি একেলগে আগবাঢ়িলেহে মহাবিদ্যালয় খনৰ শৈক্ষিক গৌৰৱ পুনৰ ঘূৰাই অনা সম্ভৱ হ'ব।

# একাঠু পানীত নামিও স্বাধীনতা দিৱসৰ দায়বদ্ধতাৰে পতাকালৈ যাঁচিলে এবুকু সন্মান



**অসম বাৰ্তা, নুমলীগড়, ১৫ আগষ্ট ঃ** গোলাঘাট জিলাৰ বোকাখাত সমজিলাৰ বংকোৱাল চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ত প্ৰতিকূল পৰিস্থিতিকো নেওঁচি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস পালন কৰা হৈছে। গেলাবিল আৰু ধনশিৰি নদীৰ বাঢ়নী পানীত এসপ্তাহতকৈ অধিক সময় ধৰি প্লাৱিত হৈ আছে বিদ্যালয়খন। পানীৰ গভীৰতা এনেকুৱা যে চৌহদ আৰু খেলপথাৰ পানীত ডুব গৈছে। তথাপিও শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে পতাকা উত্তোলন অনুষ্ঠান পৰিত্যাগ নকৰিলে। বিদ্যালয়ৰ চৌহদত থিয় হৈ থকা ৰাষ্ট্ৰীয় পতাকা দণ্ডৰ তলত পানীৰ মাজতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে সমবেত হৈ স্বাধীনতা দিৱসৰ অনুষ্ঠান সম্পন্ন কৰে। পতাকা উত্তোলনৰ সময়ত সকলোৱে দেশভক্তিৰ গীত গায় আৰু স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগক স্মৰণ কৰে। পানীত থিয় হৈ থকা অৱস্থাতো তেওঁলোকৰ মুখমণ্ডলত দেশপ্ৰেমৰ উদ্দীপনা স্পষ্টকৈ প্ৰকাশ পাইছে। স্থানীয় লোকসকলৰ মতে, নদীৰ পানী বৃদ্ধি পোৱাৰ ফলত বিদ্যালয়ৰ চৌপাশৰ এলেকা প্ৰায় সম্পূৰ্ণৰূপে প্লাৱিত হৈ পৰিছে। যোগাযোগ ব্যৱস্থাও ব্যাহত হৈছে। এনে অৱস্থাতো বিদ্যালয় প্ৰশাসনে স্বাধীনতা দিৱসৰ গুৰুত্ব উপলব্ধি কৰি অনুষ্ঠান আয়োজন কৰাটো প্ৰশংসনীয় বুলি স্থানীয়সকলে মত প্ৰকাশ কৰিছে। এই ঘটনাই দেখুৱাইছে যে প্ৰতিকূল পৰিস্থিতিতো দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি থকা আমাৰ শ্ৰদ্ধা আৰু দায়বদ্ধতা অটুট আছে। বংকোৱাল চৰকাৰী উচ্চ বুনিয়াদী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ এই উদ্যোগে অসমৰ অন্যান্য বানপীড়িত অঞ্চলৰ লোকসকলকো অনুপ্ৰাণিত কৰিব বুলি আশা কৰিব পাৰি।

# বানাক্ৰান্তৰ কাষত সঞ্জয় ফাউণ্ডেশ্যন; বানপীড়িতৰ মাজত খাদ্য-বস্ত্ৰ বিতৰণ, ছাত্ৰ-ছাত্ৰীৰ মাজত কিতাপ, বহী-কলম আৰু স্কুল বেগ বিতৰণ



**অসম বাৰ্তা, অভয়াপুৰী, ১৫ আগষ্ট ঃ** বানপানীৰ ফলত ক্ষতিগ্ৰস্ত ৰাইজৰ কাষত থিয় হৈ সহায়ৰ হাত আগবঢ়াইছে সঞ্জয় ফাউণ্ডেশ্যনে। ফাউণ্ডেশ্যনৰ সভাপতি সঞ্জয় ৰায়ৰ নেতৃত্বত ফাউণ্ডেশ্যনৰ সদস্যসকলে শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিভিন্ন বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি বানপীড়িত ৰাইজৰ মাজত খাদ্য-সামগ্ৰী আৰু বস্ত্ৰ বিতৰণ কৰে। সঞ্জয় ফাউণ্ডেশ্যনৰ উদ্যোগত শিৱসাগৰ সমষ্টি, নাজিৰা সমষ্টি আৰু ডিমৌ বিধানসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন বানাক্ৰান্ত অঞ্চলত উপস্থিত হৈ বানপীড়িত ৰাইজৰ পৰিস্থিতিৰ বুজ লয়। বেতবাৰী ৪১১ নং বালিকা প্ৰাথমিক বিদ্যালয়, নেপালী খুটী আদিকে ধৰি বিভিন্ন অঞ্চলত ফাউণ্ডেশ্যনৰ সদস্যসকলে উপস্থিত হৈ ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে। ইয়াৰ মাজতে বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কণ কণ ছাত্ৰ-ছাত্ৰী আৰু কলেজীয়া শিক্ষাৰ্থীসকলৰ মাজত কিতাপ, বহী, কলম আৰু স্কুল বেগ বিতৰণ কৰা হয়। বানত শিক্ষাৰ্থীসকলৰ শিক্ষাৰ সামগ্ৰী নষ্ট হোৱাৰ ফলত যাতে তেওঁলোকৰ পঢ়া-শুনাত কোনো ধৰণৰ বাধাৰ সৃষ্টি নহয়, সেই উদ্দেশ্যে এই শিক্ষা সামগ্ৰীসমূহ বিতৰণ কৰে। লগতে বানপীড়িত পৰিয়ালসমূহৰ মাজত খাদ্য সামগ্ৰী আৰু বস্ত্ৰ বিতৰণ কৰি বানৰ দুৰ্যোগৰ সময়ত কিছু সকাহ দিয়াৰ চেষ্টা কৰে সঞ্জয় ফাউণ্ডেশ্যনে। দুৰ্যোগৰ কঠিন সময়ত আৰ্তজনৰ কাষত উপস্থিত হৈ খাদ্য, বস্ত্ৰ আৰু শিক্ষা সামগ্ৰী বিতৰণ কৰা ফাউণ্ডেশ্যনৰ এই পদক্ষেপক স্থানীয় ৰাইজে আদৰণি জনায়। সঞ্জয় ফাউণ্ডেশ্যনৰ সভাপতি সঞ্জয় ৰায়ে কয় যে বানপানীৰ সময়ত ক্ষতিগ্ৰস্ত লোকসকলক সহায় কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা যাতে ব্যাহত নহয়, তাৰ প্ৰতিও গুৰুত্ব দিয়াটো অত্যন্ত প্ৰয়োজনীয়। সেই উদ্দেশ্যে ফাউণ্ডেশ্যনে বানাক্ৰান্ত অঞ্চলসমূহত উপস্থিত হৈ সামৰ্থ্য অনুসৰি সহায়-সহযোগিতা আগবঢ়াছে।

# বৰপেটা মেডিকেল কলেজ হস্পিটালত নতুনকৈ নিৰ্মাণ কৰা মাতৃ আৰু শিশু চিকিৎসালয় মুকলি

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৫ আগষ্ট ঃ** বৰপেটা মেডিকেল কলেজ হস্পিটালত নতুনকৈ নিৰ্মাণ কৰা মাতৃ আৰু শিশু চিকিৎসালয় এখন মুকলি কৰাৰ লগতে আগন্তুক দুবছৰৰ ভিতৰত বৰপেটা, তেজপুৰ আৰু যোৰহাট মেডিকেল কলেজত মুকলি হ'ব হৃদৰোগ আৰু স্নায়ুৰোগ বিভাগ মুকলি কৰি আজি এই কথা ঘোষণা কৰে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী অশোক সিংঘালে। স্বাস্থ্যমন্ত্ৰীগৰাকীৰ অকপট স্বীকাৰোক্তি- ৰাজ্যত শীঘ্ৰে সমাধান নহয় হৃদ আৰু স্নায়ু ৰোগ বিভাগৰ চিকিৎসকৰ সমস্যা। প্ৰতিবছৰে ৰাজ্যত সীমিত সংখ্যক হৃদৰোগ বিভাগৰ চিকিৎসকহে ওলায়। এই সীমিত সংখ্যক চিকিৎসকৰ ভিতৰৰ বেছি সংখ্যকে আকৌ চৰকাৰী হস্পিটালৰ বিপৰীতে অন্যস্থানত চিকিৎসাৰ প্ৰতিহে আগ্ৰহী হয়। সেয়ে ৰাজ্যৰ বাহিৰৰ পৰা হৃদ আৰু স্নায়ু ৰোগৰ বিশেষজ্ঞ চিকিৎসক অনাৰ চিন্তা চৰ্চা কৰি থকা হৈছে বুলিও স্বাস্থ্যমন্ত্ৰী অশোক সিংঘালে উল্লেখ কৰে। স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে বৰপেটা মেডিকেল কলেজ হস্পিটাল চৌহদত প্ৰায় ২৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা মাতৃ আৰু শিশু চিকিৎসালয়খন মুকলিৰ পিছতে বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসৰ উপস্থিতিত মেডিকেল কলেজৰ বিভিন্ন বিভাগৰ মুৰব্বী চিকিৎসক সকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

# আজি আমবাৰী বজাৰত ৮০ তম্ স্বাধীনতা দিৱস পালন

**অসম বাৰ্তা, অভয়াপুৰী, ১৫ আগষ্ট ঃ** দেশৰ আন স্থানৰ লগতে বঙাইগাঁও জিলাৰ আমবাৰী বজাৰতো ৮০ তম্ স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰা হয়। পূৰ্বৰ নিৰ্ধাৰিত চৰকাৰী নিৰ্দেশনা সময় অনুসৰিয়ে আমবাৰী বজাৰ চৌহদত বজাৰ কমিটিৰ কৰ্মকৰ্তাৰ সকলৰ উপস্থিতিত ৮০ তম্ স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰে বজাৰ কমিটিৰ সভাপতি মোজাম্মেল হকে। পতাকা উত্তোলন কৰি দিয়া ভাষণত অধিবক্তা মফিদুল ইছলামে দেশমাতৃ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলৰ প্ৰতি সশ্ৰদ্ধ শ্ৰদ্ধা নিবেদন কৰি কয় যে আমি প্ৰতিগৰাকী ভাৰতীয় নাগৰিকেই সংবিধানৰ প্ৰতি সন্মান প্ৰদৰ্শনেৰে ৰাষ্ট্ৰৰ হাতত শক্তিশালী কৰি তুলিব লাগিব। স্বাধীনতা দিৱসৰ এই পৱিত্ৰ দিনটোতে আমি প্ৰত্যেকেই এখন শক্তিশালী বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দেশ হিচাপে ভাৰতবৰ্ষক প্ৰতিষ্ঠা কৰিবৰ বাবে নিজকে উৎসৰ্গা কৰিবলৈ সকলোৱে প্ৰতি আহ্বান জনায়.। আমবাৰী বজাৰ কমিটিৰ সভাপতি মোজাম্মেল হকৰ আঁত ধৰা এই পতাকা উত্তোলন কাৰ্য্যসূচীত সম্পাদক মফিদুল ইছলাম সা-সম্পাদক ময়নাল হক চৌধুৰী, ইজ্জত আলী, আবুছ আলী, ছাইদুল ইছলাম, শুকুৰ আলী, আজাহাৰ আলী তালুকদাৰ, আশক আলী, নিতাই মণ্ডল, আশ্ৰাব আলী, প্ৰভাত শিকদাৰ, লগতে জ্যেষ্ঠ-কনিষ্ঠ সদস্য সকল উপস্থিত থাকে।

### স্বাধীনতা দিৱসৰ কাৰ্যসূচীত নিমন্ত্ৰণ নোপোৱাক লৈ অসন্তুষ্টি

# পুনৰ সন্মানিত হ'ল দেৰগাঁৱৰ ৰাইজ

**অসম বাৰ্তা, দেৰগাঁও, ১৫ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বিভিন্ন জিলা আৰু সমজিলাতো উলহ-মালহেৰে স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। সাংস্কৃতিক অনুষ্ঠান, দেশপ্ৰেমমূলক কাৰ্যসূচী আৰু বিভিন্ন ইতিবাচক কাৰ্যসূচীৰে মুখৰিত হৈ পৰে বিভিন্ন অঞ্চল। ইয়াৰ ব্যতিক্ৰম নহয় দেৰগাঁও। কিন্তু দেৰগাঁও সমজিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত স্বাধীনতা দিৱসৰ মূল কাৰ্যসূচীত বহু মুক্তিযোদ্ধা পৰিয়াল, সাংবাদিক, জ্যেষ্ঠ নাগৰিক, গণ্যমান্য ব্যক্তি তথা বহু সাধাৰণ ৰাইজে নিমন্ত্ৰণ পত্ৰ লাভ নকৰাক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। নিমন্ত্ৰণ পত্ৰ নোপোৱা একাংশ ৰাইজৰ অভিযোগ, বহু বছৰ ধৰি সামাজিক, সাংস্কৃতিক আৰু বিভিন্ন জনকল্যাণমূলক ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত হৈ থকা লোকসকলক এনে এটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় অনুষ্ঠানত নিমন্ত্ৰণৰ পৰা আঁতৰাই ৰখাটো অতি দুৰ্ভাগ্যজনক। বিষয়টো ইতিমধ্যে সামাজিক মাধ্যমতো চৰ্চা লাভ কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰো দেৰগাঁও সমজিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীক কেন্দ্ৰ কৰি সাংবাদিকৰ সৈতে হোৱা এক ঘটনাই চৰ্চা লাভ কৰিছিল। সাংবাদিকসকলৰ সৈতে হোৱা ব্যৱহাৰক লৈ সেই সময়ত বিভিন্ন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। এইবাৰো নিমন্ত্ৰণৰ দায়িত্বত থকা সংশ্লিষ্ট বিষয়াসকলে বহু লোকক নিমন্ত্ৰণ জনাবলৈ পাহৰিলে নে কোনো বিশেষ কাৰণত নিমন্ত্ৰণ জনোৱা নহ'ল- সেই লৈ এতিয়া প্ৰশ্ন উত্থাপন হৈছে ৰাইজৰ মাজত। একাংশ গণ্যমান্য ব্যক্তিৰ মতে, যদি কোনো কাৰণত ঘৰে-ঘৰে গৈ নিমন্ত্ৰণ পত্ৰ প্ৰদান কৰাটো সম্ভৱ নহয়, তেন্তে সংবাদমেল বা ৰাজহুৱা জাননীৰ জৰিয়তে সকলোকে অনুষ্ঠানলৈ আমন্ত্ৰণ জনাব পাৰিলেহেঁতেন। তেনে কৰিলে কোনো লোকেই নিজকে অৱহেলিত বুলি অনুভৱ নকৰিলেহেঁতেন। বিশেষকৈ মুক্তিযোদ্ধা পৰিয়াল আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যক্তিসকলৰ ক্ষেত্ৰত এনে গুৰুত্বপূৰ্ণ অনুষ্ঠানত নিমন্ত্ৰণৰ বিষয়টো অধিক সংবেদনশীল বুলি মত প্ৰকাশ কৰিছে সচেতন মহলে। সামাজিক আৰু সাংস্কৃতিক দিশত ৰাজ্যৰ অন্যতম আগশাৰীৰ অঞ্চল হিচাপে পৰিচিত দেৰগাঁৱত এনে ঘটনাই স্বাভাৱিকতে বহু প্ৰশ্নৰ জন্ম দিছে। সমজিলা প্ৰশাসনে বিষয়টো গুৰুত্বসহকাৰে লৈ প্ৰকৃততে কি হৈছিল সেই কথা স্পষ্ট কৰিবনে- এতিয়া সেয়াই লক্ষণীয় হ'ব। ইফালে, অনুষ্ঠানৰ আয়োজক প্ৰশাসনৰ বক্তব্য জানিব পৰা গ'লে এই বিষয়টোৰ সম্পূৰ্ণ ছবি অধিক স্পষ্ট হ'ব।

# Green Valley English Academyত উলহ-মালহেৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জনীয়া, ১৫ আগষ্ট ঃ** বৰপেটা জিলাৰ কুমুল্লীপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত বানিয়াৰাপাৰাস্থিত Green Valley English Academyত উলহ-মালহেৰে উদ্‌যাপন কৰা হয় ৮০ সংখ্যক স্বাধীনতা দিৱস। আনন্দ-উলাহৰ মাজেৰে বিদ্যালয়খনত দিনজোৱা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জাতীয় পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে বানিয়াৰাপাৰাৰ অৱসৰপ্ৰাপ্ত ৰেচম বিষয়া হুৰমুজ আলীয়ে। পতাকা উত্তোলনৰ পিছতে দেশৰ স্বাধীনতাৰ বাবে জীৱন আহুতি দিয়া বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ উপস্থিতিত বিদ্যালয়ৰ পৰিৱেশত সৃষ্টি হয় দেশপ্ৰেমৰ এক মনোমোহা পৰিৱেশ। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়খনত গীত, নৃত্য, নাটক, চিত্ৰাংকন, কবিতা আবৃত্তি আৰু পেৰেডকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰাৰ লগতে বিভিন্ন নৃত্য, গীত আৰু নাটকৰ জৰিয়তে স্বাধীনতাৰ তাৎপৰ্য, দেশপ্ৰেম, জাতীয় ঐক্য আৰু সামাজিক দায়িত্বৰ বাৰ্তা দাঙি ধৰে। ইফালে, চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতাতো ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰে। চিত্ৰাংকনৰ জৰিয়তে দেশৰ স্বাধীনতা, জাতীয় পতাকা আৰু দেশপ্ৰেমৰ বিভিন্ন দৃশ্য সৃষ্টিশীলভাৱে উপস্থাপন কৰাৰ বিপৰীতে কবিতা আবৃত্তিৰ জৰিয়তে দেশপ্ৰেমৰ অনুভূতি প্ৰকাশ কৰে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল ছাত্ৰ-ছাত্ৰীসকলৰ পেৰেড। শৃংখলাবদ্ধভাৱে পেৰেডত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে দেশৰ প্ৰতি থকা সন্মান আৰু দায়িত্ববোধৰ পৰিচয় দিয়ে। পেৰেডে উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। স্বাধীনতা দিৱসৰ বিভিন্ন প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক অনুষ্ঠানত পুৰস্কৃত কৰা হয়। স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰি তেওঁলোকক উৎসাহিত কৰাৰ লগতে ভৱিষ্যতেও বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাবলৈ উৎসাহ যোগোৱা হয়। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে স্বাধীনতাৰ মূল্যবোধ, দেশপ্ৰেম, শৃংখলা, ঐক্য আৰু দায়িত্ববোধ নতুন প্ৰজন্মৰ মাজত গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্বাধীনতা দিৱস কেৱল আনন্দ-উৎসৱৰ দিন নহয়, বৰঞ্চ দেশৰ স্বাধীনতাৰ বাবে আত্মবলিদান দিয়া বীৰ শ্বহীদসকলৰ ত্যাগক স্মৰণ কৰাৰ লগতে দেশৰ প্ৰতি নিজৰ দায়িত্ব উপলব্ধি কৰাৰ দিন বুলিও উল্লেখ কৰে। সামগ্ৰিকভাৱে গীত, নৃত্য, নাটক, চিত্ৰাংকন, কবিতা আবৃত্তি, পেৰেড আৰু পুৰস্কাৰ বিতৰণী অনুষ্ঠানেৰে Green Valley English Academyত ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচীয়ে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। ছাত্ৰ-ছাত্ৰীৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ আৰু প্ৰতিভাৰ প্ৰদৰ্শনে অনুষ্ঠানটোক কৰি তোলে অধিক বৰ্ণাঢ্য আৰু স্মৰণীয়।

# সৰুপথাৰ সমজিলাত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ১৫ আগষ্ট ঃ** সৰুপথাৰ, সমগ্ৰ দেশৰ লগতে সৰুপথাৰ সমজিলাতো আজি উলহ-মালহেৰে দেশৰ ৮০সংখ্যক স্বাধীনতা দিৱসটি উদ্‌যাপন কৰা হয়। সৰুপথাৰৰ ছেৰাগুৰি খেলপথাৰত অনুষ্ঠিত সমজিলাখনৰ কেন্দ্ৰীয় স্বাধীনতা দিৱসৰ কাৰ্যসূচীত দেশপ্ৰেম আৰু জাতীয় চেতনাৰে মুখৰ হৈ পৰে সমগ্ৰ পৰিৱেশ। অনুষ্ঠানত সৰুপথাৰ সমজিলাৰ সমজিলা আয়ুক্ত মিতালী লহকৰে মুখ্য অতিথি হিচাপে উপস্থিত থাকি আনুষ্ঠানিকভাৱে জাতীয় পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে তেওঁ কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰি স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, সৰুপথাৰ সমজিলা প্ৰশাসনৰ বিষয়া-বৰ্গ, সৰুপথাৰ আৰু বৰপথাৰ পৌৰসভাৰ পৌৰপতিদ্বয়, সমজিলা আৰক্ষী অধীক্ষক দিপেন পাটৰ, শ্বহীদ কুশল কোঁৱৰৰ পৰিয়ালবৰ্গৰ লগতে ৬১গৰাকী স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালবৰ্গ উপস্থিত থাকে। বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোৰ গাম্ভীৰ্য আৰু মৰ্যাদা অধিক বৃদ্ধি কৰে। মুখ্য অতিথি সমজিলা আয়ুক্ত মিতালী লহকৰে ভাষণ প্ৰসংগত সৰুপথাৰ সমজিলাৰ জনসাধাৰণৰ কল্যাণ আৰু সামগ্ৰিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক পদক্ষেপৰ বিষয়ে আলোকপাত কৰে। লগতে তেওঁ সমজিলাবাসীক স্বাধীনতা দিৱসৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল স্থানীয় সাংস্কৃতিক দলসমূহে পৰিৱেশন কৰা মনোৰম পৰম্পৰাগত আৰু দেশভক্তিমূলক নৃত্য-গীত। সাংস্কৃতিক অনুষ্ঠানসমূহে উপস্থিত ৰাইজক আপ্লুত কৰাৰ লগতে সমগ্ৰ পৰিৱেশত দেশপ্ৰেমৰ আবেগ সৃষ্টি কৰে। প্ৰায় চাৰি হাজাৰ লোকৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণেৰে অনুষ্ঠিত এই বৰ্ণাঢ্য কাৰ্যসূচীয়ে সৰুপথাৰবাসীৰ দেশপ্ৰেম, ঐক্য আৰু সম্প্ৰীতিৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰে। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি সমজিলা প্ৰশাসনৰ উদ্যোগত সমজিলা প্ৰশাসন একাদশ আৰু সাংবাদিক একাদশৰ মাজত এখনি প্ৰীতি ফুটবল খেলো অনুষ্ঠিত কৰা হয়। দেশৰ স্বাধীনতাৰ বীৰ শ্বহীদসকলৰ ত্যাগ আৰু আত্মবলিদানক শ্ৰদ্ধাৰে স্মৰণ কৰি দেশপ্ৰেম, ঐক্য আৰু সম্প্ৰীতিৰ বাণীৰে সৰুপথাৰ সমজিলাত ৮০সংখ্যক স্বাধীনতা দিৱসৰ বৰ্ণাঢ্য কাৰ্যসূচীৰ সফল সামৰণি পৰে।

# তিনিচুকীয়া জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ত স্বাধীনতা দিৱসত 'উন্মেষ'ৰ শুভ উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ আগষ্ট ঃ** স্বাধীনতাৰ ৭৯সংখ্যক বৰ্ষপূৰ্তিৰ পৱিত্ৰ ক্ষণত আজি তিনিচুকীয়া জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয় তথা সমগ্ৰ শিক্ষাৰ জিলা মিছন কাৰ্যালয়ত দেশপ্ৰেমৰ আবেগ, স্মৃতি আৰু সৃষ্টিশীলতাৰ এক মনোৰম সমাহাৰ পৰিলক্ষিত হয়। স্বাধীনতা দিৱস উদ্‌যাপনৰ পৱিত্ৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি আৰু সৃষ্টিশীল জীৱনক উৎসৰ্গিত 'উন্মেষ' নামৰ প্ৰাচীৰ পত্ৰিকাৰ পঞ্চম সংখ্যাটিৰ শুভ উন্মোচন কৰা হয়। বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু জিলা মিছন সমন্বয়ক বিন্তী শৰ্মাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পাছত 'উন্মেষ'ৰ পঞ্চম সংখ্যাটিৰ শুভ উন্মোচন কৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰাজীৱ কোঁৱৰে। বিষয়া-কৰ্মচাৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিভিন্ন বিদ্যালয়ৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত এই উন্মোচনী ক্ষণটো পৰিণত হয় শ্ৰদ্ধা, স্মৃতি আৰু সৃষ্টিৰ এক মননশীল মিলনভূমিত। বিন্তী শৰ্মাৰ নেতৃত্বত প্ৰকাশিত 'উন্মেষ'ত জিলা শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৃষ্টিশীল মনৰ অনুভৱ, চিন্তা, কল্পনা আৰু প্ৰতিভাৰ বহুমুখী প্ৰকাশ ঘটিছে। সুৰুয ভূঞা আৰু দুৰ্জয় লোচন চেতিয়াৰ তত্ত্বাৱধানত তথা জাহ্নবী ফুকনৰ সম্পাদনাত প্ৰকাশিত 'উন্মেষ'ৰ পৰিকল্পনা আৰু অলংকৰণত শিক্ষক জয়ন্ত ভূঞা আৰু পল্লৱ গগৈয়ে সৃষ্টিশীলতাৰ পৰশেৰে এক নান্দনিক ৰূপ প্ৰদান কৰিছে।

# লংকাৰ ফৰমাৰপাৰত BEG Educational Instituteত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ৮০ তম্ স্বাধীনতা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, লংকা, ১৫ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে লংকাৰ ফৰমাৰপাৰত অৱস্থিত অগ্ৰণী শিক্ষানুষ্ঠান BEG Educational Instituteৰ উদ্যোগত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। দেশপ্ৰেম, জাতীয় চেতনা আৰু শিক্ষাৰ মূল্যবোধক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে আয়োজন কৰা এই অনুষ্ঠানত স্থানীয় ৰাইজ, অভিভাৱক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ উৎসাহজনক উপস্থিতিয়ে অনুষ্ঠানটোক এক বিশেষ মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে পুৱা ৭: ৩০ বজাত বিশিষ্ট শিক্ষাবিদ তথা ফৰমাৰপাৰ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জুবাইৰ আহমদে জাতীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ সময়ত উপস্থিত সকলো লোকে জাতীয় সংগীত পৰিৱেশন কৰাৰ লগতে দেশৰ স্বাধীনতাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা মহান স্বাধীনতা সংগ্ৰামীসকলক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক ৰশিদ আহমদ বৰভূঞা, BEG Educational Institute-ৰ সঞ্চালক তথা সাংবাদিক আবু ছোফিয়ান বেগ, স্থানীয় বিশিষ্ট ব্যক্তি, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানত বক্তাসকলে কয় যে, স্বাধীনতা কেৱল এটা দিন উদযাপনৰ বিষয় নহয়, বৰঞ্চ ই হৈছে দেশৰ প্ৰতি দায়বদ্ধতা, ত্যাগ, কৰ্তব্যবোধ আৰু জাতীয় চেতনাৰ এক জীৱন্ত প্ৰতীক। আজিৰ প্ৰজন্মই স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু আদৰ্শক হৃদয়ংগম কৰি এখন উন্নত, শিক্ষিত আৰু শক্তিশালী সমাজ গঢ়ি তোলাৰ বাবে আগবাঢ়ি অহাটো সময়ৰ আহ্বান। লগতে বক্তাসকলে শিক্ষাৰ গুৰুত্বৰ ওপৰতো আলোকপাত কৰি কয় যে, জাতিৰ উন্নয়নৰ মূল ভেটি হৈছে শিক্ষা। ছাত্ৰ-ছাত্ৰীসকলক কেৱল পাঠ্যপুথিৰ মাজতে সীমাবদ্ধ নাথাকি নৈতিক মূল্যবোধ, সামাজিক দায়িত্ববোধ আৰু দেশপ্ৰেমৰ মনোভাৱেৰে আগুৱাই যাবলৈ আহ্বান জনোৱা হয়। দেশপ্ৰেম, ঐক্য আৰু শিক্ষাৰ প্ৰতি দায়বদ্ধতাৰ বাৰ্তাৰে অনুষ্ঠানৰ সফল সামৰণি পৰে।

# ৰহা পতঞ্জলি আৰ্দশ যোগ সমিতিৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু সহ যোগ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত

**অসম বাৰ্তা, ৰহা, ১৫ আগষ্ট ঃ** আজি ৰহা মহেন্দ্ৰ হাজৰিকা ভৱনত ৰহা পতঞ্জলি আৰ্দশ যোগ সমিতিৰ দশম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু নগাঁও জিলা ভাৰত স্বাভিমান ন্যাসৰ অধীনত অনুষ্ঠিত হোৱা সহ যোগ শিক্ষক প্ৰশিক্ষণ শিবিৰৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত প্ৰথমে পুৱা স্বাধীনতা দিৱস উপলক্ষে পতাকা উত্তোলন কৰা পিছত বন্তি প্ৰজ্বলন আৰু হোম যজ্ঞ অনুষ্ঠিত হৈ এখন মুকলি সভা অনুষ্ঠিত হয়। দিহানাম, সমবেত সংগীত আৰু যোগ ব্যায়ামৰ সহায়ত দেশপ্ৰেমমূলক নৃত্য প্ৰদৰ্শন ৰ পাছত ১ জুলাইৰ পৰা পতঞ্জলি যোগ সমিতি, হৰিদ্বাৰৰ তত্ত্বাৱধানত ভাৰত স্বাভীমান ন্যাসৰ দ্বাৰা আয়োজিত আৰু নগাঁও জিলা ভাৰত স্বাভিমান ন্যাস, পতঞ্জলি যোগ সমিতি, মহিলা পতঞ্জলি যোগ সমিতি, যুৱ ভাৰত, কিষান সেৱা সমিতিৰ উদ্যোগত চলা ২৫দিনীয়া সহযোগ শিক্ষক প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ লোৱা ৭৯গৰাকী শিক্ষাৰ্থীক পতঞ্জলি যোগপীঠৰ সহযোগ শিক্ষক ৰ মানপত্ৰ প্ৰদান কৰা হয়। লগতে যোগ গুৰু সকলক গুৰুদক্ষিণা প্ৰদান কৰি শিক্ষাৰ্থী সকলে আশিৰ্বাদ গ্ৰহণ কৰে। ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয় ৰ প্ৰাক্তন অধ্যক্ষ কমল চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত আৰু পতঞ্জলি ৰহা তহচিল সমিতিৰ প্ৰভাৰী কমল চন্দ্ৰ শৰ্মাই আঁত ধৰা মুকলি সভাত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, প্ৰাক্তন বিধায়ক গুনেশ্বৰ দাস, ৰহা পৌৰসভা পৌৰপতি বন্তি হাজৰিকা, উপ পৌৰপতি অনিমা দাস, ৰহা পৌৰসভা কাৰ্য্যবাহী বিষয়া ৰুদ্ৰজ্যোতি দাস, ৰাজ্যিক ভাৰত স্বাভিমান ন্যাসৰ প্ৰভাৱি বিদ্যাধৰ কুম্ভকাৰ, ভাৰত স্বাভিমান ন্যাস পশ্চিম অসমৰ মহামন্ত্ৰী গিৰিধৰ বৈশ্য, গিৰিধৰ বৈশ্য, ৰহা তহচিল পতঞ্জলি যোগ সমিতিৰ মুখ্য পৰিচালক ৰামনিবাস শৰ্মা, পেট্ৰোন ওমপ্ৰকাশ জাজোদীয়া, ৰহা পতঞ্জলি যোগ সমিতি মহামন্ত্ৰী বিনোৱা ৰাজবংশী, নগাঁও জিলা মহিলা পতঞ্জলি যোগ সমিতি প্ৰভাৰী স্বৰ্নলতা ভূঞা, নগাঁও জিলাৰ যুৱ প্ৰভাৰী সঞ্জয় কুমাৰ কাকতি, নগাঁও জিলাৰ সংবাদ প্ৰভাৰী চৈয়েল খেতান, ৰহা মহিলা পতঞ্জলি যোগ সমিতি প্ৰভাৰী দীপিকা হাজৰিকা সহ নগাঁও জিলা, ৰহা তহচিল পতঞ্জলি যোগ সমিতি, ভাৰত স্বাভীমান ট্ৰাষ্ট, ৰহা তহচিল পতঞ্জলি যোগ সমিতিৰ বিষয় ববিয়া আৰু ৰহা তহচিল পতঞ্জলি যোগ সমিতিৰ অন্তৰ্গত বিভিন্ন শাখাৰ প্ৰতিনিধি আৰু শিক্ষাৰ্থী সকল উপস্থিত থাকে। উক্ত অনুষ্ঠান টিত অলেখ লোকৰ সমাগমে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

# কৃষ্ণাইত উলহ-মালহেৰে ৮০ সংখ্যক স্বাধীনতা দিৱস পালন

**অসম বাৰ্তা, কৃষ্ণাই, ১৫ আগষ্ট ঃ** আজিৰ দিনটোত সমগ্ৰ দেশৰ লগতে গোৱালপাৰা জিলাৰ কৃষ্ণাই অঞ্চলতো বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত উলহ-মালহেৰে পালন কৰা হয় ৮০ সংখ্যক স্বাধীনতা দিৱস। স্বাধীনতা দিৱস উপলক্ষে অঞ্চলটোৰ প্ৰতিটো পৰিয়াল, যান-বাহন, ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানসমূহ ত্ৰিৰংগাৰ ৰঙেৰে জাতিষ্কাৰ হৈ পৰে। এই উপলক্ষে কৃষ্ণাই অসম অইলৰ সন্মুখত কৃষ্ণাই প্ৰেছ ক্লাবৰ উদ্যোগত স্বাধীনতা দিৱসৰ পতাকা উত্তোলন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত জাতীয় পতাকা উত্তোলন কৰে প্ৰেছ ক্লাবৰ সভাপতি চৈয়দ ৰবিউল হকে। প্ৰেছ ক্লাবৰ সম্পাদক নীলমণি শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত উপ-সভাপতি কন্দৰ্প কুমাৰ দেৱনাথ, সাংবাদিক নুৰ মহম্মদ, সাংবাদিক ফজৰ আলী, অইলৰ মেনেজাৰ বিনীত জৈন আদিকে ধৰি অৰ্ধশতাধিক লোক উপস্থিত থাকে। স্বাধীনতা দিৱসৰ এই অনুষ্ঠানত দেশৰ স্বাধীনতা সংগ্ৰামৰ বীৰ শ্বহীদসকলক স্মৰণ কৰাৰ লগতে দেশৰ অখণ্ডতা, শান্তি আৰু সমৃদ্ধিৰ বাবে সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰাৰ সংকল্প গ্ৰহণ কৰে।

**মন্ত্ৰী অজন্তা নেওগৰ পতাকা উত্তোলন আৰু অভিবাদন গ্ৰহণ**

# গোলাঘাটত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ গোলাঘাট, ১৫ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে গোলাঘাট সমন্বয় ক্ষেত্ৰৰ বাকৰিত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত এই গৰিমা আৰু স্বাভিমানৰ অনুষ্ঠানটিত মাননিয় মন্ত্ৰী অজন্তা নেওগে মুখ্য অতিথি হিচাপে উপস্থিত থাকি আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে আৰু সমবেত পেৰেডৰ অভিবাদন গ্ৰহণ কৰে। তাৰ পিছতেই অৰ্ধ-সামৰিক বাহিনী, অসম আৰক্ষী, গৃহৰক্ষী আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)ৰ দলসমূহৰ দ্বাৰা এক আকৰ্ষণীয় কুচকাৱাজ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত মন্ত্ৰীগৰাকীয়ে স্বাধীনতা সংগ্ৰামৰ মহান শ্বহীদসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নিজৰ ভাষণত তেওঁ ইতিহাসপ্ৰসিদ্ধ গোলাঘাট জিলাখনৰ ঐতিহ্যৰ কথা সোঁৱৰাৰ লগতে ৰাজ্য চৰকাৰৰ উন্নয়নমূলক যাত্ৰাত জিলাখনে লাভ কৰা অগ্ৰগতি আৰু বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান ৰাইজৰ আগত ডাঙি ধৰে। স্বাধীনতা সংগ্ৰামত অতুলনীয় অৱদান আগবঢ়োৱা জিলাখনৰ মুক্তি যুঁজাৰুসকলৰ অদম্য সত্তাক সন্মান জনাই আজিৰ এই ঐতিহাসিক দিনটোতে তেওঁলোকৰ সতি-সন্ততিসকলক জিলা প্ৰশাসনৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰিও গোলাঘাট জিলাৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলকো তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সম্বৰ্ধনা জনোৱা হয়। প্ৰায় ৫ হাজাৰৰো অধিক দৰ্শকৰ উপস্থিতিত এই বিশাল সমাৰোহৰ সৈতে সংগতি ৰাখি কেইবাটাও গুৰুত্বপূৰ্ণ সমাজসেৱামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ অংশ হিচাপে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ ৰোগীসকলৰ মাজত ফল-মূল আৰু নৱজাতকসকলৰ মাজত বস্ত্ৰ বিতৰণ কৰাৰ লগতে জিলা কাৰাগাৰৰ কাৰাবন্দীসকলৰ মাজতো ফল-মূল বিতৰণ কৰা হয়। তদুপৰি, পুৰণি আমোলাপট্টি আৰু বেঙেনাখোৱাস্থিত বৃদ্ধাশ্ৰমৰ আৱাসীসকলক ফল-মূল তথা অন্যান্য প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰা হয়। দিৱসৰ অন্তিম কাৰ্যসূচী হিচাপে বিয়লি ফৰকাটিং মহাবিদ্যালয়ৰ খেলপথাৰত গোলাঘাট জিলা আয়ুক্ত একাদশ বনাম গোলাঘাট উকীল সন্থা একাদশৰ মাজত এখনি সৌহাৰ্দ্যপূৰ্ণ প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হয়। আজিৰ এই অনুষ্ঠানত কাজিৰঙা লোক সভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, জিলা আয়ুক্ত বিশ্বজিৎ ফুকন, জেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাৰ লগতে জিলাখনৰ প্ৰতিটো বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বৃহৎ সংখ্যক সাধাৰণ ৰাইজ উপস্থিত থাকি কাৰ্যসূচীসমূহ সফল কৰি তোলে।

# দেৰগাঁও সমজিলা প্ৰশাসনৰ উদ্যোগত ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দেৰগাঁও, ১৫ আগষ্ট ঃ** আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দেৰগাঁও সমজিলা প্ৰশাসনৰ উদ্যোগত পুৱা ৫:৩০ বজাত প্ৰভাত ফেৰীৰে কাৰ্যসূচীৰ আৰম্ভণি কৰে। তাৰ পাছত ৬:৩০ বজাত নাগৰিকৰ ঘৰে ঘৰে আৰু ৭:৩০ বজাত দেৰগাঁও সমজিলা কাৰ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। পুৱা ৮:৩০ বজাত বাপুজী মন্দিৰত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পন কৰা হয়। ইয়াৰ পিছতে মূল অনুষ্ঠান পুৱা ৯:০০ বজাত দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হয়। সমজিলা আয়ুক্ত শ্ৰীমতী সক্ষমা মহোদয়াৰ কৰকমলে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। এই অনুষ্ঠানত দেৰগাঁও বিধানসভা সমষ্টিৰ মাননিয় বিধায়ক ড° মৃদুল কুমাৰ দত্তই আৰু স্বাধীনতা সংগ্ৰামী সকল উপস্থিত থাকি শোভাবৰ্ধন কৰে। পতাকা উত্তোলনৰ পাছত তেখেতে অভিবাদন গ্ৰহণ কৰি শিক্ষাৰ্থী বাহিনীৰ কুচ-কাৱাজ পৰিদৰ্শন কৰে। ১০: ৩০ বজাত দেৰগাঁও ৩০খন বিছনাযুক্ত চিকিৎসালয়ত ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰা হয়। ইয়াৰে ২৬ গৰাকী স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালৰ সদস্যকো বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। বিয়লি ৫: ০০ বজাত সমজিলা কাৰ্যালয়ত ৰাষ্ট্ৰীয় পতাকা অৱনমন আৰু ৫: ৩০ ত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলনৰে কাৰ্যসূচীৰ সামৰণি পৰে।

# গৌৰীপুৰ মহামায়া খেলপথাৰত ৮০ সংখ্যক স্বাধীনতা দিৱস পালন গৌৰীপুৰ পৌৰসভা সমিতিৰ

**অসম বাৰ্তা, গৌৰীপুৰ, ১৫ আগষ্ট ঃ** দেশৰ প্ৰতিটো চুকে কোনে আজিৰ দিনটোত পালন হৈ আছে ৮০ সংখ্যক স্বাধীনতা দিৱস। তাৰে সমান্তৰালকৈ ঐতিহ্য মণ্ডিত গৌৰীপুৰ চহৰত যোৱা কালিৰে পৰা গৌৰীপুৰ পৌৰসভা সমিতিয়ে ৮০ সংখ্যক স্বাধীনতা দিৱসৰ পালনৰ যো-জা কৰি চহৰখনৰ মূল-মূল স্থান পৰিষ্কাৰ আৰু পৰিচ্ছন্নতাৰ কৰি আটক ধুনীয়াকৈ সজাই পৰাই তুলি আজি ৰাতিপুৱা ৯ বজাত গৌৰীপুৰৰ মাজমজিয়াত অৱস্থিত ঐতিহাসিক মহামায়া খেলপথাৰত গৌৰীপুৰ পৌৰসভা সমিতিয়ে পালন কৰিলে ৮০ সংখ্যক স্বাধীনতা দিৱস। এই অনুষ্ঠানত উপস্থিত থাকে গৌৰীপুৰ নগৰ সমিতিৰ আটাইকেইজন বিষয়ববীয়াৰ লগতে গৌৰীপুৰ অঞ্চলৰ বিশিষ্ট বিশিষ্ট ব্যক্তিসকল। অনুষ্ঠানৰ আৰম্ভণিতে গৌৰীপুৰ পৌৰসভা সভানেত্ৰীয়ে উপস্থিত ৰাইজক সেৱা জনাই সকলো ৰাইজকে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰি নিজৰ বক্তব্যৰ মাজতে গৌৰীপুৰ চহৰৰ সমন্ধিত এটি সুন্দৰ কবিতা আবৃত্তি কৰে। আৰু তাৰ পিছত মহামায়া খেলপথাৰত জাতীয় পতাকাখন উত্তোলন কৰে। আৰু জাতীয় পতাকা উত্তোলন কাৰ্য্যসূচীৰ অন্তত অৰ্থাৎ অনুষ্ঠানৰ কাৰ্যসূচী সমাপ্তিৰ আগে আগে গৌৰীপুৰ পৌৰসভাৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলোক এইবছৰৰ শ্ৰেষ্ঠ কৰ্মচাৰী বটাৰে সন্মানিত কৰে গৌৰীপুৰ নগৰ সমিতিয়ে। আৰু এই অনুষ্ঠানত গৌৰীপুৰৰ বিভিন্ন অঞ্চলৰ পৰা বিশিষ্ট তথা আমন্ত্ৰিত সকলে উপস্থিত থাকে। উক্ত অনুষ্ঠানটোত সৰ্বসাধাৰণ ৰাইজকে ধৰি প্ৰায় ডেৰ শতাধিক লোকে উপস্থিত থাকি অনুষ্ঠানটো সাফল্য মণ্ডিত কৰি তোলে।

# তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ বিৰুদ্ধে গাফিলতিৰ অভিযোগ

**অসম বাৰ্তা, মাকুম, ১৫ আগষ্ট ঃ** মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় চিকিৎসকৰ গাফিলটিৰ বাবে এগৰাকী ৰোগী মহিলা মৃত্যু হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ বিৱৰণ অনুসৰি যোৱা ইংৰাজী ১৩ আগষ্ট তাৰিখে তিনিচুকীয়া হিযুগুৰিৰ নিশা মেছ নামৰ ২৬ বছৰীয়া এগৰাকী বিবাহিতা মহিলাক পিত্তথলীৰ পাথৰ হোৱাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল। কালি নিশা চিকিৎসকে পিত্তথলীৰ পাথৰ অস্ত্ৰোপচাৰ কৰাৰ পূৰ্বে তেজৰ প্ৰয়োজন আছে বুলি পৰিয়াল বৰ্গক নজনোৱাৰ উপৰিও অস্ত্ৰোপচাৰ সম্পন্ন হোৱাৰ পাছত হঠাৎ চিকিৎসক জনে তেজ লাগিব বুলি কয়। কিন্তু সেই সময়ত চিকিৎসালয়খনৰ ব্লাড বেংকত প্ৰয়োজনীয় ৰক্তৰ অভাৱ থকাৰ অভিযোগ উত্থাপন হৈছিল। পৰিয়ালৰ লোকসকলে ৰক্তৰ ব্যৱস্থা কৰিবলৈ যোৱাৰ সময়তে মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি পৰিয়ালে অভিযোগ কৰে। এগৰাকী সুস্থ মহিলা এনেদৰে আকস্মিক ভাৱে মৃত্যু হোৱাকলৈ চিকিৎসা মহাবিদ্যালয়খনত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। হুলস্থুলীয়া পৰিৱেশৰ মাজতে ঘটনাটোক লৈ পৰিয়ালৰ লোকে চিকিৎসকৰ বিৰুদ্ধে গাফিলতিৰ অভিযোগ উত্থাপন কৰি গাফিলতি কৰা চিকিৎসকজনৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ বাবে চিকিৎসা মহাবিদ্যালয়খনৰ ঊধৰ্বতন কৰ্তৃপক্ষক দাবী জনায় পৰিয়ালটোৱে। ইয়াৰ উপৰিও মৃত মহিলাগৰাকীৰ পাঁচ বছৰীয়া পুত্ৰ সন্তানৰ সম্পূৰ্ণ লালন-পালনৰ দায়িত্ব চিকিৎসকজনে গ্ৰহণ কৰিব লাগিব বুলিও দাবী জনায় পৰিয়ালৰ লোকে।

# কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ত স্বাধীনতা দিৱস পালন

**অসম বাৰ্তা, অভয়াপুৰী, ১৫ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ত বৃহৎ উৎসাহ-উদ্দীপনা আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বাধীনতা দিৱস উদযাপন কৰা হয়। পুৱা বিদ্যালয় চৌহদত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা স্থানীয় ৰাইজৰ উপস্থিতিত অনুষ্ঠানৰ শুভাৰম্ভ হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰধান শিক্ষক জহিৰুল ইছলামে জাতীয় পতাকা উত্তোলন কৰি দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু অৱদানৰ কথা স্মৰণ কৰে। ইয়াৰ পিছত উপস্থিত সকলোৱে জাতীয় সংগীত পৰিৱেশন কৰাৰ লগতে শ্বহীদসকলৰ স্মৃতিত এক মিনিট নীৰৱতা পালন কৰে। অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দেশভক্তিমূলক গীত, নৃত্য, আবৃত্তি আৰু বক্তৃতা পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। স্বাধীনতা দিৱসৰ তাৎপৰ্য, দেশপ্ৰেম আৰু জাতীয় ঐক্যৰ ওপৰত ভিত্তি কৰি অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীয়ে অনুষ্ঠানটোক অধিক তাৎপৰ্যপূৰ্ণ কৰি তোলে। এই উপলক্ষে আয়োজিত বক্তৃতাত বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীসকলক দেশৰ উন্নয়ন আৰু সমাজ গঢ়াৰ ক্ষেত্ৰত দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ অন্তত উপস্থিত সকলোক মিঠাই বিতৰণ কৰা হয়। সামগ্ৰিকভাৱে, কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ত পালন কৰা স্বাধীনতা দিৱসৰ অনুষ্ঠানটোৱে দেশপ্ৰেম, ঐক্য আৰু শৃংখলাৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়।

# ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ডেকাপাৰা খণ্ড বন বিষয়াৰ কাৰ্যালয়ত উলহ-মালহেৰে পালন কৰিলে স্বাধীনতা দিৱস

**অসম বাৰ্তা, বকো, ১৫ আগষ্ট ঃ** সমগ্ৰ দেশবাসীৰ বাবে এক গৌৰৱময় দিন। দেশজুৰি পালন কৰা হৈছে ৮০ সংখ্যক স্বাধীনতা দিৱস। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বন্দাপাৰা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ডেকাপাৰা খণ্ড বন বিষয়াৰ কাৰ্যালয়তো দেশপ্ৰেম আৰু উৎসাহ-উদ্দীপনাৰে পালন কৰা হয় স্বাধীনতা দিৱস। স্বাধীনতা দিৱস উপলক্ষে পুৱাৰে পৰা বিদ্যালয়, মহাবিদ্যালয়, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, সামাজিক সংগঠন আৰু ৰাজহুৱা স্থানসমূহত জাতীয় পতাকা উত্তোলন কৰা হয়। দেশৰ স্বাধীনতাৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক স্মৰণ কৰি জনোৱা হয় গভীৰ শ্ৰদ্ধাঞ্জলি। জাতীয় পতাকা উত্তোলনৰ পিছতে গোৱা হয় জাতীয় সংগীত। ডেকাপাৰা খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ খণ্ড বন বিষয়া চন্দ্ৰমোহন চাহাই জানিবলৈ দিয়া মতে, পুৱা ৭ বাজি ৪৫ মিনিটত কাৰ্যালয় চৌহদত জাতীয় পতাকা উত্তোলন কৰা হয়। পতাকা উত্তোলন কৰে ডেকাপাৰা ৰাইজৰ গয়ৰহৰ সভাপতি কেশৱ চন্দ্ৰ দাসে। ইয়াৰ পিছতে স্বাধীনতা দিৱস উপলক্ষে ৰঙা চন্দন গছৰ পুলি বিতৰণ কৰে খণ্ড বন বিষয়া চন্দ্ৰমোহন চাহাই। এই অনুষ্ঠানত উপস্থিত থাকে কামৰূপ জিলা ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক উৎপল ৰাভা, বেকেলী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি কৰুণা ৰাভা, ডেকাপাৰা অঞ্চলৰ অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ লগতে কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি আৰু স্থানীয় ৰাইজ। স্বাধীনতাৰ অমৃত মহোৎসৱৰ এই গৌৰৱময় ক্ষণত উপস্থিত সকলোৱে দেশৰ ঐক্য, শান্তি আৰু অখণ্ডতা অটুট ৰখাৰ সংকল্প গ্ৰহণ কৰে। সমগ্ৰ অনুষ্ঠানটোত দেখা যায় দেশপ্ৰেম আৰু উৎসাহ-উদ্দীপনাৰ এক মনোমোহা পৰিৱেশ।

# ১৫ আগষ্টৰ স্বাধীনতা দিৱস উপলক্ষে বৰ লুইত একাডেমীত বৰ্ণাঢ্য কাৰ্যসূচী

**অসম বাৰ্তা, খাৰুপেটীয়া, ১৫ আগষ্ট ঃ** খাৰুপেটীয়াৰ বদলি বৈৰালীত অৱস্থিত বৰ লুইত একাডেমীৰ উদ্যোগত দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি মুকলি আৰু বঁটা বিতৰণী সভাৰ লগতে এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা স্থানীয় লোকসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দেশপ্ৰেমমূলক বিভিন্ন কাৰ্যসূচী আৰু সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। লগতে বিভিন্ন প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। স্বাধীনতা দিৱসৰ তাৎপৰ্য আৰু দেশৰ প্ৰতি যুৱ প্ৰজন্মৰ দায়িত্ব সন্দৰ্ভতো অনুষ্ঠানত বক্তাসকলে বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেশপ্ৰেম, একতা আৰু ভাতৃত্ববোধৰ বাৰ্তা কঢ়িয়াই আনে।

## সম্পাদকীয়

# শিক্ষাৰ সমতাৰ দিশে এক ইতিবাচক পদক্ষেপ

দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ ঐতিহাসিক ক্ষণত লালকিল্লাৰ বাকৰিৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে এক ডাঙৰ ঘোষণা কৰে। চৰকাৰৰ বৰ্তমানৰ ডিজিটেল আন্তঃগাঁথনি আৰু দক্ষ শিক্ষকমণ্ডলীৰ সহায়ত সৰু চহৰ আৰু গাঁৱৰ মেধাৱী শিক্ষাৰ্থীসকলৰ বাবে 'বিনামূলীয়া অনলাইন কোচিং'ৰ সুবিধা মুকলি কৰাৰ এই পদক্ষেপে দেশজুৰি ব্যাপক আলোচনাৰ সৃষ্টি কৰিছে। বিশেষকৈ ব্যক্তিগত প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ অনিয়ন্ত্ৰিত মাচুল আৰু পৰীক্ষা ব্যৱস্থাত থকা বেমেজালি তথা প্ৰশ্নকাকত ফাদিলৰ দৰে বিতৰ্কৰ মাজতে অহা এই ঘোষণাই দৰিদ্ৰ আৰু মধ্যবিত্ত পৰিয়ালসমূহৰ মনত এক নতুন আশাৰ সঞ্চাৰ কৰিছে। অভিভাৱকসকলৰ বাবে নিজৰ সন্তানক প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ কৰোৱাটো যিদৰে এক স্বপ্ন, ঠিক সেইদৰে ব্যক্তিগত কোচিং কেন্দ্ৰবোৰৰ অতিৰিক্ত খৰচ ধাৰাবাহিক আৰ্থিক আৰু সামাজিক হেঁচাত পৰিণত হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ বিনামূলীয়া প্ৰশিক্ষণে বিশেষকৈ মধ্যবিত্ত আৰু প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থীসকলৰ পৰা আৰ্থিক বোজা যথেষ্ট হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। বৃহৎ চহৰসমূহত থকা-খোৱাৰ ব্যয় বহন কৰিব নোৱাৰা গ্ৰামীণ শিক্ষাৰ্থীসকলৰ বাবে ডিজিটেল মাধ্যমৰ জৰিয়তে ঘৰতে বহি উচ্চমানৰ শিক্ষা লাভৰ সুবিধা নিশ্চয়কৈ এক আদৰণীয় সিদ্ধান্ত। বহু শৈক্ষিক পৰামৰ্শদাতা আৰু বিদ্যালয়ৰ অধ্যক্ষসকলেও এই সিদ্ধান্তক আদৰণি জনাইছে আৰু দশম শ্ৰেণীৰ পিছৰ যোগ্য শিক্ষাৰ্থীক সঠিক দিশ-নিৰ্দেশনা দিয়াৰ বাবে পৰামৰ্শ আগবঢ়াইছে।

যিহওক, এই মহৎ উদ্দেশ্যৰ আঁৰতো সাধাৰণ ৰাইজ আৰু শিক্ষা বিশেষজ্ঞসকলৰ মনত কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্থাপন হৈছে। প্ৰথমতে, ডিজিটেল বৈষম্যৰ বাস্তৱতা। আমাৰ দেশৰ সুদূৰ গ্ৰামীণ অঞ্চলসমূহত এতিয়াও বিদ্যুৎ, ইণ্টাৰনেট সংযোগ আৰু স্মাৰ্ট ডিভাইচৰ উপলব্ধতা এক ডাঙৰ প্ৰত্যাহ্বান। যিসকল শিক্ষাৰ্থীৰ ওচৰত মৌলিক ডিজিটেল সুবিধাই নাই, তেওঁলোকে এই অনলাইন পদ্ধতিৰ পৰা কিমান লাভৱান হ'ব?

দ্বিতীয়তে, প্ৰশ্ন উঠে শিক্ষাৰ মূল বুনিয়াদ আৰু শ্ৰেণীকোঠাৰ বিকল্পক লৈ। 'ষ্টেট পে-টফৰ্ম ফৰ কমন স্কুল চিষ্টেম'ৰ দৰে সংস্থাই আঙুলিয়াই দিছে যে আমাৰ চৰকাৰী বিদ্যালয়সমূহৰ আন্তঃগাঁথনিগত বৈষম্য, স্থায়ী শিক্ষকৰ অভাৱ আৰু মৌলিক শিক্ষাৰ অভাৱ পূৰণ নকৰাকৈ কেৱল অনলাইন কোচিং প্ৰদান কৰিলে মূল সমস্যাৰ সমাধান নহয়। অনলাইন পাঠদান কেতিয়াও শ্ৰেণীকোঠাৰ প্ৰত্যক্ষ শিক্ষাদানৰ প্ৰকৃত বিকল্প হ'ব নোৱাৰে। তদুপৰি, ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মুখ্য চিন্তনীয় বিষয় হ'ল পাঠদান আৰু অধ্যয়ন সামগ্ৰীৰ গুণগত মান। যদি চৰকাৰী অনলাইন শ্ৰেণীসমূহ অনিয়মিত হয় বা ইয়াৰ মানদণ্ড ব্যক্তিগত কোচিং প্ৰতিষ্ঠানসমূহৰ সমকক্ষ নহয়, তেন্তে ছাত্ৰ-ছাত্ৰীসকল পুনৰ ব্যক্তিগত কেন্দ্ৰবোৰৰ ওপৰতেই নিৰ্ভৰশীল হ'বলৈ বাধ্য হ'ব। প্ৰশ্ন হয়, চৰকাৰে অনলাইন পাঠদানৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত সমস্যা আৰু সংশয়সমূহ সমাধানৰ বাবে কেনেধৰণৰ সঁহাৰিমূলক ব্যৱস্থা গঢ়ি তুলিব?

সামৰণীত ক'ব পাৰি যে, বিনামূলীয়া অনলাইন কোচিঙৰ ঘোষণা নিঃসন্দেহে এক ইতিবাচক আৰু দূৰদৰ্শী পদক্ষেপ। কিন্তু ইয়াৰ সফলতা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব সঠিক কাৰ্যকৰীকৰণৰ ওপৰত। কেৱল অনলাইনত বক্তৃতা সম্প্ৰচাৰ কৰিয়েই শিক্ষা ব্যৱস্থাৰ গভীৰ বৈষম্য দূৰ কৰিব নোৱাৰি। চৰকাৰে প্ৰথমে বিদ্যালয় পৰ্যায়ৰ শিক্ষা ব্যৱস্থাক শক্তিশালী কৰা, মৌলিক অধিকাৰ হিচাপে গুণগত শিক্ষা নিশ্চিত কৰা আৰু ডিজিটেল ব্যৱধান আঁতৰোৱাত সমান গুৰুত্ব দিয়া উচিত। এই সমন্বিত প্ৰচেষ্টা হাতত ল'লেহে প্ৰধানমন্ত্ৰীৰ এই ঘোষণাই প্ৰকৃত অৰ্থত সমতা আনিব আৰু দেশৰ প্ৰত্যেকজন মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সপোন বাস্তৱায়িত কৰাত সহায় কৰিব।

# শিক্ষাগত চাপ আৰু কিশোৰ-কিশোৰীৰ হতাশা





হিমাংশু ৰঞ্জন ভূঞা

*চৰকাৰ, শিক্ষক তথা শিক্ষাবিদসকলে একেলগে কাম কৰিব লাগিব যাতে শিক্ষা ব্যৱস্থাক পুনৰ গঠন কৰা হয় যাতে ছাত্ৰ-ছাত্ৰীৰ সুস্থতাক অগ্ৰাধিকাৰ দিয়া হয়। স্কুলত মানসিক স্বাস্থ্য সম্পদ সহজলভ্য কৰিব লাগিব, যাতে ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজন হ'লে পৰামৰ্শ আৰু সমৰ্থন পাব পাৰে। পৰীক্ষাৰ চাপ হ্ৰাস কৰা আৰু মূল্যায়নৰ বিকল্প পদ্ধতি সৃষ্টি কৰিলে ছাত্ৰ-ছাত্ৰীয়ে কেৱল প্ৰদৰ্শন কৰাতকৈ শিকনিত কেন্দ্ৰীভূত কৰিব পাৰে। চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ সুস্থতা প্ৰচাৰ কৰা কাৰ্যসূচীত বিনিয়োগ কৰিব লাগে, ইয়াক স্বীকাৰ কৰি যে এক সুস্থ মন শিক্ষাগত সফলতাৰ দৰেই গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীয়েও শিক্ষাগত চাপ পৰিচালনা কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব পাৰে। সময় পৰিচালনাৰ দক্ষতা শিকা, বাস্তৱসন্মত লক্ষ্য স্থাপন কৰা আৰু মননশীলতা অনুশীলন কৰিলে উদ্বেগ হ্ৰাস কৰাত সহায় কৰিব পাৰে। অতিৰিক্ত অনুভৱ কৰিলে বন্ধু-বান্ধৱী, পৰিয়াল বা পেছাদাৰি লোকৰ পৰা সহায় বিচৰাটো অতি গুৰুত্বপূৰ্ণ। এক সমৰ্থন ব্যৱস্থা সৃষ্টি কৰা আৰু ব্যায়াম, সংগীত বা কলাৰ দৰে চাপ-আৰামদায়ক কাৰ্যকলাপত জড়িত হোৱাই শিক্ষাগত চাপ মোকাবিলা কৰাত এক উল্লেখযোগ্য পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰে।*

স্কুল আৰু পিতৃ-মাতৃৰ বাহিৰেও সামাজিক আকাংক্ষাই শিক্ষাগত চাপ বৃদ্ধি কৰাত অৰিহণা যোগায়। সফলতাক প্ৰায়ে পেছাদাৰি কৃতিত্ব আৰু আৰ্থিক মাপকাঠিৰে জোখা হয়, ব্যক্তিগত সুখ আৰু পূৰ্ণতাৰ প্ৰতি অতি কম গুৰুত্ব দিয়া হয়। ছ'চিয়েল মিডিয়াই এই সমস্যাক আৰু বেছি বঢ়াই তুলিছে, কিয়নো ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সফলতা সমনীয়াসকলৰ সৈতে তুলনা কৰে, যদি তেওঁলোকে মিল নাপায় তেন্তে নিজকে অযোগ্য বুলি অনুভৱ কৰে। বহু সংস্কৃতিত, শিক্ষাগত আকাংক্ষা পূৰণ কৰিবলৈ ব্যৰ্থ হোৱাটো দুৰ্বলতাৰ চিন বুলি গণ্য কৰা হয়, যাৰ ফলত লাজ আৰু একাকিত্বৰ অনুভূতিৰ সৃষ্টি হয়। ব্যৰ্থতাৰ চাৰিওফালে থকা কলংকই বহু কিশোৰ-কিশোৰীক তেওঁলোকৰ সংগ্ৰাম প্ৰকাশ কৰাত বাধা দিয়ে, যাৰ ফলত তেওঁলোকে শিক্ষাগত চাপৰ বিৰুদ্ধে যুঁজত নিজকে একাকী নিঃসংগ অনুভৱ কৰে।

এই চাপৰ মানসিক স্বাস্থ্যৰ ওপৰত পৰা প্ৰভাৱ গুৰুতৰ। উদ্বেগ, দীৰ্ঘস্থায়ী চাপ আৰু হতাশা ছাত্ৰ-ছাত্ৰীৰ মাজত বেছি সাধাৰণ হৈ পৰিছে। বহু কিশোৰ-কিশোৰীয়ে দুখ, হতাশা আৰু ক্লান্তিৰ স্থায়ী অনুভূতি অনুভৱ কৰে, তেওঁলোকৰ ওপৰত পেলোৱা দাবীসমূহৰ সৈতে খাপ খুৱাবলৈ সংঘৰ্ষ কৰে। কিছুমানে আগতে উপভোগ কৰা কাৰ্যকলাপত আগ্ৰহ হেৰুৱায়, বন্ধু-বান্ধৱী আৰু পৰিয়ালৰ পৰা আঁতৰি যায় কিয়নো তেওঁলোকে তেওঁলোকৰ শিক্ষাগত দায়িত্বত নিমগ্ন হয়। কিছুমান চৰম ক্ষেত্ৰত, ব্যৰ্থতাৰ ভয়ে আত্ম-ক্ষতি বা আত্মহত্যাৰ চিন্তাৰ সৃষ্টি কৰিব পাৰে, যাৰ ফলত হস্তক্ষেপ আৰু সমৰ্থনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। গৱেষণাই দেখুৱাইছে যে তীব্ৰ শিক্ষাগত চাপৰ সন্মুখীন হোৱা কিশোৰ-কিশোৰীসকল মানসিক স্বাস্থ্য সমস্যা বিকাশৰ বেছি উচ্চ ঝুঁকিত থাকে, যাৰ ফলত শিক্ষাক কেনেদৰে আগবঢ়োৱা হয় তাৰ পৰিৱৰ্তনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

বিভিন্ন সংস্কৃতিয়ে শিক্ষাগত চাপক বিভিন্ন ধৰণে অনুভৱ কৰে যদিও সমস্যাটো সৰ্বজনীন। পশ্চিমীয়া দেশসমূহত, মানক পৰীক্ষা আৰু মহাবিদ্যালয়ৰ প্ৰৱেশই তীব্ৰ প্ৰতিযোগিতাৰ সৃষ্টি কৰে, যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ক্ষমতা প্ৰমাণ কৰিবলৈ বাধ্য হয়। আমাৰ দেশত, শিক্ষাক প্ৰায়ে পৰিয়ালৰ সন্মান আৰু সামাজিক স্থিতিৰ সৈতে জড়িত কৰা হয়, যাৰ ফলত ছাত্ৰ-ছাত্ৰীক ভাল প্ৰদৰ্শন কৰিবলৈ আৰু অধিক চাপ পেলোৱা হয়। অৱস্থান নিৰ্বিশেষে, মূল সমস্যাটো একেই থাকে— শিক্ষা ব্যৱস্থাই ব্যক্তিগত সুস্থতাতকৈ শিক্ষাগত সফলতাক অগ্ৰাধিকাৰ দিয়ে, যাৰ ফলত বহু ছাত্ৰ-ছাত্ৰীয়ে মোকাবিলা কৰিবলৈ সংঘৰ্ষ কৰে। শিক্ষাগত চাপৰ বাবে থেৰাপি বা পৰামৰ্শ বিচৰা কিশোৰ-কিশোৰীৰ সংখ্যা বৃদ্ধি পোৱাটো এক স্পষ্ট চিন যে এই চাপে তেওঁলোকৰ মানসিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলাইছে।

এই সমস্যা সমাধান কৰিবলৈ বিদ্যালয়, পিতৃ-মাতৃ আৰু সমাজৰ এক সমূহীয়া প্ৰয়াসৰ প্ৰয়োজন। স্কুলে কঠোৰ মূল্যায়ন ব্যৱস্থাৰ পৰা আঁতৰি শিক্ষাৰ এক সন্তুলিত দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। নম্বৰক পৰীক্ষাৰ ওপৰত গুৰুত্ব হ্ৰাস কৰা, শিকাত নমনীয়তা অনুমোদন কৰা আৰু পাঠ্যক্ৰমত মানসিক স্বাস্থ্য শিক্ষা অন্তৰ্ভুক্ত কৰিলে ছাত্ৰ-ছাত্ৰীৰ বাবে এক সুস্থ পৰিৱেশ সৃষ্টি কৰাত সহায় কৰিব পাৰে। শিক্ষকসকলক চাপ আৰু হতাশাৰ চিন চিনাক্ত কৰিবলৈ প্ৰশিক্ষণ দিয়া উচিত, শিক্ষাগত প্ৰদৰ্শনত কেন্দ্ৰীভূত হোৱাৰ সলনি পৰামৰ্শ আৰু সমৰ্থন আগবঢ়োৱা উচিত। সৃষ্টিশীলতা, মানসিক বুদ্ধিমত্তা আৰু ব্যক্তিগত বিকাশক মূল্য দিয়া সংস্কৃতি গঢ়ি তুলি স্কুলে ছাত্ৰ-ছাত্ৰীক এক সুস্থ আত্ম-মূল্যবোধ বিকাশ কৰাত সহায় কৰিব পাৰে।

পিতৃ-মাতৃৰো শিক্ষাগত চাপ হ্ৰাস কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। বাস্তৱসন্মত আকাংক্ষা স্থাপন কৰা, শিশুৰ অনন্য প্ৰতিভা স্বীকাৰ কৰা আৰু মানসিক সমৰ্থন আগবঢ়োৱাৰ দ্বাৰা চাপ যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পাৰি। মুক্ত সংযোগ হ'ল চাবি- কিশোৰ-কিশোৰীয়ে হতাশ বা বিচাৰ নকৰাকৈ তেওঁলোকৰ সংগ্ৰামৰ বিষয়ে আলোচনা কৰিবলৈ সুৰক্ষিত অনুভৱ কৰিব লাগে। পিতৃ-মাতৃয়ে ইয়াক গুৰুত্ব দিব লাগে যে সফলতা কেৱল শিক্ষাগত কৃতিত্বৰ দ্বাৰা নিৰ্ধাৰিত নহয়, বৰঞ্চ ব্যক্তিগত বিকাশ আৰু সুখৰ দ্বাৰা নিৰ্ধাৰিত হয়। শিশুক তেওঁলোকৰ পঢ়াৰ লগতে হবি, সামাজিক মিথস্ক্ৰিয়া আৰু শাৰীৰিক কাৰ্যকলাপ অনুসৰণ কৰিবলৈ উৎসাহিত কৰিলে এক সুস্থ সন্তুলন বজাই ৰাখাত সহায় কৰিব পাৰে।

চৰকাৰ, শিক্ষক তথা শিক্ষাবিদসকলে একেলগে কাম কৰিব লাগিব যাতে শিক্ষা ব্যৱস্থাক পুনৰ গঠন কৰা হয় যাতে ছাত্ৰ-ছাত্ৰীৰ সুস্থতাক অগ্ৰাধিকাৰ দিয়া হয়। স্কুলত মানসিক স্বাস্থ্য সম্পদ সহজলভ্য কৰিব লাগিব, যাতে ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজন হ'লে পৰামৰ্শ আৰু সমৰ্থন পাব পাৰে। পৰীক্ষাৰ চাপ হ্ৰাস কৰা আৰু মূল্যায়নৰ বিকল্প পদ্ধতি সৃষ্টি কৰিলে ছাত্ৰ-ছাত্ৰীয়ে কেৱল প্ৰদৰ্শন কৰাতকৈ শিকনিত কেন্দ্ৰীভূত কৰিব পাৰে। চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ সুস্থতা প্ৰচাৰ কৰা কাৰ্যসূচীত বিনিয়োগ কৰিব লাগে, ইয়াক স্বীকাৰ কৰি যে এক সুস্থ মন শিক্ষাগত সফলতাৰ দৰেই গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীয়েও শিক্ষাগত চাপ পৰিচালনা কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিব পাৰে। সময় পৰিচালনাৰ দক্ষতা শিকা, বাস্তৱসন্মত লক্ষ্য স্থাপন কৰা আৰু মননশীলতা অনুশীলন কৰিলে উদ্বেগ হ্ৰাস কৰাত সহায় কৰিব পাৰে। অতিৰিক্ত অনুভৱ কৰিলে বন্ধু-বান্ধৱী, পৰিয়াল বা পেছাদাৰি লোকৰ পৰা সহায় বিচৰাটো অতি গুৰুত্বপূৰ্ণ। এক সমৰ্থন ব্যৱস্থা সৃষ্টি কৰা আৰু ব্যায়াম, সংগীত বা কলাৰ দৰে চাপ-আৰামদায়ক কাৰ্যকলাপত জড়িত হোৱাই শিক্ষাগত চাপ মোকাবিলা কৰাত এক উল্লেখযোগ্য পাৰ্থক্যৰ সৃষ্টি কৰিব পাৰে।

শিক্ষাগত চাপ আৰু কিশোৰ-কিশোৰীৰ হতাশাৰ মাজৰ সম্পৰ্কটো এক চিন্তনীয় উদ্বেগ যাৰ প্ৰতি তাৎক্ষণিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন। শিক্ষা হ'ব লাগে শিকা, আত্ম-আবিষ্কাৰ আৰু বিকাশৰ এক যাত্ৰা, দীৰ্ঘস্থায়ী চাপ আৰু মানসিক ক্লান্তিৰ উৎস নহয়। সমাজ হিচাপে, আমি সফলতাৰ বিষয়ে আমাৰ দৃষ্টিভংগী সলনি কৰিব লাগে, শিক্ষাগত কৃতিত্বৰ লগতে সুখ আৰু সুস্থতাক মূল্য দিব লাগে। এক অধিক সহায়ক, সন্তুলিত আৰু বুজাপৰা পৰিৱেশ সৃষ্টি কৰি আমি কিশোৰ-কিশোৰীক তেওঁলোকৰ শিক্ষা যাত্ৰা অতিক্ৰম কৰাত সহায় কৰিব পাৰোঁ তেওঁলোকৰ মানসিক স্বাস্থ্য বলি দিবলৈ নিদিয়াকৈ। শিক্ষাগত চাপৰ নীৰৱ সংগ্ৰামক আৰু উপেক্ষা কৰিব নালাগে- সমস্যাটো স্বীকাৰ কৰি অৰ্থপূৰ্ণ সমাধানৰ দিশে কাম কৰাৰ সময় আহি পৰিছে।

# পৌৰাণিক সাহিত্যত জল প্ৰলয়ৰ বিশ্লেষণ আৰু সাম্প্ৰতিক ইয়াৰ প্ৰাসংগিকতা

### দিগন্ত বাইলুং

বানপানী প্ৰকৃতিৰ এক চিৰন্তন পৰিঘটনা। পৃথিৱীৰ বিভিন্ন সভ্যতাৰ দৰে পৌৰাণিক সাহিত্যত জল প্ৰলয়ৰ তাৎপৰ্য বিশ্লেষণ, যাৱতীয় ব্যৱস্থাপনা আৰু সহাৱস্থানৰ এক প্ৰতিচ্ছবিৰ উজ্জ্বল নিদৰ্শন পোৱা যায়। বানপানীক কেৱল এক প্ৰাকৃতিক দুৰ্যোগ হিচাপে নহয়, সৃষ্টি জগতৰ স্বাভাৱিক নিয়ম, সময় চক্ৰ আৰু জীৱন- পুনৰনিৰ্মাণৰ এক প্ৰক্ৰিয়া হিচাপে পৌৰাণিক সাহিত্যই অৱলোকন কৰা দেখা গৈছে। বিশেষকৈ বিষ্ণু পুৰাণ, মহাভাৰত, ভাগৱত আদিত জল প্ৰলয় বা জল প্লাৱন আৰু ভগৱান মহা বিষ্ণুৰ মৎস্য অৱতাৰৰ কাহিনীৰ মাজেৰে বানৰ তাৎপৰ্য বৰ্ণিত কৰি এক ইতিবাচক বাৰ্তা প্ৰদান কৰিছে। বৈষ্ণৱ দৰ্শনত জলক পৱিত্ৰ, জীৱন দায়ক আৰু সৃষ্টিৰ মূল উপাদান হিচাপে গণ্য কৰা দেখা যায়। পঞ্চ ভূতৰ অন্যতম এই জল অবিহনে জীৱনৰ অস্তিত্ব সম্ভৱ নহয়। গংগা, যমুনা, সৰস্বতী, ব্ৰহ্মপুত্ৰ ইত্যাদি নদী কেৱল পানীৰ উৎস নহয়, আধ্যাত্মিক পৱিত্ৰতাৰ প্ৰতীক হিচাপে পৌৰাণিক সাহিত্যই বিশ্লেষণ কৰিছে। জলে যিদৰে জীৱন দিয়ে, তেনেদৰে অতিমাত্ৰা জলৰ ফলত প্লাৱনৰ সৃষ্টি হয়। এই বাস্তৱতাক প্ৰকৃতিৰ স্বাভাৱিক নিয়মৰ অংশ হিচাপে প্ৰাচীন সাহিত্যই চাবলৈ শিক্ষা দিয়ে।

পৌৰাণিক সাহিত্যত বানপানীৰ আটাইতকৈ উল্লেখযোগ্য বৰ্ণনা হৈছে ভগৱান মহা বিষ্ণুৰ মৎস্য অৱতাৰ। শ্ৰীমদ্ভাগৱতৰ অষ্টম স্কন্ধ, ২৪ তম্ অধ্যায়, বিষ্ণু পুৰাণৰ প্ৰথম অংশ, মহাভাৰতৰ শান্তি পৰ্ব (মনুৰ জল প্ৰলয়)ত এই কাহিনীৰ আটাইতকৈ সুসংহত আৰু সহজভাৱে বোধগম্য হোৱাকৈ উল্লেখ পোৱা যায়। ভাগৱত পুৰাণত কাহিনীৰ বৰ্ণনা মৰ্মে দ্ৰাবিড় দেশৰ ৰজা সত্যব্ৰত (পৰৱৰ্তী সময়ত বৈবস্বত মনু) যে নদীত উপাসনাৰ সময়ত তৰ্পণ কৰি থাকোঁতে তেওঁৰ হাতত এটা সৰু মাছ আহি পৰে। মাছটোৱে ৰজাক কয়— 'মহাৰাজ, মোক ডাঙৰ মাছবোৰে খাবলৈ খেদি আহিছে, মোক ৰক্ষা কৰক।' এই আহ্বানৰ পাছত ৰজাই মাছটোক এটা সৰু পাত্ৰত ৰাখে। কিন্তু অলপ সময়ৰ ভিতৰতেই মাছটো ডাঙৰ হৈ যায়। তেতিয়া তেওঁ মাছটোক ডাঙৰ পাত্ৰলৈ, তাৰপিছত পুখুৰীলৈ, নদীলৈ আৰু শেষত সাগৰত এৰিবলৈ লয়। মাছটোৰ আকাৰ ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ বিষয়টোৱে ৰজা সত্যব্ৰতক চিন্তিত কৰি তোলে আৰু সহজভাৱে নলৈ এয়া সাধাৰণ মাছ নহয় বুলি অনুভৱ কৰে। শেষত ৰজাই ভক্তিভাৱে প্ৰণাম কৰাত মাছটোৱে নিজৰ পৰিচয় দিয়ে— 'মই ভগৱান বিষ্ণু।' লগতে কয় যে, সাত দিনৰ পিছত মহাপ্ৰলয়ৰ বান আহিব। সেই সময়ত— এখন বৃহৎ নাও (নৌকা) ৰ প্ৰয়োজন হ'ব। তাত সপ্ত ঋষি, জ্ঞানৰ শাস্ত্ৰ, বিভিন্ন উদ্ভিদৰ বীজ আৰু জীৱন ৰক্ষাৰ বাবে প্ৰয়োজনীয় বস্তুসমূহ লৈ নাওত উঠিবা। মহা প্লাৱনৰ সময়ত মাছৰ শিঙত (শৃঙ্গত) নাওখন নাগৰাজ বাসুকীৰে বান্ধি দিব। তেতিয়া মৎস্য ৰূপী বিষ্ণুৱে নাওখন সুৰক্ষিতভাৱে পথ প্ৰদৰ্শন কৰিব। জল প্ৰলয়ৰ পিছত পুনৰ নতুনৰ সৃষ্টি হ'ব। এই সময়ত ভগৱানে সত্যব্ৰতক আত্ম জ্ঞান, সত্যৰ পথ আৰু সৃষ্টিৰ তত্ত্ব উপদেশ দিয়ে।

পৌৰাণিক সাহিত্যৰ এই কাহিনী বানপানীৰ প্ৰসংগত এক গুৰুত্বপূৰ্ণ নিৰ্দশন হিচাপে পৰিস্ফুট হৈছে। মৎস্য অৱতাৰৰ কাহিনী কেৱল অলৌকিক বৰ্ণনা নহয়; ইয়াত বানৰ আগতীয়া প্ৰস্তুতি আৰু সতৰ্কতা, জীৱন আৰু বীজ সংৰক্ষণ, সামূহিক সুৰক্ষা আৰু দুৰ্যোগৰ পিছত পুনৰ নিৰ্মাণৰ ধাৰণা, কৰ্তব্য পালন আৰু ধ্বংসৰ পিছত নতুন সৃষ্টিৰ সম্ভাৱনা অন্তঃনিহিত হৈ আছে। বৈষ্ণৱ দৰ্শনত "প্ৰলয়" মানে কেৱল ধ্বংস নহয়; ই এক মহাজাগতিক পৰিৱৰ্তনৰ পৰ্যায়। সৃষ্টিৰ পিছত স্থিতি আৰু তাৰ পিছত লয়— এই চিৰন্তন চক্ৰৰ অংশ হিচাপে প্ৰলয়ৰ ধাৰণা ব্যাখ্যা কৰা হয়। সেয়ে জল প্লাৱনক শাস্ত্ৰই ভয়ৰ বিষয় হিচাপে নহয়, সৃষ্টিৰ এক স্বাভাৱিক পৰ্যায় হিচাপে বুজিবলৈ আহ্বান জনাইছে।

প্ৰাচীন সাহিত্যৰ কাহিনীয়ে কেইটামান গুৰুত্বপূৰ্ণ শিক্ষা প্ৰদান কৰে-

(১) প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ মনোভাৱ গঢ়ি তুলিব লাগে।
(২) সকলো জীৱৰ সুৰক্ষা ঈশ্বৰ সেৱাৰ অংশ।
(৩) দুৰ্যোগৰ সময়ত সহযোগিতা, দান আৰু সেৱাই সৰ্বোচ্চ ধৰ্ম।
(৪) অহংকাৰ পৰিহাৰ কৰি বিনম্ৰতা আৰু সংযমৰ পথ গ্ৰহণ কৰা উচিত। আৰু
(৫) ভৱিষ্যৎ প্ৰজন্মৰ বাবে বীজ, বনাঞ্চল আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তা।

বৰ্তমান জলবায়ু পৰিৱৰ্তন, বন উজাৰ, নদীৰ স্বাভাৱিক গতিপথত বাধা আৰু অপৰিকল্পিত নগৰায়নে বানৰ ক্ষতি বৃদ্ধি কৰিছে। পৌৰাণিক সাহিত্যই প্ৰকৃতিৰ সৈতে সমন্বয়ৰ শিক্ষা প্ৰদান কৰিছে, যি আধুনিক পৰিৱেশ সংৰক্ষণৰ ধাৰণাৰ সৈতে যথেষ্ট সামঞ্জস্যপূৰ্ণ। আজিৰ দুৰ্যোগ ব্যৱস্থাপনাৰ আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা, আশ্ৰয় শিবিৰ, খাদ্য আৰু বীজ সংৰক্ষণ, জীৱ-জন্তুৰ উদ্ধাৰ আদি কাৰ্যৰ সৈতে মৎস্য অৱতাৰৰ কাহিনীত নিহিত আগতীয়া প্ৰস্তুতিৰ ধাৰণাৰ এক তাৎপৰ্য্যপূৰ্ণ সাদৃশ্য আছে। জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, আগতীয়া প্ৰস্তুতি আৰু সামূহিক দায়িত্বৰ বাৰ্তা প্ৰকৃততেই অতীৱ গুৰুত্বপূৰ্ণ। অসমীয়া জাতীয় জীৱনলৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰদান কৰি যোৱা সৃষ্টিৰাজী প্ৰকৃততেই আদৰ্শণীয় আৰু সদা প্ৰাসংগিক। ভাওনা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি। তেখেতৰ সৃষ্টিৰে মহীয়ান মৎস্য অৱতাৰ আৰু চাৰিবেদ উদ্ধাৰ শীৰ্ষক নাটখন নৈতিক শিক্ষাৰ মাধ্যম হিচাপে সাম্প্ৰতিক অসমৰ বানপানীৰ প্ৰেক্ষাপটত যথেষ্ট গুৰুত্বপূৰ্ণ হৈ পৰিছে। ভাওনাৰ জৰিয়তে প্ৰকৃতি, ধৰ্ম আৰু জীৱন সংৰক্ষণৰ শিক্ষা সাধাৰণ জনসাধাৰণে সহজে উপলব্ধি কৰিব পৰাকৈ উপস্থাপন হৈছে। এই নাটখনে প্ৰদান কৰিব বিচৰা প্ৰকৃত বাৰ্তা সাধাৰণ জনসাধাৰণে হৃদয়ংগম কৰাটো একান্তই প্ৰয়োজন। অসমৰ দৰে বান প্ৰৱণ অঞ্চলত এই মূল্যবোধসমূহ গ্ৰহণ কৰিলে কেৱল ধৰ্মীয় জীৱনেই নহয়, বানৰ সৈতে সহাৱস্থানৰ সংস্কৃতি অধিক শক্তিশালী হ'ব।

# শাওণৰ আচলত

### আল্পনা দলে

শাওণ মানেই এজাক গাভৰুৰ আলসুৱা মন পলসুৱা মাটি ৰ'দ বৰষুণৰ সৈতে ধেমালি। চকুত জেঠৰ চাট মাৰি ধৰা প্ৰসৰ ৰ'দত কঠীয়া সিঁচাৰ পৰাই শালি খেতিৰ কাম আৰম্ভ হয়। সময়মতে বৰষুণ নহ'লে লাঢ়নীৰে পানী সিঁচি হ'লেও সময়ত কঠীয়া পাৰিবই লাগিব। সেয়ে কৃষিজীৱী লোকে বৰুণ দেৱতাক পূজা কৰে। আকাশখনেও কেতিয়াবা পেঁচ পাতে। ভেকুলীৰ টোৰটোৰণিত মেঘে মাদল বজায়। বৰষুণৰ লগত ভেকুলীৰ ওতপ্ৰোত সমন্ধ আছে। চহা খেতিয়কে ভেকুলী বিয়াৰ ওপৰত বিশ্বাস কৰে। কাইলৈ কৰিম বুলি কোনেও কাম পেলাই নথয়। চিপচিপীয়া বৰষুণত ঢলপুৱাতে কঠীয়া তুলিবলৈ ভাল। দুহাতেৰে মুঠি মাৰি এমুঠি কৰা হয়। ছয় পলাৰে এক আখি হয়। কেঁচা উলু খেৰৰ ৰচীৰে কঠীয়াৰ আখিবোৰ বান্ধি পুখুৰীত পেলাই থ'লে দুদিনৰ মূৰত পালি কঠীয়া হয়। তিনি-চাৰি হাল গৰু-ম'হেৰে হাল বাই খেতি-পথাৰ আঁউচ মাৰি কঢ়াই, সমাৰ বাই, মাটি চহাই বোকা দিয়াৰ মনোৰম দৃশ্যই মন পুলকিত কৰে। হালোৱাই পাগ উঠাকৈ তামোল খাই পিক মাৰি বোকা ভাল হৈছেনে নাই ছেকি চায়। ৰোৱাৰ পূৰ্বে পথাৰতডৰাডৰা কৰি হলোৱাই পাৰ কাটি এচাব এচাব কৈ কোৰৰে মাটি উঠাই মিহি হ'বলৈ আলিটো ভৰিৰে লিপি দিয়ে। বোকাৰে লিপা আলিবোৰ ৰ'দ পাই জিলিকি উঠে। মাটি ডৰাৰ চুককেইটা কোৰৰে চহাই চিকুণ কৰিব লাগে। হালোৱাই পথাৰৰ আলিৰ গৰাবোৰ কাটি চাফা কৰিছে। শাওণ বৰ্ষা ঋতুৰ মাহ, শস্য সম্ভৱা পথাৰ। শাওণৰ পথাৰখন কেৱল এখন পথাৰ নহয়, ই হৈছে চহা কৃষকৰ অনুভৱ, আবেগ, অনুভূতি, য'ত ধান আৰু মানুহৰ মাজত সমন্বয় বিদ্যমান। কৃষিজীৱীৰ জীৱিকাৰ প্ৰধান আধাৰ হ'ল বাৰিষাৰ শাওণৰ পথাৰখন। এটি মাহ নহয়, চহা খেতিয়কৰ আয়ুস ৰেখা, আত্মা, জীৱন আৰু আত্মবিশ্বাসৰ মাহ। শাওণ মানেই বোকা, ৰ'দ, বৰষুণ, কঠীয়াৰে এমোকোৰা সেউজীয়া হাঁহি। মনলৈ আশাৰ সঞ্চাৰ আনে। শাওণতে কৃষকে পথাৰত সেউজীয়া সপোন ৰচে। আশাৰ গজালিৰে সপোন সিঁচিব। সেউজীয়া কঠীয়াই সঁজাল ধৰিব। কষ্ট আছে কিন্তু ৰ'দ বৰষুণলৈ ভ্ৰূক্ষেপ নাই। আটায়ে মিলিজুলি সমিলমিলেৰে ইঘৰে-সিঘৰে ৰোৱা-তোলা কৰা সমূহীয়া ৰং-ৰহইচ দেখিলে সুখেৰে মন উপচি পৰে। সাৰিয়া মাতিও গাঁৱৰ আৰ্তজনক সহায়ৰ হাত আগবঢ়াই।

বাৰিষাৰ আগমনৰ লগে-লগে গৃহিণীসকলে খেতিপথাৰত খাবৰ বাবে ঘৰত সকলো প্ৰকাৰৰ জা-জলপান যোগাৰ কৰি লয়। বিধে বিধে আৰৈ চাউল, উখুৱা, বৰা, নানা তৰহৰ জলপান, সান্দহ, পিঠাগুৰি, ভজা চাউল, কোমল চাউল আদি। উপজি পুৱাতে সূৰুজৰ লগত খোজ মিলাই পথাৰত যেতিয়া গাভৰু কেইজনী ৰাতিপুৱাই একেলগে থিয় হয়, তেতিয়া হেজাৰ ৰ'দ, বৰষুণেও তলাব নোৱাৰে। তেওঁলোকৰ ক্লান্তি আছে, ভাগৰ আছে তথাপিও থমকি ৰোৱাৰ অৱকাশ নাই। কাৰণ তেওঁলোকে জানে এই যাত্ৰাৰ শেষত পথাৰখন সেউজীয়া হ'লেহে ঘৰখন বছেৰেকলৈ তৰিব। পথাৰত কঠীয়া তোলা ভুঁই ৰোৱাত সকলোৱে ব্যস্ত হৈ পৰে। কোনোৱে আলি বান্ধিছে, কোনোৱে হাল বাইছে। পথাৰত বোকাময় মাটিৰ সৈতে জীৱনৰ বীজ ৰোপণ কৰিবলৈ ব্যস্ত হৈ পৰিছে। সকলোৰে এটাই আশা পথাৰখন সেউজীয়া হৈ আঘোণত শইচ সোণোৱালী ধানেৰে ভঁৰাল ভৰিব। এইয়া সহমৰ্মিতা, পাৰস্পৰিক মৰম-চেনেহ আৰু ইজনী-সিজনীৰ প্ৰতি থকা দায়িত্ববোধ। কঠীয়া তোলা গাভৰু ছোৱালী/ বোৱাৰীৰ ঠেলা-ঠেলি, খিলখিল হাঁহিত পথাৰখনো ৰাংঢালী হয়। সপোনৰ সেউজীয়া কঠীয়াৰ পলা বুলাই বুলাই লিহিৰি হাতৰ পবালি পবালি আঙুলিৰে ৰুই গৈছে। আউলী-বাউলী চুলিৰে হাতে-মুখে বোকা-পানীৰে লুতুৰি-পুতুৰি ৰোৱনী। একোগৰাকী গাভৰুৰ মনত পুঞ্জীভূত সপোনবোৰ যেন পথাৰখনে নিজৰ ভাষালৈ অনুবাদ কৰি লয়। সেউজীয়া কঠীয়াত বন্দী হৈ ৰয় ৰোৱনীৰ মনৰ জোঁট-পোটনিবোৰ। নিৰন্তৰ কঠীয়া ৰুই ৰুই নিজকে বিলাই দিয়ে পলসুৱা মাটিত। জাকপাতি পথাৰলৈ অহা-যোৱা কৰোঁতে মাজে মাজে হাঁহি-ফুৰ্তিৰ মাজেৰে বিভোৰ হৈ ৰয়। ৰীনাই দ'ম-দ'ম কাঁহৰ কাহী-বাটি ধুই থৈ আহিছে। প্ৰমিলাই নিকাকৈ পুৱাৰ ভাগতে বাঢ়নীৰে চোতালখন আঁকবাঁক কৈ কিমান সপোন আঁকিথৈ আহিছে হিচাপ নাই। ৰহমাইয়ে চাউলখিনি জিৰিক জিৰিক কৈ জাৰি চাউলৰ বাকচটোত ভৰাই থৈ আহিছে, তেহে মাকে ভাত ৰান্ধিব পাৰিব। চিৰোৱে ঘৰৰ চৰৰে কাপোৰ পুখুৰীত ধুই ডাঙত মেলি থৈ আহিছে আৰু বৌৱেকক কাপোৰবোৰ চপাবলৈ কৈ থৈ আহিছে। পুৱাতে নুৰুলে শাওণ মাহৰ ৰ'দ বৰ চোকা। বাৰিষাৰ ৰ'দে চেৰেং-বেৰেং কৈ গিলি পেলাব খোজে। দুপৰীয়া জলপানৰ টোপোলা কঢ়িয়াই গৃহস্থ পথাৰ পালেহি ভোক বেচিকৈ বাঢ়ে। মাজতে আলিত বহি তেলেতীয়া বৰা চাউল, কোমল চাউলৰ জলপান গুৰ বা মনোহৰ কলেৰে সানিপিটিকি খাই কি যে সোৱাদ লাগে। পকা কঠাল, লেটেকু, আম পথাৰৰ পৰিপূৰক ফল-মূল। শাওণীয়া বৰষুণৰ পলসুৱা গোন্ধত গজি উঠিব সপোন গঢ়াৰ শ্যামলী শইচ। গৰু, ম'হ, হলোৱা, ৰোৱণীৰে পথাৰখন অপূৰ্ব সুন্দৰ হৈ থাকে। বোকা-পানী, ৰ'দ-বৰষুণ, কেচু কুমতি পথাৰৰ উৰ্ব্বৰতাৰ ৰসায়ন। চহা ডেকা-গাভৰুৰ জীৱনৰ প্ৰেম, অনুভূতি, আশা-আকাংক্ষা খেতি-বাতিৰ সময়তে সজীৱ হৈ উঠে। হালোৱাৰ মুখত এছাৰি জোকাৰি জোকাৰি ঘূৰ ঘূৰ, হুঁ হুঁ, ঐ ৰঙা, ঐ বগা, সোঁফালে, বাওঁফালে যা কৈ পথাৰখন ৰঙিয়াল হৈ পৰে। বৰষুণত আধা তিতা দেহমন, চুলিটাৰিত বোকাৰ চিটিকনি, কলাফুল ঢাকি মেখেলা পিন্ধি ৰোৱনীয়ে বোকা ফেনেকি ফেনেকি শাৰী শাৰীকৈ লিহিৰি আঙুলিৰ ফাকেৰে মুঠি মুঠি কঠীয়া গুজি যায়। ৰোৱনীৰ হাতৰ পৰসত কঠীয়াই প্ৰাণ পাই উঠে। আকাশলৈ মূৰ তুলি চাবলৈ আহৰি নাই। ডেকা-গাভৰুৰ প্ৰেমে পথাৰৰ সাৰুৱা মাটিতে প্ৰাণ পাই উঠে। মাজে সময়ে মলয়া বতাহ চাতিয়ে মন-প্ৰাণ পুলকিত কৰে। কেতিয়াবা ভোক গুচি অভোক হয়। জুৰুলি-জুপুৰি হৈ বোকা খচকি গাই যায় শাওণৰ গান। আহিণত সজাল ধৰা কঠীয়াই আঘোণত ঠন ধৰিব, আশাৰ সীৱলুত সোণোৱালী হ'ব পথাৰখন। বৰ আশাৰে আঘোণৰ পথাৰখনলৈ বাট চাই থাকে। যি কি নহওক সময় সলনি হ'ল। প্ৰকৃতিৰ পৰিৱৰ্তন আৰু প্ৰযুক্তিয়ে খেতি পথাৰৰ স্বৰূপো সলনি কৰিলে। আমাৰ সমাজখনত এনেকৈ বুজা-বুজি, এৰা-ধৰা আৰু সহযোগিতাৰে চলাৰ কাৰণে কোনো বিপদত নপৰে।

# বান সাহায্য আৰু বিবেকৰ সংকট

বানে মানুহৰ মূৰৰ ওপৰৰ ঘৰ-দুৱাৰ ভাঙি-ছিঙি সংহাৰ কৰাৰ পিছত সৰ্বস্বান্ত বিপন্ন লোকসকলক সহায়ৰ হাত আগবঢ়াবলৈ যেতিয়া উদাৰচেতা ব্যক্তিসকল খাদ্য বা বস্ত্ৰাদি লৈ উপস্থিত হয়, ঠিক তেতিয়াই সমাজৰ একাংশ লোকৰ বিকৃত আৰু অমানৱীয় আচৰণে প্ৰত্যেকগৰাকী ব্যক্তিৰ বিবেকক মৰ্মাহত কৰে। যিসকল লোকৰ বাসস্থান বানৰ বিভীষিকাৰ পৰা সম্পূৰ্ণ সুৰক্ষিত, যাৰ ঘৰ-দুৱাৰৰ কোনো ক্ষতি হোৱা নাই, তেওঁলোকেও নিৰ্লজ্জভাৱে সাহায্যৰ শাৰীত থিয় হৈ বিনামূলীয়া সামগ্ৰী আত্মসাৎ কৰাত লিপ্ত হৈছে। এফালে বানপানীত ঘৰ-বাৰী ধ্বংস হৈ সকলো হেৰুওৱা পৰিয়াল এটাই এযোৰ শুকান বস্ত্ৰ বা এমুঠি আহাৰৰ বাবে আকুলতাৰে বাট চাই ৰয়, আনফালে সম্পূৰ্ণ সুৰক্ষিত অৱস্থাত থকা এচাম সুবিধাবাদীয়ে কেৱল নিকৃষ্ট লোভৰ বশৱৰ্তী হৈ সেই প্ৰাপ্য কাঢ়ি নিয়াত মত্ত হয়। ই কেৱল এক সামগ্ৰী দখলৰ বিষয় নহয় ই আমাৰ সমাজৰ গভীৰ মানসিক দেউলীয়াপণ আৰু অধোগামী নৈতিক স্খলনৰ নগ্ন প্ৰকাশ।

আজিৰ এই সংকটময় পৰিস্থিতিত নিজৰ অৰ্থ, সময় আৰু শ্ৰম ব্যয় কৰি আৰ্তজনৰ কাষত থিয় দিয়াসকল সঁচাকৈয়ে প্ৰশংসাৰ পাত্ৰ। এই দুৰ্যোগৰ সময়ত উদাৰ মনোভাৱেৰে খাদ্য, বস্ত্ৰ আৰু প্ৰয়োজনীয় সামগ্ৰীৰে সহায়ৰ হাত আগবঢ়োৱা প্ৰতিগৰাকী মহানুভৱ ব্যক্তি আৰু স্বেচ্ছাসেৱী সংস্থাক আমি আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ এই নিস্বাৰ্থ মানৱীয় সেৱাই বিপন্ন মানুহখিনিক জীয়াই থকাৰ সাহস দিয়ে। কিন্তু, ব্যৱস্থাটো যিমানেই সুন্দৰ নহওক কিয়, সাহায্য বিতৰণ কৰাসকলৰ পক্ষে প্ৰতিজন গ্ৰহীতাৰ প্ৰকৃত অৱস্থা পৰীক্ষা কৰা হয়তো সম্ভৱ নহয়। এনে স্থলত আমাৰ ব্যক্তিগত বিবেক আৰু মানৱীয় মূল্যবোধ ক'লৈ গ'ল? ঘৰ-দুৱাৰ হেৰুৱাই নিঃস্ব হোৱা মানুহৰ দুৰ্দশাক নিজৰ সুবিধাৰ মাধ্যম কৰি তোলাটো চৰম অন্যায়। সুবিধাবাদীসকলে এই স্বাৰ্থপৰ মানসিকতা পৰিহাৰ কৰি আঁতৰি থকাটো আৰু প্ৰকৃত ভুক্তভোগীয়ে যাতে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ সঠিকভাৱে লাভ কৰে, তাত সহযোগিতা আগবঢ়োৱাতোহে প্ৰকৃত মানৱধৰ্ম।

*কুঞ্জিল হাজৰিকা*
*ভগামুখ, যোৰহাট*

## ছেমিফাইনেল আৰু ফাইনেল খেল ফ্লাড লাইটৰ পোহৰত অনুষ্ঠিত হ'ব প্ৰস্তুতি সম্পৰ্কে চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সংবাদমেল

# চামতা ষ্টেডিয়ামত আৰম্ভ হ'ব ৪৬ তম্ নৰোৱাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, চামতা, ১৫ আগষ্ট ঃ** ফুটবল জ্বৰত আক্ৰান্ত পশ্চিম নলবাৰী। অসমৰ গ্ৰামাঞ্চলত ফ্লাড লাইটৰ পোহৰত অনুষ্ঠিত হ'ব ফুটবলৰ মহাৰণ। ইয়াৰ বাবে সম্পূৰ্ণৰূপে প্ৰস্তুতি কৰি তোলা হৈছে চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ ষ্টেডিয়াম। সোমবাৰৰ পৰা চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ নৱ-নিৰ্মিত ষ্টেডিয়ামত আৰম্ভ হ'ব ৪৬ তম নৰোৱাম বৰ্মন সোঁৱৰণী সৰ্বভাৰতীয় পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰদ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু অইল ইণ্ডিয়া লিমিটেড, নয়দা, এন.আৰ. এল., গুৱাহাটী আৰু গুৱাহাটী ৰিফেইনেৰীৰ স্পন্সৰশ্বিপ লাভ কৰা ৪৬ তম নৰোৱাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাখনি ছেমিফাইনেল আৰু ফাইনেল খেল ফ্লাড লাইটৰ পোহৰত অনুষ্ঠিত হব বুলি সংবাদমেলত স্পষ্ট কৰি দিছে চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সম্পাদক বিকাশ ভট্টই। এই বেলি অংশগ্ৰহণ কৰিবলীয়া দল সমূহ হৈছে-অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজান, নৰ্থ-ইষ্ট ইউনাইটেড এফ.চি., গুৱাহাটী, অসম পুলিচ একাদশ, এন.এফ. বেলবে, গুৱাহাটী, গুৱাহাটী চিটি এফ.চি. ডি.বি.আই স্পোৰ্ট্‌ক্লাৱ, সোণাপুৰ, দণ্ডীচৰণ ডেকা এফ.চি. বঙাইগাঁও, বাৰাদী ফুটবল ক্লাব, বৰপেটা, ৰেডিয়েন্স একাডেমী, কলগাছিয়া, মুকালমুৱা ফুটবল ক্লাব, ইউনাইটেড স্পোৰ্টচ ক্লাব, বৰমা, চামতা আঞ্চলিক ক্ৰীড়া সংঘ মুঠ ১২ (বাৰ)টা দলে অংশগ্ৰহণ কৰিছে। আজি এক সংবাদমেল যোগে খেলৰ সম্পূৰ্ণ কাৰ্যসূচী সদৰী কৰে উদ্যোক্তা সমিতিয়ে।

# ৰহা আঞ্চলিক শ্ৰমিক উন্নয়ন সমিতি আৰু ৰহা আঞ্চলিক ট্ৰাকচালক উন্নয়ন সমিতিৰ যৌথ উদ্যোগত ৮০ সংখ্যাক স্বাধীনতা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ১৫ আগষ্ট ঃ** দেশত স্বাধীনতা দিৱস পালন কৰা সমান্তৰালকৈ আজি ৰহাৰ বিভিন্ন বিদ্যালয়ৰ মহাবিদ্যালয় বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ কায্যলয়ত স্বাধীনতা দিৱস পালন কৰা হয়। এই উপলক্ষে ৰহা আঞ্চলিক শ্ৰমিক উন্নয়ন সমিতি আৰু ৰহা আঞ্চলিক ট্ৰাকচালক উন্নয়ন সমিতিৰ যৌথ উদ্যোগত স্বাধীনতা দিৱসৰ আয়োজিত অনুষ্ঠানত পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলন কৰে ৰহা আঞ্চলিক শ্ৰমিক উন্নয়ন সমিতিৰ সভাপতি গীৰেন বৰদলৈ আৰু ট্ৰাকচালক উন্নয়ন সমিতিৰ সভাপতি মাধৱ মুদৈয়ে। ইয়াৰ পিচত আমন্ত্ৰিত অতিথি সকলক আদৰণি অনুষ্ঠান অনুষ্ঠিত কৰি দিৱসৰ তাপয্য ওপৰত অতিথি সকলৰ বক্তব্য প্ৰদান কৰি শ্ৰমিকসকলৰ মাজৰ পৰা হেৰাই যোৱাসকলৰ আত্মাৰ সদ্গতিৰ বাবে ১ মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। ৰহা আঞ্চলিক শ্ৰমিক উন্নয়ন সমিতিৰ সম্পাদক টুটু গাঁওখুৱাই আঁত ধৰা অনুষ্ঠানটোত সমিতিৰ বিষয়ববীয়াসকলৰ লগতে অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকি স্বাধীনতা দিৱসটি সাফল্যমণ্ডিত কৰি তোলা লগতে প্ৰসাদ বিতৰণ কৰি সন্ধিয়া পতাকা অৱতৰণ কৰি দিৱসটিৰ সফল সামৰণি পৰে।

# নগাঁৱত ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন




**অসম বাৰ্তা, বড়মপুৰ, ১৫ আগষ্ট ঃ** দেশৰ অন্যান্য প্ৰান্তৰ লগতে নগাঁৱতো আজি উলহ-মালহেৰে উদযাপন কৰা হয় দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস। এই উপলক্ষে নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত নুৰুল আমিন ষ্টেডিয়ামত জিলা প্ৰশাসনৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হয় স্বাধীনতা দিৱসৰ অনুষ্ঠান। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে অসম চৰকাৰৰ কৃষি আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী পিয়ুষ হাজৰিকাই। পতাকা উত্তোলনৰ পাছত দিয়া ভাষণৰ আৰম্ভণিতে মন্ত্ৰীগৰাকীয়ে দেশৰ স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে মুক্তিযুঁজাৰুসকলৰ ত্যাগ আৰু দেশপ্ৰেমক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ভাষণত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ চমু খতিয়ান দাঙি ধৰে। ইয়াৰ পূৰ্বে স্বাধীনতা দিৱসৰ অনুষ্ঠানত আৰক্ষী, অৰ্ধসামৰিক বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC), স্কাউট-গাইড আৰু বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে প্ৰদৰ্শন কৰা কুচ-কাৱাজৰ অভিবাদন গ্ৰহণ কৰে মন্ত্ৰী পিয়ুষ হাজৰিকাই। অনুষ্ঠানটোত কেইবা সহস্ৰাধিক লোকৰ উপস্থিতিয়ে স্বাধীনতা দিৱস উদযাপনত বিশেষ উৎসাহৰ সৃষ্টি কৰে।

# ভকতগাঁও মণিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ১৫ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে নগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ মহাবিদ্যালয় অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰ্যালয়ত স্বাধীনতা দিৱস অনুষ্ঠিত কৰা সমান্তৰাল কৈ নগাঁও জিলাৰ ৰহাৰ ভকতগাঁও মণিপুৰটুপ উচন আলী জাতীয় বিদ্যালয়ৰ উদ্যোগত দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ কৰা হয়। বিদ্যালয়ৰ খেলপথাৰত আজি পৰিচালনা সমিতিৰ সভাপতি নুৰুল আমিনৰ লগতে সম্পাদক ধৰি সকলো সদস্য শিক্ষক শিক্ষয়িত্ৰী লগতে অভিভাৱক সকলৰ সহযোগত ছাত্ৰ-ছাত্ৰী সকলক লৈ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। বিদ্যালয়ৰ শিক্ষক প্ৰবিন চন্দ্ৰ নাথে আত ধৰা অনুষ্ঠানত বিদ্যালয়ৰ প্ৰধান শিক্ষক ইকবাদুল ইছলাম আৰু সঞ্চালক আজিজুল হকে ছাত্ৰ-ছাত্ৰী আগত আজি দিনটোৰ তাপয্য ওপৰত সুৱীয়া বক্তব্য প্ৰদান কৰা লগতে দেশৰ হকে প্ৰাণবলিদান দিয়া বীৰ সকললৈ শ্ৰদ্ধা নিবেদন কৰি সন্ধিয়া পতাকা অৱতৰণ কৰি দিৱসটিৰ সফল সামৰণি পৰে।

# ১৯৭১ চনৰ ইণ্ডো-পাক যুদ্ধত শ্বহীদ বীৰ জোৱান জিৰণ চন্দ্ৰ ৰায়ৰ স্মৃতি স্তম্ভ উন্মোচন কালীপুখুৰীত

**অসম বাৰ্তা, বাসুগাঁও, ১৫ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ১৯৭১ চনৰ ইণ্ডো-পাক যুদ্ধৰ অপাৰেশ্যন কেকটাছ লিলিত শ্বহীদ বৰণ কৰা বীৰ জোৱান জিৰণ চন্দ্ৰ ৰায়ৰ স্মৃতি স্তম্ভ আজি উন্মোচন কৰা হয়। কালীপুখুৰী আছুৰ শ্বহীদ বেদীৰ কাষত নিৰ্মিত স্মৃতি স্তম্ভটি ফিতাকাটি শুভ উন্মোচন কৰে প্ৰাক্তন সৈনিক বোৰ্ডৰ ওয়েলফেয়াৰ অফিচাৰ কেপ্টেইন কৰ্ণ কুমাৰ ব্ৰহ্ম। ইয়াৰ প্ৰাকমুহূৰ্তত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। উত্তোলন কৰে অৱসৰপ্ৰাপ্ত সেনা জোৱান বিষ্ণু প্ৰসাদ ৰায়। তেওঁ দেশমাতৃৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদ বীৰ জোৱান জিৰণ চন্দ্ৰ ৰায়ৰ বিষয়ে চমু বক্তব্য দাঙি ধৰে। কালীপুখুৰী ইউনাইটেড ক্লাবত এক সভা অনুষ্ঠিত হয়। কালীপুখুৰী অঞ্চলৰ জৰেগাঁও নিৱাসী বীৰ জোৱান জিৰণ চন্দ্ৰ ৰায়ৰ বিষয়ে চমু আভাস দাঙি ধৰা হয় আৰু পৰিয়ালৰ লগতে অঞ্চলৰ গাঁওবুঢ়া আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয় উক্ত অনুষ্ঠানতে। উত্তৰ কোকৰাঝাৰ প্ৰাক্তন সৈনিক আৰু বীৰনাৰীকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিত কালীপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমচন্দ্ৰ ৰায়, উক্ত বিদ্যালয়ৰ এন চি চি কেডেট আৰু অঞ্চলৰ ৰাইজ উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। কোকৰাঝাৰ ব্লকৰ কনিষ্ঠ অভিযন্তা ৰাজীৱ কুমাৰ ৰায় আৰু কালীপুখুৰী ভি চি ডি চিৰ সভাপতি মহেশ্বৰ ৰায়ৰ সহযোগিতাক কৃতজ্ঞতা প্ৰকাশ কৰে উদ্যোক্তা সকলে। কালীপুখুৰী আঞ্চলিক আক্ৰাছুৰ বিষয়-ববীয়াৰ সতে কিছু কথা কটাকটিৰ বাহিৰে সকলো কাৰ্যসূচী সফলভাৱে পৰিসমাপ্তি হোৱাত সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে মূল উদ্যোক্তা তথা প্ৰাক্তন সেনা জোৱান বিষ্ণু প্ৰসাদ ৰায়, ধনঞ্জয় ৰায়, ভৰত চন্দ্ৰ ৰায়, পাৰ্থ চন্দ্ৰ ৰায়, সিদ্ধেশ্বৰ বৰ্মন ইত্যাদি প্ৰাক্তন সেনা জোৱান সকল।

# স্বাধীনতা দিৱসৰ মাজতেই অনশনত

ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ১০ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰিব লাগে। লগতে তেওঁ দাবী উত্থাপন কৰে যে এই বান সম্পূৰ্ণ প্ৰাকৃতিক নহয়; বৰঞ্চ অসম আৰু নগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলত চলা অবৈধ কয়লা আৰু শিল খননৰ বাবেই নদীৰ গতি পৰিৱৰ্তন হৈ এনে মহাপ্ৰলয়ৰ সৃষ্টি হৈছে। অনশনৰ স্থান শিৱসাগৰৰ পুৰণি বজাৰ অঞ্চলত আছিল। তাত উপস্থিত থাকি বিধায়কগৰাকীয়ে কয় যে বানপানীয়ে ১৯ জুলাইত যি ধ্বংসলীলা চলাইছিল, সেয়া ১৭৫০ চনৰ দিখৌৰ প্ৰলয় আৰু ১৯৫০ চনৰ ভূমিকম্পতকৈও বেছি সংহাৰী আছিল। তাৰ পাছতো কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো সহায়ৰ হাত আগবঢ়োৱা নাই বুলি তেওঁ তীব্ৰ সমালোচনা কৰে। বিধায়ক গগৈয়ে কেৱল ক্ষতিপূৰণৰ দাবীতে ক্ষান্ত নহৈ, বানপানীৰ বাবে দায়ী অবৈধ খননকাৰীসকলক কঠোৰ শাস্তি দিয়াৰ দফাও উত্থাপন কৰে। লগতে তেওঁ বিস্তৃত পুনৰ নিৰ্মাণৰ বাবে শিৱসাগৰ আৰু নাজিৰা সমষ্টিৰ কাৰণে ১০০০ কোটি টকাৰ বিশেষ পেকেজ ঘোষণা কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়। তেওঁৰ মতে, বানত জিলাখনৰ আন্তঃগাঁথনি যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে, যাৰ সোনকালে সংস্কাৰ নিতান্তই প্ৰয়োজন। আৰক্ষী আৰু প্ৰশাসনৰ অগোচৰে অনশন চলি থাকোঁতে, বিধায়ক গগৈয়ে এক ইংগিতে কয় — "য'ত শতসহস্ৰ লোকৰ ঘৰ-বাৰী, ব্যৱসায়-বাণিজ্য নষ্ট হ'ল, ত'ত কেনে ন্যায়? যি দৰে অন্যান্য বিষয়ত চৰকাৰে চিবিআই তদন্তৰ বাবে সাজু হয়, ঠিক তেনেদৰেই এই প্ৰলয়ৰ কাৰণ উদঘাটন কৰিবলৈও চিবিআই পৰ্যায়ৰ অনুসন্ধান হওক।" তেওঁ জোৰ দি কয় যে ইয়াক কেৱল প্ৰাকৃতিক দুৰ্যোগ বুলি উৰাই দিয়াটো গ্ৰহণযোগ্য নহয়। উল্লেখ্য যে বিধায়কজনৰ এই প্ৰতিবাদী পদক্ষেপে স্বাধীনতা দিৱসৰ আনন্দৰ মাজতো ৰাজ্যিক ৰাজনীতিত নতুন আলোড়ন সৃষ্টি কৰিছে। ইফালে, চৰকাৰী সূত্ৰে এতিয়ালৈকে আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই যদিও, ক্ষতিগ্ৰস্ত অঞ্চলবাসীৰ মাজত বিধায়কৰ অনশনে সহানুভূতি আৰু সমৰ্থন লাভ কৰিছে বুলি স্থানীয় সূত্ৰে জনাইছে। অনশন সম্পূৰ্ণ হোৱাৰ পাছত বিধায়ক গগৈয়ে কয় যে চৰকাৰে তেওঁলোকৰ দাবী বিবেচনা নকৰালৈকে আন্দোলন জাৰি থাকিব। আগন্তুক দিনত এই গোচৰটোৱে কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক আৰু বান পৰিচালনা নীতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বিতৰ্কৰ সূচনা কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলৰ মত।

# অঘটন ! জনীয়াত বিধায়ক শ্বেৰমান আলী

যাওঁতেই ঘটে এক অপ্ৰত্যাশিত ঘটনা। মন্দিয়া সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে যেতিয়া জাতীয় পতাকা উত্তোলন কৰিবলৈ ৰছী টানে, ঠিক সেই মুহূৰ্ততে হঠাৎ ৰছী ছিগি পতাকাখন তললৈ সৰি পৰে। এই অঘটনে সমবেত জনতাৰ মাজত কিছুক্ষণৰ বাবে অস্বস্তিকৰ পৰিৱেশৰ সৃষ্টি কৰে। বিধায়কগৰাকীৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে তেওঁ পতাকা উত্তোলন কৰি থকাৰ সময়তে এই বিসংগতি ঘটে। ঘটনাৰ পাছত আয়োজকসকলে তৎক্ষণাৎ পতাকাখন পুনৰ উত্তোলন কৰিবলৈ চেষ্টা কৰে যদিও সম্পূৰ্ণৰূপে ইয়াক মেলিব নোৱাৰিলে। পাছত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন সমাপ্ত হোৱাৰ পাছত পতাকাখন পুনৰ তললৈ নমাই অনা হয়। স্বাধীনতা দিৱসৰ দৰে পৱিত্ৰ আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠানত এনেকুৱা ঘটনা সংঘটিত হোৱাই স্বাভাৱিকতে সমালোচনা আৰু চৰ্চাৰ জন্ম দিয়ে। বিশেষকৈ পতাকা উত্তোলনৰ দায়িত্বত থকা আয়োজকসকলৰ সাৱধানতা সম্পৰ্কে প্ৰশ্ন উত্থাপন হয়। স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰে যে পতাকা উত্তোলনৰ পূৰ্বে ৰছী আৰু পতাকাৰ অৱস্থা ভালদৰে পৰীক্ষা কৰা হোৱা নাছিল, যাৰ ফলতে এই অনাকাংক্ষিত ঘটনাটো ঘটি যায়। কিছু সময়ৰ পাছত পুনৰ সাৱধানে পতাকাখন উত্তোলন কৰা হয় আৰু তাৰ পাছত কাৰ্যসূচী স্বাভাৱিক গতিত আগবাঢ়ে। বিধায়ক শ্বেৰমান আলী আহমেদে পতাকা উত্তোলনৰ পাছত ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। তেওঁ ভাষণত স্বাধীনতা দিৱসৰ ঐতিহাসিক গুৰুত্ব তুলি ধৰি কয় যে ইংৰাজ শাসকে প্ৰায় ডেৰশ বছৰ ধৰি ভাৰতবৰ্ষৰ সম্পদ লুটপাত কৰি ইংলেণ্ডৰ উন্নয়ন সাধন কৰিছিল। তেওঁ উল্লেখ কৰে যে জনসাধাৰণৰ উন্নয়নৰ প্ৰতি তেওঁলোকৰ কোনো উদ্যোগ নাছিল, সেয়ে স্বাধীনতা সংগ্ৰামীসকলে আত্মবলিদান দি দেশক ইংৰাজ শাসনৰ পৰা মুক্ত কৰিছিল।

# ডিব্ৰুগড়ত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ হৰ ঘৰ ত্ৰিৰংগা পতাকাৰে বাইক ৰেলী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত দেশজুৰি চলি থকা 'হৰ ঘৰ তিৰংগা' অভিযানৰ অংশ হিচাপে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী চমুকৈ চি আৰ পি এফৰ ১৭১নং বেটেলিয়নে উলিয়ালে ত্ৰিৰংগা বাইক ৰেলী। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি ১২ আগষ্টত ১৭১নং বেটেলিয়ন চি আৰ পি এফৰ উদ্যোগত আয়োজন কৰা হয় এই ত্ৰিৰংগা বাইক ৰেলী। দেশৰ স্বাধীনতাৰ বাবে বীৰ শ্বহীদসকলে আগবঢ়োৱা আত্মত্যাগ আৰু বলিদানক স্মৰণ কৰাৰ লগতে দেশৰ প্ৰতিজন নাগৰিকৰ মাজত দেশপ্ৰেমৰ ভাৱনা জাগ্ৰত কৰাই আছিল এই ৰেলীৰ মূল উদ্দেশ্য। হাতত জাতীয় পতাকা লৈ বাইকেৰে ৰেলীত অংশগ্ৰহণ কৰে চি আৰ পি এফৰ বিষয়া-জোৱানসকলে। ৰেলীৰ জৰিয়তে প্ৰতিগৰাকী নাগৰিকক নিজৰ ঘৰ তথা চৌহদত জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনোৱা হয়। এই ত্ৰিৰংগা ৰেলীৰ জৰিয়তে স্বাধীনতাৰ প্ৰতীক জাতীয় পতাকাৰ প্ৰতি সন্মান আৰু দেশৰ প্ৰতি দায়বদ্ধতাৰ বাৰ্তা জনসাধাৰণৰ মাজলৈ লৈ যোৱা হয়। ৰেলীত ১৭১নং বেটেলিয়নৰ এছ অ' কেপ্টেইন, দ্বিতীয় কমাণ্ড বিষয়া, উপ-কমাণ্ডেণ্ট, সহকাৰী কমাণ্ডেণ্টৰ লগতে অন্যান্য বিষয়া আৰু জোৱানসকলে অংশগ্ৰহণ কৰে। ৰেলীৰ অন্তত দেশৰ প্ৰতি নিষ্ঠা আৰু দেশৰ সুৰক্ষাৰ বাবে সকলো সময়তে সম্ভৱপৰ সেৱা আগবঢ়োৱাৰ সংকল্প গ্ৰহণ কৰে চি আৰ পি এফৰ বিষয়া-জোৱানসকলে। 'হৰ ঘৰ ত্ৰিৰংগা' অভিযানৰ জৰিয়তে দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় একতাৰ বাৰ্তা অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে এই ত্ৰিৰংগা বাইক ৰেলী অনুষ্ঠিত কৰা হয় বুলি উদ্যোক্তা সকলে উল্লেখ কৰে।

# শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উলহ-মালহেৰে নৱাগত আদৰণী সভা

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ আগষ্ট ঃ** শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোট আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে উলহ-মালহেৰে ২০২৬-২৭ বৰ্ষৰ নৱাগত আদৰণী সভা অনুষ্ঠিত হয়। নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ লগতে বিদ্যালয়খনৰ শৈক্ষিক আৰু সাংস্কৃতিক পৰিৱেশক অধিক সজীৱ কৰি তোলাৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ব্যাপক অংশগ্ৰহণ পৰিলক্ষিত হয়। পুৱা ৭ বজাত সামূহিক চাফাই কাৰ্যসূচীৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ হয়। ইয়াৰ পিছতে পুৱা ৮.১৫ বজাত ছাত্ৰ একতা সভাৰ সভাপতি ক্ষিৰোদ শইকীয়াই পতাকা উত্তোলন কৰে। ৮.৩০ বজাত বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক তিলেশ্বৰ কলিতাই স্মৃতি তৰ্পণ কৰে। ৮.৪৫ বজাত বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী লক্ষ্যহীৰা দত্তই গছপুলি ৰোপণ কৰি পৰিৱেশ সুৰক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ বাৰ্তা প্ৰদান কৰে। পুৱা ৯ বজাত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিক ভাৱে আদৰণি জনোৱাৰ পিছত ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ জৰিয়তে নৱাগতসকলে বিদ্যালয়খনৰ পৰিৱেশৰ সৈতে সহজভাৱে পৰিচিত হোৱাৰ সুযোগ লাভ কৰে। ইয়াৰ পিছতে পুৱা ১০ বজাত বিদ্যালয়ৰ ছাত্ৰী জোতিকা খনিকৰে বৰগীত পৰিৱেশন কৰে। বৰগীতৰ সুৰে অনুষ্ঠানস্থলীত এক আধ্যাত্মিক আৰু মনোমুগ্ধকৰ পৰিৱেশৰ সৃষ্টি কৰে। বৰগীত পৰিৱেশনৰ পিছতেই অনুষ্ঠিত হয় মূল মুকলি সভা। বিদ্যালয়ৰ অধ্যক্ষ প্ৰসন্ন কুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন্দ্ৰ শৰ্মাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে ফুলনি মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগেশ্বৰ বৰাই। বৰাই ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ লগতে শৃংখলা, নৈতিকতা, মূল্যবোধ আৰু মানৱীয় গুণেৰে নিজকে গঢ়ি তোলাৰ বাবে আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে চিৰাম হাইস্কুলৰ প্ৰধান শিক্ষক পদুম কুমাৰ মহন্ত, নীলকান্ত নাথ, ভোগেশ্বৰ বৰা শাস্ত্ৰী আৰু বিদ্যালয় খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পদ্মধৰ শইকীয়া উপস্থিত থাকে। লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বহু গণ্য-মান্য ব্যক্তিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানটোৰ আঁত ধৰে লক্ষ্যজিৎ নাথে। নৱাগতসকলক আদৰণি জনাই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা বিভিন্ন গীত-নৃত্য আৰু সাংস্কৃতিক অনুষ্ঠানে সমগ্ৰ অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলন, শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰাক্তনসকলৰ উপস্থিতি তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱাগত আদৰণী সভাখনে বিদ্যালয়খনত এক আনন্দমুখৰ আৰু উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই নৱাগত আদৰণী সভাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ বৃহত্তৰ পৰিয়ালটোৰ সৈতে আত্মীয়তাৰে সংযুক্ত কৰাৰ লগতে শৈক্ষিক জীৱনৰ এক সুন্দৰ আৰম্ভণিৰ বাট মুকলি কৰে।

### বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ মানবীয় প্ৰমূল্যবোধ

# শিৱসাগৰ জিলাৰ ৪৫ ঘৰ বান বিধ্বস্ত পৰিয়াললৈ ৫০০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদান

**অসম বাৰ্তা, গহপুৰ, ১৪ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ বেতবাৰী দ-গাঁৱৰ ৪৫ ঘৰ বান বিধ্বস্ত পৰিয়াললৈ নগদ ৫০০০ টকাকৈ আৰ্থিক সাহায্য আগবঢ়াই মানবীয় প্ৰমূল্যবোধ ডাঙি ধৰিছে গহপুৰ সমজিলাৰ বৰঙাবাৰীৰ ইংৰাজী মাধ্যমৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান মৰ্ণিং ষ্টাৰ হাইস্কুলে। উজনিত বানে সৃষ্টি কৰা এই ভয়াৱহ বিপৰ্যয়ৰ সময়ত বিপন্ন লোকসকলৰ সহায়ৰ বাবে আগবাঢ়ি অহা গহপুৰৰ বৰঙাবাৰীস্থিত আগশাৰীৰ শিক্ষানুষ্ঠান মৰ্ণিং ষ্টাৰ হাইস্কুলে কালি প্ৰদান কৰে উক্ত আৰ্থিক সাহায্য। বিদ্যালয়খনে এক মহানুভৱতাৰ পৰিচয় দি মুঠ ২, ২৫, ০০০ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। এইবাৰ উজনি অসমৰ কেইবাখনো জিলাৰ হাজাৰ হাজাৰ পৰিয়াল গৃহহীন হৈ পৰিছে। খোৱাপানী, খাদ্য আৰু আশ্ৰয়ৰ বাবে হাহাকাৰ কৰিবলগীয়া হোৱা এইসকল লোকৰ কাষত থিয় দিয়াটো সমাজৰ প্ৰতিজন সচেতন নাগৰিকৰে কৰ্তব্য। এই সামাজিক দায়বদ্ধতাক সৰোগত কৰিয়েই মৰ্ণিং ষ্টাৰ হাইস্কুল কৰ্তৃপক্ষই এই বিশেষ পদক্ষেপ গ্ৰহণ কৰে। বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ যুটীয়া উদ্যোগত এই সাহায্য পুঁজি সংগ্ৰহ কৰি কালি স্বাধীনতা দিৱসৰ দিনা এই সাহায্য প্ৰদান কৰা হয়। লগতে প্ৰতিটো পৰিয়ালক প্ৰদান কৰা হয় একোখনকৈ চেলেং চাদৰ। বান বিধবস্ত ৰাইজৰ সংকটকালত বিদ্যালয়খনৰ এই আশাব্যঞ্জক আৰু মানৱীয় পদক্ষেপে যথেষ্ট সমাদৰ লাভ কৰিছে। মৰ্ণিং ষ্টাৰ হাইস্কুলৰ পৰিচালন সঞ্চালক যাদৱ চলিহা, অধ্যক্ষ দিনেশ কুমাৰ কে চি, শিক্ষক বিনোদ কুৰ্মী, ৰুদ্ৰ ভৰালী, চন্দ্ৰানী দত্ত ৰয় আৰু প্ৰেম দৰ্জীৰ নেতৃত্বত উক্ত আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ শিৱসাগৰলৈ গৈছিল দলটো। ডিমৌৰ সম জিলা আয়ুক্ত তথা শিৱসাগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত লুকুমণি বৰাৰ পৰামৰ্শ আৰু শিৱসাগৰৰ তিনি গৰাকী শিক্ষক অংশুমান গগৈ, সীমান্ত বৰুৱা আৰু অচিন্ত্য মহন্ত তথা দ গাঁৱৰ লুকুমণি গগৈয়ে সহযোগ কৰিছিল বিদ্যালয়খনৰ উক্ত কাৰ্যসূচীত। উল্লেখযোগ্য যে -মৰ্ণিং ষ্টাৰ হাইস্কুলে সদায় ছাত্ৰ ছাত্ৰী সকলক পাঠ্যক্ৰমৰ পাঠৰ উপৰিও সামাজিক দায়বদ্ধতা, আধ্যাত্মিকতা আৰু মানৱীয় প্ৰমূল্যবোধৰ দিশবোৰৰ ওপৰত সংপৃক্ত কৰাৰ বাবে বিভিন্ন ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি আহিছে।



# অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত হাবিলদাৰ ভৱেন দাসৰ বিয়োগ

## দৌলাশালত শোকৰ ছাঁ

**অসম বাৰ্তা, দৌলাশাল, ১৪ আগষ্ট ঃ** নলবাৰী জিলাৰ দৌলাশালৰ অৱসৰপ্ৰাপ্ত আৰক্ষী জোৱান ভৱেন দাসৰ আজি পুৱা ৫ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ অৱসৰপ্ৰাপ্ত হাবিলদাৰ ভৱেন দাসৰ মৃত্যুত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ সদৰ কাৰ্যালয়ৰ লগতে সমগ্ৰ দৌলাশালতে গভীৰ শোকৰ ছাঁ পৰিছে। নলবাৰী জিলাৰ কমাৰকুছিৰ ক্ষুদ্ৰ ডিংডিঙি গাঁৱৰ প্ৰয়াত গজেন দাসৰ পুত্ৰ ভৱেন দাসে যোৱা ১৯৮৮ চনত অসম আৰক্ষীত জোৱান হিচাপে নিযুক্তি পাই দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীত ভৰ্তি হয় আৰু পৰৱৰ্তী সময়ত দৌলাশাল গাঁৱতে ঘৰ-মাটি ক্ৰয় কৰি থাকিবলৈ লয়। ভৱেন দাসে কৰ্মসূত্ৰে দৌলাশালত থাকি দৌলাশালৰ সমাজ-জীৱনৰ লগত একত্ৰ হৈ পৰে আৰু বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰে। যোৱা ২০১৮ চনৰ ৩১ জুলাইত অৱসৰ গ্ৰহণ কৰা ভৱেন দাস এগৰাকী সমাজ-হিতৈষী লোক আছিল। অঞ্চলটোৰ এগৰাকী সৰ্ববৰহী লোক আছিল ভৱেন দাস। একালৰ সুদক্ষ অভিনেতা ভৱেন দাস এগৰাকী জনপ্ৰিয় বেজো আছিল। সৰ্পদংশনত আক্ৰান্ত ৰোগীৰ উপৰি আন আন বেমাৰৰ ঘৰুৱা চিকিৎসাত তেখেত যথেষ্ট পৰিচিত আছিল। বিগত তিনি বছৰ ধৰি বৃক্ক ৰোগত আক্ৰান্ত হৈ ৰাজ্যৰ বাহিৰে-ভিতৰে চিকিৎসা গ্ৰহণ কৰি কিছু সুস্থ হৈছিল যদিও যোৱা ১২ আগষ্টত স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায় যদিও আজি পুৱা চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। দুপৰীয়া তেওঁৰ নশ্বৰদেহ দৌলাশালস্থিত বাসগৃহলৈ আহি পোৱাত অসংখ্য গুণমুগ্ধ আহি নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ। অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ পৰিদৰ্শক জয়ন্ত দাসৰ পিতৃ আছিল ভৱেন দাস। তেওঁৰ মৃত্যুত দৌলাশাল উন্নতি সাধিনী সভা, চতুৰ্দশ অসম আৰক্ষী বাহিনী, দৌলাশাল বাপুজী সংঘ, দৌলাশাল আঞ্চলিক বিহু সন্মিলন, বিৰিণা গোষ্ঠী অসম, মিলন পাৰা উন্নয়ন সমিতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী লাৱণ্য দাসসহ অসম আৰক্ষীত কৰ্মৰত দুই পুত্ৰ, দুই বোৱাৰী, এগৰাকী জী-জোঁৱাই, তিনিগৰাকী ভাতৃকে ধৰি কেইবাগৰাকীও নাতি-নাতিনী-ভতিজা আৰু গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যায়। আজি বিয়লি ৰাজহুৱা শ্মশানত এক শোকাকুল পৰিৱেশত তেওঁৰ শেষকৃত্য সমাপন কৰা হয়।

# বিভাজন বিভীষিকা স্মৰণ দিৱস উপলক্ষে মৰিগাঁৱত নীৰৱ মমবাতি সমদল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৪ আগষ্ট ঃ** বিভাজন বিভীষিকা স্মৰণ দিৱস উপলক্ষে জিলা প্ৰশাসন, মৰিগাঁৱৰ উদ্যোগত আজি এক নীৰৱ মমবাতি সমদল অনুষ্ঠিত হয়। তৰুণৰাম ফুকন খেলপথাৰৰ পৰা আৰম্ভ হোৱা সমদলটো মৰিগাঁও সদৰ বিহুতলীলৈ আগবাঢ়ে। অংশগ্ৰহণকাৰীসকলে হাতত মমবাতি লৈ ভাৰত বিভাজনৰ সময়ত প্ৰাণ হেৰুওৱা আৰু ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰে। মৰিগাঁৱৰ DDC অৰ্পা বাগলাৰী, ACS আৰু ADCসকলৰ লগতে জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী আৰু অন্যান্য অংশগ্ৰহণকাৰীসকলে সমদলত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে বিভাজনৰ বেদনাদায়ক অধ্যায় স্মৰণ কৰাৰ লগতে শান্তি, সম্প্ৰীতি, ঐক্য আৰু ভাতৃত্ববোধৰ বাৰ্তা প্ৰদান কৰা হয়।

## বিধানসভা চৌহদত পতাকা

স্বাধীনতা সংগ্ৰামীসকলৰ অমূল্য ত্যাগ আৰু আত্মবলিদানক কৃতজ্ঞতাৰে স্মৰণ কৰে। তেওঁ কয় যে আজিৰ স্বাধীনতা দিৱস কেৱল এটা আনুষ্ঠানিকতা হৈ নাথাকি সৰ্বসাধাৰণৰ হৃদয়ত এখনি উৎসৱৰ ৰূপ লৈছে। ৯ আগষ্টৰ পৰা আৰম্ভ হোৱা 'ঘৰে ঘৰে ত্ৰিৰংগা' কাৰ্যসূচীয়ে দেশমাতৃৰ প্ৰতি থকা কৰ্তব্যবোধ আৰু প্ৰেমৰ পৰিচয় দাঙি ধৰিছে বুলি তেওঁ উল্লেখ কৰে। অসমৰ ঐতিহাসিক পটভূমি স্পৰ্শ কৰি অধ্যক্ষগৰাকীয়ে কয় যে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখটো অসমৰ বাবে এক চিৰস্মৰণীয় দুৰ্ভাগ্যজনক দিন। এই দিনাই ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল, যাৰ ফলত অসম ইংৰাজ শাসকৰ অধীনলৈ যায়। ইংৰাজৰ শোষণ আৰু অপশাসনত অতিষ্ঠ হৈ গোমধৰ কোঁৱৰে বিদ্ৰোহৰ সূচনা কৰিছিল যদিও তেওঁ সেই সংগ্ৰামত সফল নহ'ল। তেওঁ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনক স্বাধীনতা সংগ্ৰামৰ এক মাইলৰ খুঁটি বুলি অভিহিত কৰি কয় যে এই আন্দোলন স্বাধীনতাৰ বাবে অসমবাসীয়েও যথেষ্ট অংশগ্ৰহণ কৰিছিল। ভাষণৰ অন্যতম কেন্দ্ৰীয় দিশ আছিল দেশ বিভাজনৰ প্ৰসংগ। অধ্যক্ষ ৰণজিৎ দাসে গভীৰ আবেগপূৰ্ণ স্বৰেৰে কয়, "১৯৪৭ চনৰ আজিৰ দিনটোতে ভাৰতবৰ্ষে স্বাধীনতা লাভ কৰিছিল। কিন্তু লগতে আমি বিভাজনৰ যন্ত্ৰণাও সহ্য কৰিবলগীয়া হৈছিল। এই দেশ বিভাজন আছিল এক ভয়াৱহ বিপৰ্য্যয়। সেই বিভাজনে বহুতো পৰিয়ালক নিজ মাটি-ভেটি, নিজ আপোনজন আৰু নিজ পৰিচয় হেৰুওৱাৰ কষ্ট দিছিল।" তেওঁ লগতে কয় যে স্বাধীনতাৰ পিছত বিশ্বৰ ভিতৰতে বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ভাৰতে আজি বিশ্বমানচিত্ৰত এক গৌৰৱোজ্জ্বল স্থান দখল কৰিছে। অসম বিধানসভাৰ গঠন আৰু ক্ৰমবিকাশৰ কথা উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয় যে ১৯৩৭ চনৰ ৭ এপ্ৰিল তাৰিখে অসম বিধানসভাৰ প্ৰতিষ্ঠা লাভ কৰিছিল। গণতান্ত্ৰিক ব্যৱস্থাৰ অন্যতম প্ৰধান স্তম্ভ হিচাপে এই বিধানসভাই দীঘলীয়া সময়ৰ পৰিক্ৰমা অতিক্ৰম কৰি ৰাজ্যবাসীৰ আশা-আকাংক্ষাক প্ৰতিফলিত কৰি যাত্ৰা অব্যাহত ৰাখিছে। অনুষ্ঠানৰ আৰম্ভণিতে অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে বিধানসভা চৌহদত অৱস্থিত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি মহান নেতাগৰাকীৰ অহিংস আন্দোলনক শ্ৰদ্ধা নিবেদন কৰে। এই গুৰুত্বপূৰ্ণ স্বাধীনতা দিৱসৰ কাৰ্যসূচীত বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰী, বিধানসভাৰ সচিব ৰাজীৱ ভট্টাচাৰ্য, অতিৰিক্ত সচিব ইন্দ্ৰজিৎ মজুমদাৰ, প্ৰদীপ সন্দিকৈকে ধৰি বহু বিশিষ্ট বিষয়া আৰু কৰ্মচাৰী উপস্থিত থাকে। সামৰণি ভাষণত অধ্যক্ষ দাসে আজিৰ এই পৱিত্ৰ দিনটোত সকলো অসমবাসী তথা ভাৰতবাসীয়ে ঐক্য, ভাতৃত্ব আৰু শান্তিৰ মন্ত্ৰত উজ্জীৱিত হৈ জাতি গঠনৰ কামত আগবাঢ়ি যাব লাগে বুলি আহ্বান জনায়। অনুষ্ঠান শেষত উপস্থিত আটাইকে ৰাষ্ট্ৰীয় সংগীতৰ স্বৰেৰে সমগ্ৰ বিধানসভা চৌহদ মুখৰিত হৈ পৰে।

## 'বন্দে মাতৰম' পৰিৱেশনৰ সময়ত

মুখপাত্ৰ গোপাল কৃষ্ণ আগৰৱালাই সামাজিক মাধ্যম এক্সত সেই ফুটেজ শ্বেয়াৰ কৰি অভিযোগ উত্থাপন কৰে যে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে 'বন্দে মাতৰম'ৰ সম্পূৰ্ণ সংস্কৰণ পৰিৱেশন কৰাৰ সময়ত আপত্তি প্ৰকাশ কৰিছিল আৰু দলীয় কৰ্মীসকলক প্ৰশ্ন কৰিছিল। আগৰৱালাই এই ঘটনাক 'অতি লজ্জাজনক' বুলি আখ্যা দি কয় যে বন্দে মাতৰম কেৱল এটা গীত নহয়, বৰঞ্চ ভাৰতৰ স্বাধীনতা সংগ্ৰাম, জাতীয় চেতনা আৰু দেশপ্ৰেমৰ ঐতিহাসিক প্ৰতীক। তেওঁ প্ৰশ্ন তোলে, "দেশৰ স্বাধীনতা সংগ্ৰামৰ উত্তৰাধিকাৰ দাবী কৰা এয়া সেই একেই কংগ্ৰেছেইনে?" তেওঁ লগতে কয় যে বন্দে মাতৰমৰ প্ৰতি কংগ্ৰেছৰ এই মনোভাৱে মানুহক দলটোৰ 'জৰুৰীকালীন মানসিকতা'ৰ কথা সোঁৱৰাই দিয়ে, যাক জনসাধাৰণে ইতিমধ্যে নাকচ কৰিছে। অভিযোগৰ তৎক্ষণাৎ উত্তৰ দিয়ে কংগ্ৰেছে। দলটোৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে স্পষ্টভাৱে কয় যে বন্দে মাতৰমৰ সম্পূৰ্ণ সংস্কৰণ গোৱা বন্ধ কৰাৰ কোনো চেষ্টা চলোৱা হোৱা নাই। তেওঁ কয়, "ছোনিয়া গান্ধীয়ে কেৱল দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাবে এখন চকী বিচাৰিছিল, কাৰণ তেওঁ বহু সময় ধৰি থিয় হৈ আছিল।" ৰমেশে ঐতিহাসিক প্ৰেক্ষাপটও উল্লেখ কৰে। তেওঁ স্মৰণ কৰি কয় যে ১৯৩৭ চনৰ ২৮ অক্টোবৰত কলিকতাত মহাত্মা গান্ধী, নেতাজী সুভাষ চন্দ্ৰ বসু, চৰ্দাৰ বল্লভভাই পেটেল, মৌলানা আবুল কালাম আজাদ, জৱাহৰলাল নেহৰু, গোবিন্দ বল্লভ পন্ত আৰু চি ৰাজাগোপালাচাৰীৰ উপস্থিতিত কংগ্ৰেছৰ কাৰ্যকৰী সমিতিৰ বৈঠকত গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰৰ পৰামৰ্শ অনুসৰি সিদ্ধান্ত লোৱা হৈছিল যে বন্দে মাতৰমৰ কেৱল প্ৰাৰম্ভিক স্তৱক কংগ্ৰেছৰ অধিবেশনত গোৱা হ'ব। ৰমেশে দৃঢ়তাৰে কয় যে সেই পৰম্পৰা অনুসৰিয়েই আজিও গোৱা হয়। ইফালে বিজেপিৰ আন এগৰাকী মুখপাত্ৰ আৰ পি সিঙেও ছোনিয়া গান্ধীক লক্ষ্য কৰি কটাক্ষ কৰে। তেওঁ প্ৰশ্ন তোলে, "এণ্টনিঅ' মাইনোজীয়ে বন্দে মাতৰমক কিয় ইমান ঘৃণা কৰে? যেতিয়া গীতটো গোৱা হৈছিল, তেতিয়া তেওঁ অভিযোগমতে খং কৰি কৰ্মীসকলক ইয়াক বন্ধ কৰিবলৈ কৈছিল।" উল্লেখযোগ্য যে বিগত মাহত সংসদে ৰাষ্ট্ৰীয় সন্মানৰ অপমান প্ৰতিৰোধ (সংশোধনী) বিধেয়ক ২০২৬ গৃহীত কৰে, যাৰ দ্বাৰা বন্দে মাতৰমকজন গণ মনৰ সমপৰ্যায়ৰ মৰ্যাদা প্ৰদান কৰা হয়। এই আইন অনুসৰি জাতীয় গীতৰ অপমান শাস্তিযোগ্য অপৰাধ হিচাপে গণ্য কৰা হয়। এই আইন গৃহীত হোৱাৰ প্ৰথম স্বাধীনতা দিৱসতে এই বিতৰ্কই ৰাজনৈতিক মহলত তীব্ৰ আলোড়ন সৃষ্টি কৰিছে। শেষলৈ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে পুনৰ স্পষ্ট কৰে যে বিজেপিৰ অভিযোগ সম্পূৰ্ণ ভিত্তিহীন আৰু ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত। তেওঁ কয়, "কংগ্ৰেছৰ ইতিহাস বন্দে মাতৰমৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰে পৰিপূৰ্ণ। আমি কেতিয়াও গীতটোক অসন্মান কৰা নাই, নকৰোঁও।" অৱশ্যে বিজেপি নেতাসকলে এই খণ্ডন গ্ৰহণযোগ্য বুলি নাভাবি সামাজিক মাধ্যমত নিজৰ সমৰ্থনত জোৰ দি আছে। এই ঘটনাই অহা দিনত ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে।

## ত্ৰয়োদশবাৰৰ বাবে লালকিল্লাত

এই পদক্ষেপ তেওঁৰ 'সপ্তধাৰা' শচশক্তিৰ সাতটা ধাৰাগ্ন দৃষ্টিভংগীৰ এক অংগ, যিটো তেওঁ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত 'ইণ্ডিয়া AI ইমপেক্ট ছামিট'তো উল্লেখ কৰিছিল। প্ৰধানমন্ত্ৰীয়ে ভাষণত অসামৰিক প্ৰতিৰক্ষা ক্ষেত্ৰখনৰ উন্নয়নৰ কথাও গুৰুত্ব দি কয় যে পৰিৱৰ্তিত নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ চৰকাৰে এক আধুনিক আৰু শক্তিশালী অসামৰিক প্ৰতিৰক্ষা স্বেচ্ছাসেৱী বাহিনী গঢ়ি তোলাৰ উদ্যোগ লৈছে। তেওঁ কয়, "আজিৰ সংকটৰ পৰা নাগৰিকক সুৰক্ষা প্ৰদান কৰিবলৈ আমি এক বৃহৎ, আধুনিক অসামৰিক প্ৰতিৰক্ষা নেটৱৰ্ক সৃষ্টি কৰিম।" যুৱশক্তিৰ প্ৰতি থকা আস্থা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ফাইটাৰ জেট, অসামৰিক বিমান পৰিবহণ, ক্ৰীড়া, STEM শিক্ষা, আৰু সশস্ত্ৰ বাহিনীৰ দৰে ক্ষেত্ৰসমূহত কন্যাসকলে নেতৃত্ব দি আছে। এনডিএৰ স্নাতকসকলে সম্পূৰ্ণ আত্মবিশ্বাসেৰে সশস্ত্ৰ বাহিনী পৰিচালনা কৰি আছে বুলিও তেওঁ গৌৰৱেৰে উল্লেখ কৰে। ছেমিকণ্ডাক্টৰ উৎপাদনৰ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয় যে অহা এবছৰৰ পৰা দুবছৰৰ ভিতৰত সাতৰ পৰা আঠটা নতুন উৎপাদন প্লাণ্ট আৰম্ভ হ'ব। লগতে তেওঁ জনায় যে ভাৰতে ২০৪৭ চনৰ ভিতৰত ১০০ গিগাৱাট পাৰমাণৱিক শক্তি লাভৰ লক্ষ্য লৈছে, আৰু অহা ছয়ৰ পৰা সাত বছৰত পাঁচটা নতুন ৰিয়েক্টৰ কাৰ্যক্ষম হোৱাৰ সম্ভাৱনা আছে। 'উন্নত ভাৰত' গঢ়ি তুলিবলৈ প্ৰধানমন্ত্ৰীয়ে সপ্তধাৰা দৃষ্টিভংগীৰ কথা পুনৰ উল্লেখ কৰি কয় যে উৎপাদন, খাদ্য প্ৰক্ৰিয়াকৰণ, প্ৰযুক্তি, উদ্ভাৱন আৰু ডিজিটেল প্ৰযুক্তি-এই সাতটা মূল ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। উৎপাদনৰ ক্ষেত্ৰত খৰচ, গুণগত মান আৰু পৰিসৰৰ ওপৰত বিশেষ গুৰুত্ব দি তেওঁ কয়, "গুণগত মানৰ ক্ষেত্ৰত কোনো আপোচ নহ'ব, এইটোৱেই হ'ব আমাৰ ব্ৰেণ্ড মূল্য।" ৰ'ব'টিক্স, কোৱাণ্টাম প্ৰযুক্তি, মহাকাশ আৰু ডাটা চেণ্টাৰৰ যুগত উদ্ভাৱনৰ বিশ্বব্যাপী কেন্দ্ৰ হোৱাৰ লক্ষ্য লৈছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। UPI আৰু ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ সফলতাৰ পিছত এতিয়া পৰৱৰ্তী প্ৰজন্মৰ যোগাযোগ প্ৰযুক্তিলৈ আগবাঢ়িবলৈ তেওঁ আহ্বান জনায়। ভাষণৰ শেষ অংশত প্ৰধানমন্ত্ৰী মোদীয়ে যুৱশক্তিক উদ্দেশ্যি কয়, "যেতিয়া মই উন্নত ভাৰতৰ কথা কওঁ, তেতিয়া ইয়াৰ সৰ্বাধিক লাভৱান হ'ব দেশৰ যুৱক-যুৱতীসকল, আৰু তেওঁলোকেই ইয়াক বাস্তৱত পৰিণত কৰিব। সেয়েহে উন্নত ভাৰতৰ লক্ষ্যক আমি যুৱ প্ৰজন্মৰ সৈতে সংযুক্ত কৰি আগুৱাই নিব লাগিব।" তেওঁ লগতে ৫ৰ পৰা ১৫ বছৰ বয়সৰ শিশুসকলৰ বাবে দেশজোৰা ক্ৰীড়া প্ৰতিভা সন্ধান অভিযান আৰম্ভ কৰাৰ কথাও ঘোষণা কৰে। এই ভাষণে স্বাধীনতা দিৱসৰ দিনটোত যুৱশক্তি, প্ৰযুক্তি আৰু দেশৰ ভৱিষ্যত গঢ়াৰ প্ৰতি এক সুস্পষ্ট ৰূপৰেখা প্ৰদান কৰিছে বুলি ৰাজনৈতিক আৰু শিক্ষাবিদ মহলত আলোচনা চলিছে।

## অলিম্পিক আয়োজনৰ দৌৰত

তেওঁ গুৰুত্ব আৰোপ কৰি কয় যে ক্ৰীড়া চিকিৎসা, পুষ্টি আৰু বৈজ্ঞানিক প্ৰশিক্ষণৰ ক্ষেত্ৰতো উন্নয়ন ঘটিছে, যাৰ ফলত দেশৰ ক্ৰীড়া পৰিৱেশটো আজি আগতকৈ বহুগুণে শক্তিশালী হৈ উঠিছে। অলিম্পিকৰ প্ৰস্তুতি সম্পৰ্কে প্ৰধানমন্ত্ৰীয়ে এক গুৰুত্বপূৰ্ণ পৰিসংখ্যা দাঙি ধৰে। তেওঁ কয় যে অলিম্পিকত মুঠ প্ৰায় ৪০টা ক্ৰীড়া শাখা আৰু ৩৫০টাতকৈও অধিক ইভেণ্ট থাকে, কিন্তু দুখজনক যে ভাৰতীয় খেলুৱৈসমূহ ইয়াৰ অন্তত দুই-তৃতীয়াংশ ইভেণ্টতে যোগ্যতা অৰ্জন কৰিবলৈও সক্ষম নহৈছে। এই অৱস্থা সলনি কৰিবলৈ চৰকাৰে এতিয়া এক অভূতপূৰ্ব পদক্ষেপ লৈছে-দেশজুৰি ৫ৰ পৰা ১৫ বছৰ বয়সৰ মাজৰ সম্ভাৱনাময় শিশুসকলক বিচাৰি উলিয়াবলৈ এক বৃহৎ প্ৰতিভা সন্ধান অভিযান আৰম্ভ কৰা হৈছে। এই অভিযানে দেশৰ প্ৰতিটো গাঁও আৰু চহৰকে সামৰি ল'ব, যাতে সুদূৰ প্ৰান্তৰ প্ৰতিভাকো চিনাক্ত কৰি বিশ্বমানৰ প্ৰশিক্ষণ প্ৰদান কৰিব পৰা যায়। প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণত দৃঢ়তাপূৰ্ণ স্বৰেৰে কয়- "২০৩৬ চনৰ অলিম্পিকত আমি কমেও তিনি-চাৰিটা ইভেণ্টত শক্তিশালী উপস্থিতি নিশ্চিত কৰিম। তাৰ বাবে আজিৰ পৰাই আৰম্ভ কৰিছো এই প্ৰতিভাৰ সন্ধান।" তেওঁ পুনৰ উল্লেখ কৰে যে ভাৰত অলিম্পিক আয়োজনৰ দৌৰতো সক্ৰিয়ভাৱে অংশ লৈ আছে আৰু এই লক্ষ্যত উপনীত হোৱাৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু কূটনৈতিক প্ৰস্তুতি চলাই আছে। উল্লেখযোগ্য যে ২০৩০ চনত কমনৱেলথ গেমছ আয়োজনৰ পূৰ্বে ভাৰতে নিজৰ ক্ৰীড়া পৰিকাঠামো আৰু আয়োজক সক্ষমতা প্ৰদৰ্শন কৰিবলৈ সুযোগ পাব, যি ২০৩৬ অলিম্পিকৰ বাবে এক অনুশীলনী হিচাপে কাম কৰিব। প্ৰধানমন্ত্ৰীৰ এই ঘোষণাই ক্ৰীড়া মহলত নতুন উদ্যম সঞ্চাৰ কৰিছে। অলিম্পিক আয়োজনৰ সম্ভাৱনাই অৰ্থনীতি, পৰ্যটন আৰু দেশৰ আন্তৰ্জাতিক প্ৰতিমূৰ্তিৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। অনুষ্ঠানৰ সামৰণিত প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আহ্বান জনাই কয় যে ক্ৰীড়া কেৱল পদকৰ বাবেই নহয়, জাতিৰ শাৰীৰিক আৰু মানসিক সক্ষমতা বিকাশৰ বাবেও অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁ যুৱপ্ৰজন্মক সক্ৰিয়ভাৱে ক্ৰীড়াত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে আৰু আশা প্ৰকাশ কৰে যে অহা দশকত ভাৰতে বিশ্ব ক্ৰীড়া মহলত এক অনন্য উচ্চতা স্পৰ্শ কৰিব।

## মহানগৰীৰ শ্ৰদ্ধাঞ্জলি কাননত

বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ এক স্পষ্ট পথপঞ্জী উপস্থাপন কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা পঁ বছৰত ৰাজ্যৰ অৰ্থনীতি ক্ষিপ্ৰ গতিত বৃদ্ধি পাইছে। অসমৰ ঐতিহ্যমণ্ডিত চাহ উদ্যোগ আৰু প্ৰাকৃতিক সম্পদৰ সমান্তৰালকৈ উদ্যোগিক খণ্ডত অসমে এক নতুন ইতিহাস ৰচনা কৰিবলৈ সাজু হৈছে। অহা নৱেম্বৰ মাহৰ পৰাই ৰাজ্যত অৱস্থিত ছেমিকণ্ডাক্টৰ প্লাণ্টৰ পৰা চিপছ নিৰ্মাণ আৰু উৎপাদন আৰম্ভ হ'ব, যাৰ ফলত বিশ্বৰ উদ্যোগ মানচিত্ৰত অসমে এক অনন্য আৰু নতুন মাত্ৰা লাভ কৰিব। এসময়ত অসমে আন ৰাজ্যৰ উন্নয়নৰ আৰ্হি অনুসৰণ কৰিবলগীয়া হৈছিল যদিও এতিয়া হাজাৰ প্ৰত্যাহ্বান নেওচি ৰাজ্যখনে নিজা 'উন্নয়নৰ অসম মডেল' গঢ়ি তুলিছে বুলি গৌৰৱেৰে উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। ঐতিহাসিক প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে চাওলুং চ্যুকাফাৰ নীতি আজিও অসমৰ পৰিচয়ৰ অংগ। ২০২৮ চনত ব্ৰহ্মপুত্ৰ উপত্যকালৈ চ্যুকাফাৰ অহাৰ ৮০০ বছৰ পূৰ্ণ হ'ব, আৰু এই ঐতিহাসিক ক্ষণ ৰাজ্য চৰকাৰে অভূতপূৰ্ব আয়োজনেৰে উদযাপন কৰিব। বিশ্ববাসীৰ আগত চ্যুকাফাক তুলি ধৰাৰ চেষ্টা কৰা হ'ব বুলিও তেওঁ স্পষ্ট কৰে। প্ৰশাসনিক সংস্কাৰৰ অংশ হিচাপে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে অসমত আঠখন নতুন সমজিলা গঠন কৰা হ'ব। সমজিলাকেইখন হ'ল — কমলপুৰ, ৰঙানদী, চাবুৱা লাহোৱাল, খুমটাই, বৰখলা, চিচিবৰ গাঁও আৰু বঢ়মপুৰ। লগতে স্বাস্থ্যক্ষেত্ৰলৈ অগ্ৰাধিকাৰ দি মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে যে ১৮ বছৰ অনুৰ্দ্ধ শিশুৰ চিকিৎসা সম্পূৰ্ণ বিনামূলীয়া কৰা হ'ব। ইয়াৰ উপৰিও ৫০টাতকৈ অধিক জটিল ৰোগ চিনাক্ত কৰি সেইবোৰৰ চিকিৎসাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই ভাষণৰ মাজতে মুখ্যমন্ত্ৰীয়ে চতিয়া থানাৰ ঐতিহাসিক প্ৰসংগও উল্লেখ কৰি কয় যে ১৯৪২ চনৰ ২০ আগষ্টত বৃটিছৰ ইউনিয়ন জেক নমাই চতিয়া থানাত প্ৰথমবাৰৰ বাবে জাতীয় পতাকা উত্তোলন কৰা হৈছিল, যিটো ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। চতিয়া থানাক পৰ্যটনস্থলী হিচাপে বিকশিত কৰাৰ প্ৰতিশ্ৰুতিও তেওঁ পুনৰ ব্যক্ত কৰে। ইপিনে, শোণিতপুৰ জিলাৰ নদুৱাৰতো ৮০ সংখ্যক স্বাধীনতা দিৱস উলহ-মালহেৰে পালন কৰা হয়। নদুৱাৰ সমজিলাৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। তেওঁ ভাষণত চতিয়া থানাত প্ৰথমবাৰ ত্ৰিৰংগা উত্তোলনৰ গৌৰৱময় ইতিহাস সোঁৱৰাই স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে মুখ্যমন্ত্ৰীয়ে চতিয়া থানাৰ ঐতিহাসিক গুৰুত্ব স্বীকৃতি দিয়া বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক নদুৱাৰবাসীৰ হৈ ধন্যবাদ জ্ঞাপন কৰে। স্বাধীনতা দিৱসৰ এই বিশেষ কাৰ্যসূচীসমূহে অসমৰ অতীত গৌৰৱ, বৰ্তমানৰ বিকাশ আৰু ভৱিষ্যতৰ সংকল্প একেলগে প্ৰতিফলিত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভাষণে ৰাজ্যবাসীক নতুন আশা আৰু উদ্যম দিছে, বিশেষকৈ ছেমিকণ্ডাক্টৰ উৎপাদন, নতুন সমজিলা, শিশু চিকিৎসাৰ বিনামূলীয়া ব্যৱস্থা আৰু প্ৰশাসনিক সুশাসনৰ দিশবোৰে আগন্তুক দিনত অসমৰ মুখামুখি সলনি কৰিব বুলি আশা কৰা হৈছে।

## জিএমচিএইচত প্ৰবীণ নেতা হেমেন

তেওঁৰ দ্ৰুত আৰোগ্য কামনা কৰে। পাছত সামাজিক মাধ্যম এক্সত পোষ্ট কৰি মুখ্যমন্ত্ৰীয়ে জনায় যে হেমেন দাস দ্ৰুতগতিত সুস্থ হৈ উঠিছে, যাৰ বাবে তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে পোষ্টটোত উল্লেখ কৰে যে হেমেন দাস কমিউনিষ্ট পাৰ্টিৰ আজীৱন সদস্য আৰু ১৯৭৮ চনত প্ৰথমবাৰৰ বাবে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। মতাদৰ্শগত ভিন্নতা থকা সত্ত্বেও, কৃষক সমাজৰ সমস্যা আৰু পিছপৰা শ্ৰেণীৰ কল্যাণৰ প্ৰতি হেমেন দাসৰ আজীৱন নিষ্ঠা আৰু সংগ্ৰামক মুখ্যমন্ত্ৰীয়ে সদায় সন্মান কৰি অহা বুলি স্পষ্টভাৱে উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ পোষ্টত লগতে কয় যে ৰাজনৈতিক আদৰ্শ যিয়েই নহওক, সমাজৰ প্ৰান্তিক শ্ৰেণীৰ কল্যাণৰ বাবে প্ৰবীণ নেতাগৰাকীয়ে কৰা অৱদান অপৰিসীম। তেওঁ হেমেন দাসৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি আশা ব্যক্ত কৰে যে সোনকালেই তেওঁ সম্পূৰ্ণ সুস্থ হৈ উঠিব।

## পেণ্ডিং ফাইল নিষ্পত্তিৰ বাবে

কৰিবলৈ ৰাজ্যৰ মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবসকলক লৈ বিশেষ মিছন গঠন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অহা ২ অক্টোবৰ, গান্ধী জয়ন্তীৰ পৰা এই মিছন কাৰ্যক্ষম হ'ব আৰু সেইদিনাৰ পৰা 'মিছন মুড'ত কাৰ্যালয়সমূহত পেণ্ডিং হৈ থকা প্ৰতিটো ফাইল নিষ্পত্তিৰ কাম সম্পূৰ্ণ কৰা হ'ব। লগতে মুখ্যমন্ত্ৰীয়ে চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক মুকলিকৈ সকিয়নী প্ৰদান কৰে। তেওঁ কয়, "মই আকৌ সকীয়াই দিছোঁ — ৰাইজৰ আৰু ধৈৰ্য্য পৰীক্ষা নল'ব। এই ডিজিটেল যুগত ৰাইজে পলম বা চৰকাৰী খেলিমেলি সহ্য কৰি নাথাকে। যিসকল বিষয়া-কৰ্মচাৰীয়ে ৰাইজৰ কাম সময়মতে সম্পূৰ্ণ নকৰে বা ইচ্ছাকৃতভাৱে ফাইল পলম কৰে, তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।" তেওঁ পুনৰ্বাৰ চৰকাৰী কৰ্মচাৰীসকল ৰাইজৰ বাবে সম্পূৰ্ণৰূপে উৎসৰ্গিত হ'ব লাগে বুলি আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ডিজিটেল প্ৰশাসন আৰু নাগৰিককেন্দ্ৰিক সেৱাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে প্ৰশাসন স্বচ্ছ, কাৰ্যক্ষম আৰু জনসাধাৰণৰ প্ৰতি জবাবদিহি হ'ব লাগে। ডিজিটেল মাধ্যমৰ সহায়ত ৰাইজে এতিয়া নিজৰ অভিযোগ আৰু প্ৰয়োজনীয়তা সহজে প্ৰকাশ কৰিব পাৰে, সেয়ে চৰকাৰী সেৱা প্ৰদানৰ পদ্ধতিতো গুণগত পৰিৱৰ্তন অনিবাৰ্য বুলি তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে 'মিছন সম্ভাৱনা' আৰু 'প্ৰজেক্ট সম্ভাৱনা'ৰ জৰিয়তে ৰাজ্য চৰকাৰে প্ৰশাসনিক প্ৰক্ৰিয়াক সহজ, দ্ৰুত আৰু নিৰপেক্ষ কৰি তুলিবলৈ লক্ষ্য ৰাখিছে। অহা অক্টোবৰ মাহৰ পৰা এই উদ্যোগ কাৰ্যকৰী হোৱাৰ লগে লগে ৰাইজে চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া অমীমাংসিত সমস্যাৰ পৰা ৰাহি পাব বুলি আশা কৰা হৈছে। স্বাধীনতা দিৱসৰ এই বিশেষ কাৰ্যসূচীত মুখ্যমন্ত্ৰীগৰাকীৰ ঘোষণাই ৰাজ্যবাসীৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে। ডিজিটেল যুগৰ লগত সংগতি ৰাখি প্ৰশাসনিক সংস্কাৰৰ এই উদ্যোগে অসমৰ শাসন ব্যৱস্থাত এক নতুন দিশ দিব বুলি ৰাজনৈতিক আৰু প্ৰশাসনিক মহলত আলোচনা চলিছে। আগন্তুক ২ অক্টোবৰৰ পৰা এই মিছন আৰম্ভ হ'ব, যাৰ কাৰ্যকৰীকৰণ আৰু ফলাফলৰ প্ৰতি সকলোৱে দৃষ্টি ৰ'ব বুলি ধাৰণা কৰা হৈছে।

## আৰক্ষীৰ জালত মুখ্যমন্ত্ৰী ড° হিমন্ত

সময়ত স্পষ্টকৈ হত্যাৰ প্ৰস্তাৱ আগবঢ়ায়। ঘটনাটোৰ সূত্ৰপাত হয় যেতিয়া মুখ্যমন্ত্ৰী ড০ শৰ্মাই ত্ৰিৰংগা উত্তোলন কৰি ৰাইজক উদ্দেশ্যি ভাষণ দি আছিল। সেইসময়তে ফেচবুকত থকা লাইভ ভিডিঅ'ৰ কমেণ্ট ছেকচনত আব্দুল মুতালেবে এক আতংকজনক বাৰ্তা পোষ্ট কৰে। তেওঁ লিখে- "Who will give me one crore I will kill Assam CM himanta biswa sarma ... who can give me contact me 99543904400 Pakistan jindabad পাকিস্তান জিন্দাবাদ ভাৰত মুৰ্দাবাদ পাকিস্তান জিন্দাবাদ ভাৰত মুৰ্দাবাদ।" এই পোষ্টটোৱে তৎক্ষণাৎ অসম আৰক্ষীৰ দৃষ্টি আকৰ্ষণ কৰে। ৰাজ্যৰ মুৰব্বী আৰক্ষী বিষয়া ডিজিপি হৰমীত সিঙে ঘটনাটো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি সোনকালে উপযুক্ত ব্যৱস্থা লোৱাৰ আশ্বাস দিয়ে। তেওঁৰ এই ঘোষণাৰ কিছু সময়ৰ ভিতৰতে মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষী চকীয়ে অভিযুক্ত আব্দুল মুতালেবক আটক কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, ইয়াৰ আগতেও ফেচবুকৰ দৰে সামাজিক মাধ্যমত 'পাকিস্তান জিন্দাবাদ' বা 'ভাৰত মুৰ্দাবাদ' ধৰণৰ মন্তব্য কৰি বহুতো ব্যক্তি আৰক্ষীৰ কবলত পৰিছে। কিন্তু এইবাৰ ভাবুকি আছিল প্ৰত্যক্ষভাৱে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰাণৰ ওপৰত, যাৰ বাবে আৰক্ষীয়ে অতি সতৰ্কতা আৰু দ্ৰুতগতিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰে। এতিয়াও এই ঘটনাৰ আঁৰত কোনো সংগঠন বা বিদেশী সম্পৰ্ক জড়িত হৈ আছে নেকি, সেই সন্দৰ্ভত অনুসন্ধান অব্যাহত আছে। আৰক্ষী সূত্ৰে জনাইছে যে অভিযুক্তক অধিক প্ৰশ্ন কৰি তেওঁৰ মোবাইল ফোন, ফেচবুক একাউণ্ট আৰু আন আন ডিজিটেল চিহ্নবোৰ পৰীক্ষা কৰা হ'ব। ইফালে, মুখ্যমন্ত্ৰী ডক্স শৰ্মাই স্বাধীনতা দিৱসৰ কাৰ্যসূচী শান্তিপূৰ্ণভাৱে সমাপ্ত কৰে আৰু পৰৱৰ্তী সময়ত এই ভাবুকিক লৈ কোনো আনুষ্ঠানিক মন্তব্য নকৰিলেও, তেওঁৰ নিৰাপত্তা ব্যৱস্থা ইতিমধ্যে কঠোৰ কৰি তোলা হৈছে বুলি সূত্ৰই নিশ্চিত কৰিছে। উল্লেখ্য, আব্দুল মুতালেবৰ এনে অপকৰ্মে ৰাজ্যবাসীৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিলেও, আৰক্ষীৰ দ্ৰুত কাৰ্যই জনসাধাৰণৰ মনত আশ্বাস যোগাইছে। আগন্তুক দিনত এই গোচৰটোৰ বিষয়ে অধিক বিৱৰণ পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

## অৰুণাচলত বান-ভূমিস্খলন

দুটা শিবিৰ উটুৱাই নিয়ে। ঘটনাস্থলীত মুঠ সাতজন সেনা জোৱান বানৰ পানীত আবদ্ধ হয়; তাৰে দুজনক উদ্ধাৰ কৰিব পৰা গৈছে, কিন্তু বাকী পাঁচজন এতিয়াও সন্ধানহীন। সন্ধানহীনসকল হৈছে — হাবিলদাৰ উপেন্দৰ, কুণ্ডন, বিনোদ, আদিত্য আৰু ছামুণ্ডা। ইফালে, আপাৰ সোৱণশিৰি জিলাৰ কেওজাৰিং-বিয়াচিং পথৰ কাষত পথ নিৰ্মাণৰ বাবে পাহাৰ কটাৰ সময়ত ঘটে ভয়ংকৰ ভূমিসঞ্জখলন। ইয়াত কেইবাজনো শ্ৰমিক মাটিৰ তলত আবদ্ধ হৈ পৰে। ভূমিস্খলনত প্ৰাণ হেৰুওৱাসকল হৈছে — টাড়ু বাকি, তাজি ৰাই, মাৰ্কোছ বসুমতাৰী আৰু বাবুল আলী। বাবুল আলীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। আন এজন সন্ধানহীন সোণাৰ বসুমতাৰীক উদ্ধাৰ কৰি ইটানগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। দুৰ্ঘটনাৰ পিছত অতি দুৰ্গম পাহাৰীয়া অঞ্চল, কঠিন ভূ-প্ৰকৃতি আৰু অব্যাহত বতৰৰ মাজত বহু সংস্থাৰ সহযোগত বৃহৎ পৰিসৰৰ উদ্ধাৰ অভিযান আৰম্ভ কৰা হৈছে। এছডিআৰএফ, এনডিআৰএফ, জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ, সেনা, আইটিবিপি, জিআৰইএফ, অৰুণাচল প্ৰদেশ আৰক্ষী আৰু স্থানীয় লোকসকলে উদ্ধাৰ কাৰ্যত অংশ লৈছে। পাছিঘাটৰ পৰা ১০ জনীয়া এছডিআৰএফৰ এটা বিশেষ দলেও অভিযানত যোগ দিছে। নাচো থানাৰ আৰক্ষীয়ে অনুসন্ধান চলাই থকাৰ লগতে দাপৰিজোৰ পৰা অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱাৰ দল মোতায়েন কৰা হৈছে। ভূমিস্খলনৰ ধ্বংসাৱশেষ আঁতৰাই আবদ্ধ লোকসকলক উদ্ধাৰৰ বাবে সোণাৰ বসুমতাৰীক ইতিমধ্যে উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। অৰুণাচল প্ৰদেশৰ দুৰ্গম পাহাৰীয়া অঞ্চলত ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা এই ঘটনাই ৰাজ্যখনত আকস্মিক বান আৰু ভূমিস্খলনৰ সম্ভাব্য ভয়াৱহ বিপদ পুনৰ স্পষ্ট কৰি তুলিছে। অতি কম সময়ৰ ভিতৰতে জুৰি-নিজৰাই ওফন্দি উঠি সেনা শিবিৰ আৰু আন্তঃগাঁথনি ধ্বংস কৰিব পাৰে বুলি আশংকা কৰা হৈছে। ক্ষতিগ্ৰস্ত অঞ্চলবোৰত উদ্ধাৰ আৰু পুনৰ্বাসন কাৰ্য জাৰি আছে। সন্ধানহীন সেনা জোৱানসকলক বিচাৰি উদ্ধাৰ অভিযান অব্যাহত থকাৰ লগতে মৃতকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে প্ৰশাসনে। আগন্তুক দিনত বতৰৰ অৱস্থা উন্নত হ'লে উদ্ধাৰ কাৰ্য অধিক গতি লাভ কৰিব বুলি আশা কৰা হৈছে।

## হৰমুজ প্ৰণালী আমেৰিকাৰ ভূখণ্ড

ইৰাণৰ আছিল, বৰ্তমানো আছে আৰু ভৱিষ্যতেও ইৰাণৰেই হৈ থাকিব। নিউয়ৰ্কত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত ভাষণ দি ট্ৰাম্পে কয়, "ইৰাণক পৰাস্ত কৰাৰ কাম শেষ হোৱাৰ পিছতেই মই অতি সোনকালে হৰমুজ প্ৰণালীক আমেৰিকাৰ ভূখণ্ড হিচাপে ঘোষণা কৰিম।" তেওঁ হাঁহি হাঁহি এই মন্তব্য কৰে আৰু দাবী কৰে যে তেওঁৰ কথাখিনি সম্পূৰ্ণ সত্য, যাক বাস্তৱায়িত কৰা হ'ব। ট্ৰাম্পৰ এই মন্তব্যৰ প্ৰত্যুত্তৰত ইৰাণৰ উপ-বৈদেশিক মন্ত্ৰী কাজেৰ ঘৰিবাবদিয়ে ছ'চিয়েল মিডিয়া 'এক্স' শচদ্ধগ্নত পোষ্ট কৰি কয়, "এখন টুইট, এখন যুদ্ধজাহাজ বা নিৰ্বাচনী ভাষণৰ জৰিয়তে হৰমুজ প্ৰণালী কেতিয়াও দখল কৰিব নোৱাৰি।" তেওঁ মাৰ্কিন প্ৰশাসনক বাস্তৱিক পৰাজয় স্বীকাৰ কৰিবলৈ আৰু অমূলক বিভ্ৰান্তিৰ পৰা আঁতৰি থাকিবলৈ সকীয়াই দিয়ে। উল্লেখ্য যে বিশ্বৰ বৃহৎ পৰিমাণৰ শক্তি সৰবৰাহ হোৱা এই প্ৰণালীটোক লৈ পূৰ্বেও ট্ৰাম্পে আমেৰিকাৰ "সম্পূৰ্ণ নিয়ন্ত্ৰণ" থকা বুলি দাবী কৰিছিল আৰু ইৰাণৰ বিৰুদ্ধে চলোৱা মাৰ্কিন নৌসেনাৰ অৱৰোধক "তীখাৰ দেৱাল" বুলি অভিহিত কৰিছিল। অৱশ্যে ইৰাণৰ সামৰিক বাহিনীয়ে ট্ৰাম্পৰ এই দাবীসমূহক মিছা বুলি নাকচ কৰি জলপথটো সম্পূৰ্ণ তেওঁলোকৰ নিয়ন্ত্ৰণত থকা বুলি প্ৰকাশ কৰি আহিছে।

## প্ৰথম পত্নীক আইনী বিবাহ বিচ্ছেদ

তেওঁ কয় যে চৰকাৰৰ লক্ষ্য হৈছে এনে এখন অসম গঢ়ি তোলা, য'ত যুৱক-যুৱতীসকলে নিজৰ প্ৰতিভা বিকাশৰ বাবে ৰাজ্য এৰি যাবলগীয়া নহয় আৰু বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকে সুযোগৰ সন্ধানত ৰাজ্যখনলৈ আহে। শৰ্মাই বিগত কেইটামান মাহত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ কথাও উল্লেখ কৰে, য'ত বিধায়ক এলেকা উন্নয়ন পুঁজি বৃদ্ধি কৰা, গুৱাহাটী বিমানবন্দৰৰ কাষত এটা নতুন উপগ্ৰহ চহৰ (চেটেলাইট চিটি) নিৰ্মাণৰ পৰিকল্পনা আগুৱাই নিয়া আৰু অসম আৰক্ষীৰ জৰুৰীকালীন সেৱা ১১২ ক ২৪ ঘণ্টীয়া বাহনেৰে আধুনিকীকৰণ কৰাৰ বিষয় অন্তৰ্ভুক্ত আছে। সামাজিক ন্যায় আৰু মহিলাৰ সুৰক্ষাৰ সন্দৰ্ভত শৰ্মাই আইনী বিবাহ বিচ্ছেদ নোহোৱাকৈ চৰকাৰী কৰ্মচাৰীৰ দ্বাৰা পৰিত্যক্ত হোৱা মহিলাসকলক সহায় কৰাৰ বাবে এক প্ৰস্তাৱিত ব্যৱস্থাৰ কথা ঘোষণা কৰে। তেওঁ কয় যে যদি কোনো চৰকাৰী কৰ্মচাৰীয়ে প্ৰথম পত্নীক আইনীভাৱে বিবাহ বিচ্ছেদ নকৰাকৈ এৰি দিয়ে আৰু আন এগৰাকী মহিলাৰ সৈতে অনানুষ্ঠানিক বিবাহত লিপ্ত হয়, তেন্তে চৰকাৰত আবেদন দাখিল কৰিলে তেওঁৰ দৰমহাৰ ২০ শতাংশ কৰ্তন কৰা হ'ব আৰু পোনপটীয়াকৈ প্ৰথম পত্নীৰ বেংক একাউণ্টত জমা কৰা হ'ব, যাতে তেওঁ মৰ্যাদাপূৰ্ণভাৱে জীয়াই থাকিব পাৰে।মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে ব্যক্তিগত খণ্ডৰ কৰ্মচাৰীৰ দ্বাৰা পৰিত্যক্ত মহিলাসকলকো একেধৰণৰ সুৰক্ষা প্ৰদান কৰাৰ বাবে আইন প্ৰণয়নৰ প্ৰস্তাৱ আগবঢ়াইছে। শিশু বিবাহৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শৰ্মাই কয় যে এই প্ৰথাই শিশুসকলক তেওঁলোকৰ শৈশৱ, শিক্ষা আৰু সুযোগৰ পৰা বঞ্চিত কৰে। অসমৰ পুত্ৰ-কন্যাৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ শিশু বিবাহৰ বিৰুদ্ধে অভিযান অধিক দৃঢ়তাৰে চলাই যাব লাগিব বুলি তেওঁ জোৰ দি কয়।

## ইণ্ডোনেছিয়াত প্ৰবল ভূমিকম্পত

লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে, আৰু ক্ষতিগ্ৰস্তৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি প্ৰশাসনে সতৰ্ক কৰি দিছে। বহু ওখ অট্টালিকা ভাঙি পৰাৰ ফলত আতংকিত পৰিৱেশৰ সৃষ্টি হয়। ইণ্ডোনেছিয়াৰ বতৰ বিজ্ঞান সংস্থাই সোনকালে ছুনামীৰ সতৰ্কবাণী জাৰি কৰি উপকূলীয় বাসিন্দাসকলক উচ্চভূমিলৈ স্থানান্তৰিত হ'বলৈ আহ্বান জনায়। সংস্থাটোৰ সমুদ্ৰপৃষ্ঠ নিৰীক্ষণ কেন্দ্ৰসমূহে মাংগাৰাই আৰু পূব মাংগাৰাই ৰিজেন্সিৰ উপকূলীয় গাঁওসমূহত সৰু সৰু ছুনামী ঢৌ চিনাক্ত কৰে। মূল ভূমিকম্পৰ পিছত বতৰ বিজ্ঞান সংস্থাই কমেও চৃপ্তটা সৰু-বৰ আফটাৰশক শচপৰৱৰ্তী কম্পনগ্ন ৰেকৰ্ড কৰে, যাৰ ভিতৰত আছিল ৬.২ মাত্ৰাৰ প্ৰবল কম্পনও। ইণ্ডোনেছিয়াৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে যে এই ভূমিকম্পৰ ফলত উপকূলীয় অঞ্চলসমূহত যথেষ্ট ক্ষয়-ক্ষতি হৈছে, আৰু উদ্ধাৰ আৰু ত্ৰাণ কাৰ্য চলি আছে। উল্লেখযোগ্য যে, শনিবাৰে বিয়লি পশ্চিম ইণ্ডোনেছিয়াৰ উত্তৰ সুমাত্ৰা প্ৰদান্ততো ৬.৯ ৰিখটাৰ স্কেল প্ৰাবল্যৰ আন এক প্ৰবল ভূমিকম্প অনুভূত হয়। কিন্তু ই পৃথিৱীৰ তলৰ পৰা ১৭২.৫ কিলোমিটাৰ (১০৭ মাইল দূৰত সংঘটিত হোৱাত ই অতি গভীৰ আছিল, যাৰ বাবে তেনেই কম ক্ষতি বা লোকচান হোৱাৰ সম্ভাৱনা বুলি কৰ্তৃপক্ষই জানিবলৈ দিয়ে। ইণ্ডোনেছিয়া প্ৰশান্ত মহাসাগৰীয় 'ৰিং অৱ ফায়াৰ' অঞ্চলত অৱস্থিত, যাৰ বাবে ইয়াত সঘনাই ভূমিকম্প আৰু আগ্নেয়গিৰিৰ উদ্‌গতি ঘটে। এইবাৰৰ ৭.৭ মাত্ৰাৰ ভূমিকম্পই ৰাজ্যখনৰ কেইবাখনো প্ৰদেশত গভীৰ প্ৰভাৱ পেলাইছে। প্ৰশাসনে মৃতকৰ পৰিয়ালবোৰলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ক্ষতিগ্ৰস্ত অঞ্চলবোৰত উদ্ধাৰ আৰু পুনৰ্বাসন কাৰ্য দ্ৰুতগতিত আগবঢ়োৱাৰ কথা প্ৰতিশ্ৰুতি দিছে।

## বন্দে মাতৰম বিতৰ্ক ঃ কেৰলৰ প্ৰথম

তেওঁ মত পোষণ কৰে। গোবিন্দনে সাংবাদিকৰ সৈতে হোৱা আলোচনাত কয় যে তেওঁলোকৰ দলটোৰ স্থিতি এয়ে যে বন্দে মাতৰমৰ প্ৰথম দুটা স্তৱকৰ বাহিৰে বাকী অংশ ধৰ্মনিৰপেক্ষতাৰ পৰিপন্থী। তেওঁ দৃঢ়তাৰে কয়, "এইটো ধৰ্মনিৰপেক্ষতাৰ স্বাৰ্থত কোৱা হৈছে। আমি সেই দাবী এতিয়াও দৃঢ় ৰাখিছো।" উল্লেখ্য যে থিৰুৱনন্তপুৰমত আয়োজিত কেন্দ্ৰীয় স্বাধীনতা দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ভি ডি সতীশনে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিলেও, চৰকাৰী অনুষ্ঠানটোত বন্দে মাতৰম পৰিৱেশন কৰা নহ'ল। এই পৰিপ্ৰেক্ষিতত গোবিন্দনেৰ মন্তব্যই নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। তেওঁ ভাষণত স্বাধীনতাৰ সংগ্ৰাম আৰু ত্যাগৰ গুৰুত্ব সোঁৱৰাই কয় যে স্বাধীনতা ৰক্ষা কৰাই বৰ্তমান প্ৰজন্মৰ প্ৰধান দায়িত্ব। তেওঁ কটাক্ষ কৰি কয় যে যিসকল লোকে কেতিয়াও স্বাধীনতা আন্দোলনত অংশ নলৈছিল, বৰঞ্চ ব্ৰিটিছ শাসনৰ সমৰ্থন কৰিছিল, তেওঁলোকেই এতিয়া ঔপনিৱেশিকবিৰোধী সংগ্ৰামক প্ৰতাৰণা কৰি আছে। তেওঁ স্পষ্টকৈ সংঘ পৰিবাৰক লক্ষ্য কৰি কয় যে বৰ্তমান কেন্দ্ৰীয় চৰকাৰ চলাই থকা গোটসমূহে ভাৰতৰ প্ৰকৃত গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ মূল্যবোধক নষ্ট কৰিবলৈ প্ৰচেষ্টা চলাই আছে। গোবিন্দনে অভিযোগ উত্থাপন কৰে যে যিসকল শক্তিয়ে কেতিয়াও স্বাধীনতা সংগ্ৰামৰ সৈতে জড়িত নাছিল আৰু ব্ৰিটিছৰ পক্ষতে আছিল, তেওঁলোক এতিয়া গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা আৰু সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত আক্ৰমণ চলাইছে। তেওঁ কয়, "এই আক্ৰমণৰ তীব্ৰ বিৰোধিতা কৰিলেহে আমি গণতন্ত্ৰক সুৰক্ষিত ৰাখি আগুৱাব পাৰিম।" সমাজৰ সকলো শ্ৰেণীৰ মাজত ঐক্যবদ্ধতাৰ আহ্বান জনাই তেওঁ স্বাধীনতা দিৱসৰ শুভেচ্ছাও আগবঢ়ায়। অৱশ্যে তেওঁৰ এই মন্তব্যই সামাজিক মাধ্যম আৰু ৰাজনৈতিক মহলত তীব্ৰ আলোড়ন সৃষ্টি কৰিছে। বিজেপি নেতাসকলে ইতিমধ্যে ইয়াৰ তীব্ৰ সমালোচনা কৰিবলৈ আৰম্ভ কৰিছে, আনহাতে বামফ্ৰণ্টৰ সমৰ্থকসকলে গোবিন্দনৰ স্থিতিক সমৰ্থন জনাইছে। শেহতীয়াকৈ সংসদে বন্দে মাতৰমকজন গণ মনৰ সমপৰ্যায়ৰ মৰ্যাদা প্ৰদান কৰা আইন গৃহীত কৰাৰ পাছতে এই বিতৰ্কই নতুন ৰূপ লৈছে। স্বাধীনতা দিৱসৰ দিনটোতে বন্দে মাতৰমৰ স্তৱক সম্পৰ্কীয় এই মতে আগন্তুক দিনত ৰাজনৈতিক বিতৰ্ক অধিক তীক্ষ্ণ কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## স্বাধীনতা দিৱসৰ লালকিল্লাৰ

অনুপস্থিতিয়ে ৰাজনৈতিক মহলত চৰ্চাৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে বিগত বছৰ শচচঞ্চাচপ্তগ্ন স্বাধীনতা দিৱসতো এই দুয়োগৰাকী নেতা লালকিল্লাৰ কাৰ্যসূচীত উপস্থিত নাছিল। চঞ্চচচ্চ্ছ্র চনত ৰাহুল গান্ধীৰ আসনৰ ব্যৱস্থাই বিতৰ্কৰ সূত্ৰপাত ঘটাইছিল। লোকসভাৰ বিৰোধী দলপতি হিচাপে কেবিনেট মন্ত্ৰীৰ মৰ্যাদা পোৱাৰ পিছতো তেওঁক দ্বিতীয় শেষৰ শাৰীত বহিবলৈ দিয়া হৈছিল, যাক বিৰোধী মহলে কংগ্ৰেছ নেতাগৰাকীক অসন্মান কৰা বুলি অভিযোগ উত্থাপন কৰিছিল। তেতিয়া প্ৰতিৰক্ষা মন্ত্ৰালয়ে স্পষ্টীকৰণ দিছিল যে অলিম্পিয়ানসকলৰ বাবে আসনৰ ব্যৱস্থা কৰাৰ বাবেই গান্ধীৰ আসন স্থানান্তৰ কৰা হৈছিল। কংগ্ৰেছ শীৰ্ষ নেতৃদ্বয়ৰ এইবাৰৰ অনুপস্থিতিয়ে নতুনকৈ বিতৰ্কৰ সৃষ্টি কৰিছে, কাৰণ ৱ আগষ্টত সমাপ্ত হোৱা সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পিছত শাসকীয় বিজেপি আৰু বিৰোধীসকলৰ মাজত ৰাজনৈতিক উত্তেজনা চৰম অৱস্থাত আছে। অধিৱেশনৰ সময়ত কেইবাবাৰো স্থগিত ৰখা কাৰ্যসূচী আৰু অল্প উৎপাদনশীলতাক লৈ দুয়োপক্ষই পৰস্পৰৰ ওপৰত অভিযোগ উত্থাপন কৰিছে। বিজেপি নেতাসকলে অভিযোগ কৰে যে বিৰোধীসকলে মাত্ৰ এখন বিধেয়ক বাদ দি অন্য কোনো সংশোধনী বিধেয়কৰ ওপৰত ফলপ্ৰসূ আলোচনা কৰা নাছিল। ইফালে, অধিৱেশন শেষ হোৱাৰ পাছতো কংগ্ৰেছৰ লগতে সমাজবাদী পাৰ্টী আৰু তৃণমূল কংগ্ৰেছে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আয়োজন কৰা প্ৰথাগত চাহমেল বৰ্জন কৰি দলীয় অসন্তোষ প্ৰকাশ কৰে। ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰে যে লালকিল্লাৰ দৰে ৰাষ্ট্ৰীয় অনুষ্ঠানত বিৰোধী দলপতিৰ অনুপস্থিতিয়ে সংসদীয় শিষ্টাচাৰ আৰু গণতান্ত্ৰিক পৰম্পৰাৰ প্ৰতি নতুন প্ৰশ্ন উত্থাপন কৰিছে। কংগ্ৰেছ দলৰ তৰফৰ পৰা এই অনুপস্থিতি সম্পৰ্কে কোনো আনুষ্ঠানিক ব্যাখ্যা প্ৰদান কৰা হোৱা নাই যদিও, ৰাজনৈতিক সূত্ৰই জানিবলৈ দিয়ে যে বিৰোধী জোটৰ শেহতীয়া কৌশলী বৈঠক আৰু লোকসভাত গৃহীত কেইবাটাও বিধেয়কৰ প্ৰতি অসন্তোষেই এই অনুপস্থিতিৰ কাৰণ হ'ব পাৰে। অহা দিনবোৰত বিৰোধী আৰু শাসকীয় দলৰ মাজত এই অনুপস্থিতিক লৈ নতুন বাক-বিতণ্ডাৰ সৃষ্টি হ'ব পাৰে বুলি ধাৰণা কৰা হৈছে। ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লালকিল্লা ভাষণে যুৱশক্তি, প্ৰযুক্তি আৰু অলিম্পিক আয়োজনৰ দৰে বিষয়ত গুৰুত্ব দিয়াৰ মাজতে কংগ্ৰেছ নেতৃদ্বয়ৰ অনুপস্থিতিয়ে ৰাজনৈতিক আগ্ৰহৰ প্ৰশ্ন তুলি দিছে।

## মোৰ কণ্ঠ কোনেও দমন কৰিব

ৰাঁচীৰ সদৰ চিকিৎসালয়ত চিকিৎসকে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিছে বুলি উদ্বেগ প্ৰকাশ কৰে। তেওঁৰ শৰীৰত ছ'ডিয়ামৰ মাত্ৰা ১২৪ লৈ হ্ৰাস পাইছে আৰু প্ৰস্ৰাৱত কিট'নৰ উপস্থিতি ধৰা পৰিছে, যিয়ে অনাহাৰৰ ইংগিত দিয়ে। মাহাতোৱে ৰপ্ত দিন ধৰি কোনো খাদ্য গ্ৰহণ কৰা নাই, কেৱল পানী খাই আছে। তৰল পদাৰ্থও গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি আহিছে। ইফালে, স্বাধীনতা দিৱসৰ পৱিত্ৰ দিনটোত ত্ৰিৰংগ যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ চিকিৎসালয়ৰ পৰা ওলাই যাবলৈ চেষ্টা কৰোঁতে মাহাতোক আৰক্ষীয়ে বাধা প্ৰদান কৰে বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "আৰক্ষীয়ে মোক বাৰে বাৰে বলপূৰ্বকভাৱে ৰখাই দিয়ে। মই মোৰ কোঠাৰ দুৱাৰৰ বাহিৰতে বহি থাকিম আৰু যেতিয়ালৈকে মোক ওলাই যাবলৈ দিয়া নহয়, তেতিয়ালৈকে চিকিৎসাও গ্ৰহণ নকৰোঁ। মোৰ যুঁজ জনসাধাৰণৰ অধিকাৰ আৰু ন্যায়ৰ বাবে, মোৰ কণ্ঠ কোনেও দমন কৰিব নোৱাৰে।" তেওঁ প্ৰশ্ন উত্থাপন কৰে যে স্বাধীন ভাৰতৰ ৮০ সংখ্যক স্বাধীনতা দিৱসত ১৪ দিন ধৰি অনশন কৰি থকা এজন প্ৰতিবাদকাৰীক কিয় পতাকা উত্তোলন কৰাত বাধা দিয়া হ'ল আৰু ত্ৰিৰংগ যাত্ৰাত যোগদান কৰিবলৈ কিয় বাধা দিয়া হ'ল। এই প্ৰশ্নবোৰৰ উত্তৰ বিধানসভাৰ মাধ্যমত চৰকাৰৰ পৰা বিচৰা হ'ব বুলিও তেওঁ স্পষ্ট কৰে। মাহাতোৰ ভাতৃ ধনেশ্বৰ মাহাতোৱে কয় যে তেওঁ এক অংগীকাৰ লৈ সমগ্ৰ ঝাৰখণ্ডৰ অধিকাৰৰ বাবে যুঁজি আছে। কিন্তু চিকিৎসালয়ৰ কৰ্তৃপক্ষই তেওঁৰ ইচ্ছা পূৰণ কৰিবলৈ অনিচ্ছুক। তেওঁ মাহাতোক আন চিকিৎসালয়লৈ স্থানান্তৰিত কৰিব বিচাৰে যদিও আৰক্ষীয়ে তাকো বাধা দিছে বুলি অভিযোগ কৰে। অন্যহাতে, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনে ৰাজ্যিক পৰ্যায়ৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচীত জনতাক সম্বোধন কৰি আশ্বাস দিয়ে যে চৰকাৰে জেপিএছচি আৰু জেএছএছচিৰ দৰে পৰীক্ষাসমূহত স্বচ্ছতা নিশ্চিত কৰিব। তেওঁ কয়, "ৰাজ্যৰ যুৱক-যুৱতীসকল অতি গুৰুত্বপূৰ্ণ, আৰু তেওঁলোকৰ বিশ্বাসো গুৰুত্বপূৰ্ণ। আমি ব্যৱস্থাটোত পৰিৱৰ্তন আনিছো, স্বচ্ছ পৰীক্ষা নিশ্চিত কৰা হ'ব।" লগতে 'ছাত্ৰো কী বাত — ছাত্ৰো কে সাথ' উদ্যোগৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পৰামৰ্শ লৈ শিক্ষা ব্যৱস্থাৰ উন্নতি কৰিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে। মাহাতোৰ এই আমৰণ অনশনে ঝাৰখণ্ডৰ ৰাজনৈতিক মহলত তীব্ৰ আলোড়ন সৃষ্টি কৰিছে। আৰক্ষীৰ সৈতে তেওঁৰ সংঘাত আৰু স্বাস্থ্যৰ অৱনতিয়ে ৰাজ্যবাসীৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আগন্তুক দিনত এই বিষয়ে বিধানসভাত গুৰুত্বপূৰ্ণ আলোচনা হ'ব বুলি আশা কৰা হৈছে।

# ডুমডুমা বিধায়ক, আৰক্ষী বিষয়াৰ নেতৃত্বত "হৰ ঘৰ ত্ৰিৰংগা" ৰেলী




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৪ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে উজনি অসমৰ তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ মানখোৱা গাঁও পঞ্চায়ত এলেকাত সমষ্টিটোৰ বিধায়ক ৰূপেশ গোৱালাৰ নেতৃত্বত আজি "হৰ ঘৰ ত্ৰিৰংগা" ৰেলী উলিওৱা হয়। ৰূপাই শতদল শাখা সাহিত্য সভা কাৰ্যালয়ৰ পৰা ত্ৰিৰংগা ৰেলীৰ যাত্ৰা আৰম্ভ কৰি ৰূপাই চাইডিং ডনবস্কু স্কুল চাৰিআলিত সামৰণি মৰা হয়। অনুষ্ঠানত বিধায়ক ৰূপেশ গোৱালাই অহা ১৫ আগষ্টত দেশত উদযাপিত হ'বলগা ৮০ সংখ্যক স্বাধীনতা দিৱসত প্ৰতি ঘৰ মানুহৰ ঘৰৰ আগফালে ত্ৰিৰংগ পতাকা লগাবলৈ আহ্বান জনায়। তেওঁ আৰু কয় যে দেশৰ একতাক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে আমি আগবাঢ়িব লাগিব। মানখোৱা পঞ্চায়তৰ লগতে টিপুক, ৰঙাজান পঞ্চায়ত আৰু ডুমডুমা সমষ্টিৰ অন্যান্য গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য-সদস্যা, বিজেপিৰ মণ্ডল কমিটিৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকলে এই ত্ৰিৰংগা যাত্ৰা ৰেলীত বিধায়কগৰাকীক সংগ দিয়ে। ইপিনে অসম আৰক্ষীৰ উদ্যোগতো আজি বিয়লি ডুমডুমাত "হৰ ঘৰ ত্ৰিৰংগা" ৰেলী উলিওৱা হয়। ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক মনুজল গগৈৰ নেতৃত্বত শতাধিক আৰক্ষী বিষয়া তথা জোৱানে থানাখনৰ পৰা ত্ৰিৰংগ পতাকা লৈ বাইক ৰেলী উলিয়াই তালাপ আৰক্ষী চকীৰ অন্তৰ্গত তালাপ বালিবজাৰ তিনিআলিলৈকে যাত্ৰা কৰি পুনৰ ডুমডুমা নগৰলৈ ঘূৰি আহি ডুমডুমা নগৰ খেলপথাৰত ৰেলীৰ সামৰণি মাৰে। আৰক্ষী পৰিদৰ্শকগৰাকীয়ে এই ৰেলীৰ জৰিয়তে অহা ১৫ আগষ্টত দেশত উদযাপিত হ'বলগা ৮০ সংখ্যক স্বাধীনতা দিৱসত প্ৰতিগৰাকী লোকক নিজ নিজ বাসগৃহত ত্ৰিৰংগ পতাকা লগাবলৈ আহ্বান জনায়।

# ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত নৱাগত আদৰণি সভা সম্পন্ন

## মেধাৱী শিক্ষাৰ্থীক অধ্যক্ষৰ বিশেষ মেধাৱী বঁটা প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ আগষ্ট ঃ** ডিব্ৰুগড় চহৰৰ উচ্চ শিক্ষাৰ অন্যতম প্ৰতিষ্ঠান কানৈ বাণিজ্য মহাবিদ্যালয়ত ২০২৬-২৭ শিক্ষাবৰ্ষত নামভৰ্তি কৰা স্নাতক প্ৰথম ষাণ্মাসিকৰ নৱাগত শিক্ষাৰ্থীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে আজি দিনজোৰা কাৰ্যসূচীৰে নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানটোত নৱাগত শিক্ষাৰ্থীসকলৰ উৎসাহপূৰ্ণ অংশগ্ৰহণে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা মহাবিদ্যালয় সংগীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ হয়। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰে। ভাষণত অধ্যক্ষগৰাকীয়ে নৱাগত শিক্ষাৰ্থীসকলক মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ সদ্ব্যৱহাৰ কৰি অধ্যয়নৰ লগতে জীৱনৰ সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা অৰ্জন কৰি উজ্জ্বল ভৱিষ্যৎ গঢ়ি তুলিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ মুকলি সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা প্ৰাক্তন অধ্যক্ষ ড° ৰঘুনাথ বৰবৰা, চাৰ্টাৰ্ড একাউণ্টেণ্ট তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দ্বাৰা মনোনীত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সন্মানীয় সদস্য জ্যোতি প্ৰসাদ কানৈ আৰু আমন্ত্ৰিত অতিথি হিচাপে ডিব্ৰুগড়স্থিত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰছ এণ্ড পলিমাৰ লিমিটেডৰ ডেপুটি জেনেৰেল মেনেজাৰ দেবাশীষ গোস্বামী। ড° ৰঘুনাথ বৰবৰাই নৱাগত শিক্ষাৰ্থী সকলক শুভেচ্ছা জ্ঞাপন কৰি তত্ত্বগধুৰ বক্তব্য আগবঢ়ায়। আমন্ত্ৰিত অতিথি দেবাশীষ গোস্বামীয়েও ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। তেওঁ ব্ৰহ্মপুত্ৰ ক্ৰেকাৰছ এণ্ড পলিমাৰ লিমিটেডৰ উদ্যোগত মহাবিদ্যালয় খনত অতি সোনকালে ক'স্ত এণ্ড মেনেজমেণ্ট একাউণ্টিংৰ নতুন পাঠ্যক্ৰম সংযোজন কৰাৰ কথাও সদৰী কৰে। অনুষ্ঠানত জ্যোতি প্ৰসাদ কানৈয়ে মহাবিদ্যালয়খনত অধ্যয়ন কৰা নিজৰ কলেজীয়া দিনৰ স্মৃতি ৰোমন্থন কৰি শিক্ষাৰ্থী সকলক কলেজীয়া জীৱনৰ আৰম্ভণিৰ পৰাই নিজকে গঢ়ি তোলাৰ বাবে নিষ্ঠাৰে প্ৰচেষ্টা চলাই যাবলৈ আহ্বান জনায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ শৈলেন গগৈ, বেংকিং বিভাগৰ মুৰব্বী সহযোগী অধ্যাপক ড° টংকপ্ৰসাদ উপাধ্যায় আৰু বাংলা বিভাগৰ মুৰব্বী সহযোগী অধ্যাপক ড° স্বপ্না নাথেও শিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল বিভিন্ন ষাণ্মাসিকৰ পৰীক্ষাত সৰ্বোচ্চ নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক প্ৰদান কৰা 'অধ্যক্ষৰ বিশেষ মেধাৱী বঁটা'। এই বাৰ দ্বিতীয় ষাণ্মাসিকৰ আছমিকা মল্লিক চৌধুৰী, চতুৰ্থ ষাণ্মাসিকৰ প্ৰিয়াংশা ভট্টাচাৰ্য আৰু স্মৰণিকা দাস তথা ষষ্ঠ ষাণ্মাসিকৰ অক্লিম খানক এই বঁটাৰে সন্মানিত কৰা হয়। সভাৰ পাছত ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পৰিৱেশিত বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানত নৱাগত আদৰণি সভাৰ পৰিৱেশ অধিক ৰঙীন আৰু জীপাল হৈ পৰে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যা প্ৰীতি গগৈয়ে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক, কাৰ্যালয়ৰ কৰ্মচাৰীসহ দুশৰো অধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উদ্যোক্তা সকলে জানিবলৈ দিয়া মতে, অনুষ্ঠানত অপো মোবাইলচ ইণ্ডিয়া প্ৰাইভেট কোম্পানী আৰু জহৰমল এণ্ড ছনছ প্ৰতিষ্ঠানে সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে, ৮০ সংখ্যক স্বাধীনতা দিৱস সপ্তাহ উদযাপনৰ অংশ হিচাপে পুৱা মহাবিদ্যালয়ৰ এন চি চি, এন এছ এছ আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত ডিব্ৰুগড়ৰ ডি টি পি দাইকত চাফাই অভিযান অনুষ্ঠিত কৰা হয়। একেদৰে মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসতো বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# বৰপেটাত দেশ বিভাজনৰ বিভীষিকা স্মৃতি দিৱস পালন

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৪ আগষ্ট ঃ** ভাৰতবৰ্ষ বিভাজনৰ সময়ত লাখ লাখ মানুহে ভুগিবলগীয়া হোৱা কষ্ট, গৃহহীনতা আৰু ক্ষয়-ক্ষতিক স্মৰণ কৰাৰ উদ্দেশ্যে আজি বৰপেটাত জিলা আয়ুক্ত শ্ৰীনৰদ্বীপ পাঠকৰ উপস্থিতিত "দেশ বিভাজনৰ বিভীষিকা স্মৃতি দিৱস" পালন কৰা হয়। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া (CEO)৪ দিতিমণি পেগুৱে তেওঁৰ আৰম্ভণি ভাষণত উল্লেখ কৰে যে এনে অনুষ্ঠানে অতীতৰ স্মৃতিসমূহ সজীৱ কৰি ৰখাত সহায় কৰে আৰু দেশপ্ৰেম, ৰাষ্ট্ৰীয় ঐক্য তথা দেশৰ যাত্ৰাৰ প্ৰতি এক গভীৰ উপলব্ধি গঢ়ি তোলে। আমন্ত্ৰিত বক্তা বৰপেটা কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীৰাজেশ কুমাৰ ডুবে দেশ বিভাজনৰ মানৱীয় মূল্য, গৃহহীন পৰিয়ালসমূহে মুখামুখি হোৱা অলেখ কষ্ট আৰু শান্তি, সম্প্ৰীতি তথা ৰাষ্ট্ৰীয় ঐক্য ৰক্ষাৰ বাবে ইতিহাস মনত ৰখাৰ গুৰুত্ব সম্পৰ্কে বক্তব্য ৰাখে। এই উপলক্ষে দেশ বিভাজনৰ অভিজ্ঞতা আৰু বিভীষিকা ৰূপায়িত কৰা এখন তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়। এই কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্তসকল (ADC), নিৰ্বাচনী বিষয়া, সহকাৰী আয়ুক্তসকল, বিভিন্ন বিভাগৰ বিভাগীয় মুৰব্বীসকল আৰু বৰপেটা জিলা আয়ুক্ত কাৰ্যালয়ৰ অন্যান্য বিষয়া- কৰ্মচাৰীসকল উপস্থিত থাকে। শেষত অতিৰিক্ত জিলা আয়ুক্ত প্ৰাঞ্জল প্ৰতিম কোঁৱৰে শলাগৰ শৰাই আগবঢ়ায়।

# কৃষক-বিজ্ঞানী মত বিনিময় অনুষ্ঠানৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৪ আগষ্ট ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ (ATMA)ৰ অধীনত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত কৃষক-বিজ্ঞানী মত বিনিময় অনুষ্ঠানৰ আজি সফল সামৰণি পৰে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সামৰণি অনুষ্ঠানত জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডৰ অধীনৰ প্ৰায় ৩০ গৰাকী কৃষকে অংশগ্ৰহণ কৰে। সামৰণি দিনাৰ কাৰ্যসূচীত কৃষকসকলক সমন্বিত শস্য ব্যৱস্থাপনা আৰু মূল্য সংযোজন, লাভান্য, ক'লা ধান আৰু শ্যামলী সেউজ ধানৰ দৰে উন্নত মানৰ বিশেষ জাতৰ ধানৰ বিপণন, লগতে মালয়েছিয়ান গ্ৰীণ ডৱাৰ্ফ নাৰিকল আৰু সুমংগলা তামোল জাতৰ কৃষি পদ্ধতি আৰু বৈজ্ঞানিক ব্যৱস্থাপনা সম্পৰ্কে বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণৰ জৰিয়তে কৃষকসকলক আধুনিক কৃষি প্ৰযুক্তি গ্ৰহণ, উৎপাদনশীলতা বৃদ্ধি আৰু কৃষিজাত সামগ্ৰীৰ মূল্য সংযোজনৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ উৎসাহিত কৰা হয়। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ড° সৌৰভ বৰুৱা আৰু ড° সুকন্যা গগৈ সমল ব্যক্তি হিচাপে উপস্থিত থাকি কৃষকসকলক বিভিন্ন বিষয়ত কাৰিকৰী দিশসমূহৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত আত্মাৰ ন'ডেল তথা মহকুমা কৃষি বিষয়া মুছাহীদ ফাৰুকী, কৃষি উন্নয়ন বিষয়াসকল, আত্মাৰ বি.টি.এম. আৰু এ.টি.এম.সকলৰ লগতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। দুদিনীয়া এই মত বিনিময় অনুষ্ঠানটোৱে কৃষক আৰু কৃষি বিজ্ঞানীৰ মাজত জ্ঞান আৰু অভিজ্ঞতা বিনিময়ৰ এক ফলপ্ৰসূ মঞ্চ হিচাপে ভূমিকা পালন কৰে।

**বিধ্বস্ত দুসুঁতিমুখ, ৰঙাগড়া অঞ্চল পৰিদৰ্শন মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তৰ**

# ধুমুহাত বিধস্ত দুসুতিমুখ, মৰঙিয়াল; ৰঙাগড়াত দুই শতাধিক বাসগৃহৰ বিস্তৰ ক্ষতি

## ক্ষতিগ্ৰস্ত পৰিয়ালৰ জৰীপৰ নিৰ্দেশ; ২৪ ঘণ্টাৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ প্ৰশাসনক

**অসম বাৰ্তা, নুমলীগড়, ১৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ দুসুঁতিমুখ, ৰঙাগড়, আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বুধবাৰে নিশা অহা প্ৰচণ্ড ধুমুহাই ব্যাপক ক্ষতিসাধন কৰে। বিশেষকৈ বোকাখাত সমষ্টিৰ মৰঙিয়ালত ধুমুহাৰ তাণ্ডৱত দুই শতাধিক বাসগৃহ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বহু পৰিয়াল মুকলি আকাশৰ তলত থকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ধুমুহাৰ ফলত এগৰাকী লোক আহত হৈছিল। নিশা অহা বিধ্বংসী ধুমুহাই বহু বাসগৃহৰ টিনপাত উৰুৱাই নিয়াৰ লগতে ঘৰৰ চাল-বেৰা ভাঙি পেলায়। বৃহৎ বৃহৎ গছ উভালি পৰাৰ ফলত পথ-ঘাট বন্ধ হৈ পৰে আৰু বিদ্যুতৰ খুঁটা ক্ষতিগ্ৰস্ত হয়। বহু অঞ্চলত বিদ্যুৎ সংযোগ ব্যাহত হৈ পৰাৰ লগতে জনজীৱন বিপৰ্যস্ত কৰি তোলে। বিভিন্ন স্থানত বিদ্যালয়, নাট্য মঞ্চ, ঘৰ-দুৱাৰ, দোকান আৰু বিদ্যুতৰ আন্তঃগাঁথনিয়ো ক্ষতি হ'ল। ধুমুহাৰ পিছতে স্থানীয় ৰাইজে উদ্ধাৰ আৰু সাহায্য অভিযানত নামি পৰে। পথত বাগৰি পৰা গছ-গছনি আঁতৰোৱাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উদ্ধাৰ আৰু সহায় কৰাৰ চেষ্টা চলাইছে স্থানীয় লোকসকলে। ঘটনাস্থলীত বন বিভাগৰ কৰ্মীও উপস্থিত হৈ উভালি পৰা গছ আঁতৰোৱাৰ কাম আৰম্ভ কৰে। বিদ্যুৎ বিভাগৰ কৰ্মচাৰীয়েও ক্ষতিগ্ৰস্ত বিদ্যুৎ সংযোগ পুনৰ সংস্থাপনৰ বাবে তৎপৰতা গ্ৰহণ কৰে। প্ৰচণ্ড ধুমুহাত বিধ্বস্ত দুসুঁতিমুখ আৰু ৰঙাগড়া অঞ্চল পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ পৰিস্থিতিৰ বুজ ল'লে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী অতুল বৰা আৰু কেশৱ মহন্তই। স্থানীয় বিধায়ক তথা ৰাজ্যিক মন্ত্ৰী অতুল বৰাৰ সৈতে মন্ত্ৰীগৰাকীয়ে দুয়োটা ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি ধুমুহাৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়। বিশেষকৈ দুসুঁতিমুখ অঞ্চলত দুই শতাধিক পৰিয়ালৰ বাসগৃহ ক্ষতিগ্ৰস্ত হোৱাৰ বিপৰীতে ৰঙাগড়া অঞ্চলতো ডেৰ শতাধিক পৰিয়াল ধুমুহাৰ তাণ্ডৱত ক্ষতিগ্ৰস্ত হৈছে। পৰিদৰ্শনকালত মন্ত্ৰী কেশৱ মহন্তই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাৰ বুজ লয়। ধুমুহাত ঘৰ-দুৱাৰ ক্ষতিগ্ৰস্ত হৈ পৰিয়ালসমূহে সন্মুখীন হোৱা সমস্যাৰ প্ৰতি চৰকাৰ সংবেদনশীল বুলি উল্লেখ কৰি শীঘ্ৰে প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে। ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়নৰ বাবে মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসনক ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ জৰীপ সম্পন্ন কৰি ২৪ ঘণ্টাৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। জৰীপৰ প্ৰতিবেদনৰ ভিত্তিত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উপযুক্ত সাহায্য আৰু ক্ষতিপূৰণ প্ৰদানৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। ইফালে, স্থানীয় বিধায়ক অতুল বৰাই ধুমুহাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিক অতি দুৰ্ভাগ্যজনক আখ্যা দি তাৎক্ষণিকভাৱে ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় হ'বলৈ প্ৰশাসনক কঠোৰ নিৰ্দেশ দিয়ে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ, সাহায্য আৰু পুনৰ সংস্থাপনৰ কাম ক্ষিপ্ৰতাৰে সম্পন্ন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

# আদি কৰ্মযোগী অভিযান; বাংঠাইগাঁও আৰু বাংফৰতজন শুনানি অব্যাহত

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৪ আগষ্ট ঃ** আদি কৰ্মযোগী অভিযানৰ অংশ হিচাপে মায়ং উন্নয়ন খণ্ডৰ বাঘজাপ গাঁও পঞ্চায়তৰ অন্তৰ্গত বাংঠাইগাঁও আৰু বাংফৰ ASK-ত ১৩ৰ পৰা ১৫ আগষ্ট, ২০২৬লৈ জন শুনানি অনুষ্ঠিত হৈ আছে। এই উদ্যোগৰ মূল উদ্দেশ্য হৈছে প্ৰশাসন আৰু স্থানীয় ৰাইজৰ মাজত পোনপটীয়া মত-বিনিময়ৰ সুযোগ সৃষ্টি কৰাৰ লগতে ৰাইজৰ স্থানীয় সমস্যা আৰু অভাৱ-অভিযোগসমূহ শুনি সেইসমূহৰ সমাধানৰ দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা। আজি মৰিগাঁৱৰ জিলা আয়ুক্ত সৃষ্টী সিং, IAS-এ বাংঠাইগাঁৱত অনুষ্ঠিত হৈ থকাজন শুনানিত অংশগ্ৰহণ কৰি স্থানীয় ৰাইজৰ সৈতে মত-বিনিময় কৰে আৰু তেওঁলোকৰ বিভিন্ন সমস্যা আৰু বিষয়সমূহৰ বুজ লয়। অনুষ্ঠানত মৰিগাঁৱৰ DDC অৰ্পা বাগলাৰী, ACS; জাগীৰোডৰ CDC হৃদয় কুমাৰ দাস, ACS; বাঘজাপ পঞ্চায়তৰ সভাপতি প্ৰদীপ দেউৰীসহ অন্যান্য বিশিষ্ট ব্যক্তি আৰু সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

**গৰমৰ বাবে নগাঁও জিলাৰ স্কুলৰ সময় পুৱা ৭ বজা কৰিবলৈ দাবী**

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নগাঁও জিলা সমিতিৰ স্মাৰক পত্ৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ আগষ্ট ঃ** ৰাজ্যজুৰি বিৰাজ কৰা প্ৰচণ্ড ৰ'দ আৰু অসহনীয় গৰমৰ বাবে নগাঁও জিলাৰ ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য সুৰক্ষাৰ দাবীত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নগাঁও জিলা সমিতিৰ তৰফৰ পৰা জিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। সংগঠনৰ সভাপতি প্ৰৱাল শৰ্মা আৰু সাধাৰণ সম্পাদক হেমন্ত দাসে কয় যে, দুপৰীয়াৰ প্ৰখৰ ৰ'দত স্কুলৰ পৰা ঘৰলৈ যাওঁতে বহু শিক্ষাৰ্থী অসুস্থ হৈ পৰিছে। তিনিচুকীয়া জিলা প্ৰশাসনে ইতিমধ্যে স্কুলৰ সময় পুৱা ৮বজাৰ পৰা আৰম্ভ কৰিছে। গতিকে নগাঁও জিলাতো সকলো বিদ্যালয়ৰ সময় পুৱা ৭ বজাৰ পৰা আৰম্ভ কৰি দুপৰীয়া ১-৩০ বা ১-৪৫ বজাত সামৰণি কৰিবলৈ দাবী জনাইছে। লগতে গৰমৰ সময়ছোৱাত শিক্ষাৰ্থীসকলক মোজা, জোতা, টাই নিপিন্ধাকৈ বিদ্যালয়লৈ আহিবলৈ অনুমতি আৰু প্ৰতিটো শ্ৰেণীকোঠাত খোৱাপানী, ফেন আৰু প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা নিশ্চিত কৰিবলৈও দাবী জনাইছে।

# ৰূপহীহাট আৰক্ষীৰ উদ্যোগত 'হৰ ঘৰ ত্ৰিৰংগা' যাত্ৰা

**অসম বাৰ্তা, ৰূপহীহাট, ১৪ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ প্ৰাকক্ষণত ৰূপহীহাট আৰক্ষীৰ উদ্যোগত আজি 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অংশ হিচাপে এক বৰ্ণাঢ্য ত্ৰিৰংগা যাত্ৰা উলিওৱা হয়। ৰূপহীহাট আৰক্ষী থানাৰ পৰা আৰম্ভ হোৱা এই পদযাত্ৰাত আৰক্ষী বিষয়া-জোৱান, গাঁওৰক্ষী বাহিনীৰ সদস্যৰ লগতে স্থানীয় ৰাইজেও উৎসাহ-উদ্দীপনাৰে অংশগ্ৰহণ কৰে। হাতে হাতে জাতীয় পতাকা লৈ অংশগ্ৰহণকাৰীসকলে ৰূপহীহাটৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি দেশপ্ৰেম, জাতীয় ঐক্য আৰু ভাতৃত্ববোধৰ বাৰ্তা প্ৰচাৰ কৰে। পদযাত্ৰাৰ সময়ছোৱাত সমগ্ৰ অঞ্চলটোত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। 'হৰ ঘৰ ত্ৰিৰংগা'ৰ জৰিয়তে প্ৰতিগৰাকী নাগৰিকৰ মাজত দেশৰ প্ৰতি সন্মান আৰু দেশপ্ৰেমৰ ভাৱ জাগ্ৰত কৰাৰ লগতে স্বাধীনতা দিৱসৰ তাৎপৰ্য সজাগ কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয় বুলি জানিব পৰা যায়।

# শংকৰজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ত সংহত গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰ মুকলি

**অসম বাৰ্তা, মাজুলী, ১৪ আগষ্ট ঃ** সমগ্ৰ শিক্ষা আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা যোগেদি শঙ্কৰজ্যেতি উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ দ্বাৰা ২০২৫-২০২৬বৰ্ষত নিৰ্মাণ কৰা বিদ্যালয়ৰ সংহত গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰটিৰ আজি দুৱাৰ মুকলি কৰে অসম অসামৰিক বিষয়া, মাজুলী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীযুত সঞ্জীৱ কুমাৰ বৰাদেৱে। দুৱাৰ মুকলি অনুষ্ঠানৰ ৰাজহুৱা সভাত বৰাদেৱে ছাত্ৰ-ছাত্ৰী সকলক উদেশ্য কৰি বৰ্তমান সময়ত বিজ্ঞান পৰীক্ষাগাৰ টিৰ প্ৰয়োজনীয়তা আৰু বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্ক ত সুন্দৰ বক্তব্য প্ৰদান কৰে লগতে ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰী সকলৰ মূল্যবোধৰ শিক্ষা গ্ৰহণ সম্পকত সুন্দৰভাৱে ব্যাখ্যা আগবঢ়ায়। সভাত বিদ্যালয় প্ৰধান মীনু বৰা পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি কমল গোস্বামী, প্ৰতিষ্ঠাপক সম্পাদক সুৰেন কাকতি, প্ৰতিষ্ঠাপক মধ্য ইংৰাজী বিদ্যালয় প্ৰধান দিলীপ দত্ত প্ৰতিষ্ঠাপক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভবেন কাকতি, আৰু বিদ্যালয়ৰ সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী সকলৰ উপস্থিতিত সহকাৰী শিক্ষক মহেন্দ্ৰ কাকতিয়ে বিদ্যালয়ৰ শৈক্ষিক দিশৰ লগতে অভাৱ অভিযোগৰ সম্পকত সুন্দৰভাৱে ব্যাখ্যা কৰে। সভাখনিৰ আঁত ধৰে সহকাৰী শিক্ষক প্ৰীয়াংসু শইকীয়াই।

# "কুইজ কেৱল প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰতিযোগিতা নহয়; ই হৈছে জ্ঞানক অন্বেষণ কৰা, চিন্তা-শক্তিক শাণিত কৰা আৰু নতুন কথা জানিবলৈ আগ্ৰহী কৰি তোলাৰ এক আনন্দদায়ক ব্যৱস্থা"

**অসম বাৰ্তা, মাজুলী, ১৪ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি আজি ইংৰাজী ১৩ আগষ্ট, ২০২৬ তাৰিখে মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা শিক্ষা বিভাগৰ সহযোগত এখনি জিলাভিত্তিক কুইজ প্ৰতিযোগিতা জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। মাজুলী জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত অপৰূপা বৰগোঁহাই, অ: অ: সে: ডাঙৰীয়ানীয়ে শুভ উদ্বোধন কৰা প্ৰতিযোগিতাখনত মাননিয় জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, অ: অ: সে: ডাঙৰীয়া আৰু জিলাখনৰ অন্যান্য সহকাৰী আয়ুক্তসকল উপস্থিত থাকে। কুশদীপ হাটীমতাই আঁত ধৰা আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ সহকাৰী গ্ৰন্থগাৰিক শেখৰজ্যোতি নেওগ আৰু মাজুলী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্য ডাঙৰীয়াই পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাখনত জিলাখনৰ বিভিন্ন মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ মুঠ ১৫টা দলে অংশগ্ৰহণ কৰে আৰু শেষত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ দলটোৱে প্ৰথম, মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দলটোৱে দ্বিতীয় আৰু পি.এম.শ্ৰী চামগুৰি সত্ৰ ৰাৱনাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দলটোৱে তৃতীয় স্থান দখল কৰে।

**নামঘৰৰ চাহখোৱা ঘৰৰ ভিতৰত চীপ লৈ উৰঁলি যোৱা অৱস্থাত উদ্ধাৰ যুৱকৰ মৃতদেহ**

# গোলাঘাটৰ মাজ খুমটাইত চাঞ্চল্যকৰ ঘটনা

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ মাজ খুমটাইত সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। বন্ধুৱে পাৰ্টি কৰিবলৈ মাতি নিয়া যুৱকৰ চাৰিদিনৰ পাছত নামঘৰৰ চৌহদত ওলাল মৃতদেহ। মাজ খুমটাই গাঁৱৰ কুমুদ কোঁৱৰ নামৰ যুৱকজন বিগত চাৰি দিন ধৰি সন্ধানহীন হৈ আছিল। আজি নামঘৰৰ চৌহদত অৱস্থিত চাহ খোৱা ঘৰৰ ভিতৰত চীপ লৈ উৰঁলি যোৱা অৱস্থাত উদ্ধাৰ হয় যুৱকজনৰ মৃতদেহ। মাজ খুমটাইত অৱস্থিত আঠখেলীয়া নামঘৰৰ চৌহদত ভকত বৈষ্ণৱে চাহখোৱা ঘৰটোত চীপ লৈ থকা অৱস্থাত মৃতদেহ উদ্ধাৰৰ পাছতে ব্যাপক চাঞ্চল্যৰ সৃষ্টি হয় অঞ্চলজুৰি। পৰিয়ালৰ লোকৰ অভিযোগ এয়া কোনো কাৰণতে আত্মহত্যা হ'ব নোৱাৰে, এয়া এক পৰিকল্পিত হত্যাকাণ্ড। শেহতীয়াকৈ ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ যুৱক কুমুদ কোঁৱৰক তেওঁৰ বন্ধুয়ে পৰিকল্পিতভাৱে মাতি নি হত্যা কৰা বুলি অভিযোগ উত্থাপন কৰাৰ উপৰিও পৰিয়ালৰ লোকে বন্ধুবৰ্গক সোধপোচ কৰাত চাৰিদিনৰ পূৰ্বেই মাজ খুমটাইৰ আঠখেলীয়া নামঘৰৰ ওচৰত এৰি থৈ যোৱাৰ কথা স্বীকাৰ কৰিছিল আৰু সেই নামঘৰৰ চাহ দিয়া ঘৰতেই মৃতদেহ উদ্ধাৰ হোৱাত পৰিয়ালৰ সন্দেহ কোনোৱে হত্যা কৰি ওলোমাই থৈ গৈছে। অভিযোগ উত্থাপন কৰিছে জনৈক নীল, নীলৰ ভিনিহীয়েক আৰু ভাইটি আদিৰ নাম। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখ্য যে যুৱকজন সন্ধানহীন হোৱাৰ অভিযোগ কমাৰবন্ধা আৰক্ষী থানাত ইতিমধ্যে পৰিয়ালে দাখিল কৰিছিল।

# নুমলীগড়ৰ বিহৰা-মিকিৰচাং প্ৰাথমিক বিদ্যালয়ত বন্যহস্তীৰ তাণ্ডৱ; কাৰ্যালয় লণ্ডভণ্ড

**অসম বাৰ্তা, নুমলীগড়, ১৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ নুমলীগড়ৰ কাষৰীয়া বিহৰা-মিকিৰচাং প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা বন্যহস্তীয়ে উপদ্ৰৱ চলাই। গোলাঘাট পশ্চিম শিক্ষা খণ্ডৰ অধীনস্থ বিদ্যালয়খনৰ কাৰ্যালয় লণ্ড-ভণ্ড কৰি পেলাইছে বনৰীয়া হাতীৰ জাকটোৱে। ঘটনাৰ বিৱৰণ অনুসৰি, নিশাৰ ভাগত বন্যহস্তীয়ে বিদ্যালয় চৌহদত প্ৰৱেশ কৰি কাৰ্যালয়ৰ ঘৰ ভঙা-ছিঙা কৰে। বন বিভাগক এই সম্পৰ্কে অৱগত কৰা হয় যদিও সঠিক সময়ত বন বিগভা উপস্থিত হোৱা নাই বুলি স্থানীয় লোকে অভিযোগ কৰে। নুমলীগড় খণ্ড বন কাৰ্যালয়ৰ এলেকাধীন মিকিৰচাং অঞ্চলত বৰ্তমান প্ৰায় ১৫০টা বন্যহস্তী অৱস্থান কৰি আছে বুলি জানিব পৰা গৈছে। ইয়াৰ ফলত মিকিৰচাংবাসী ৰাইজৰ মাজত তীব্ৰ আতংক বিৰাজ কৰিছে। হাতী-মানুহৰ সংঘাতৰ বাবে অঞ্চলটোত নিৰাপত্তাৰ অভাৱ অনুভৱ কৰে আৰু বন বিভাগক অঞ্চলটোৰ নিৰাপত্তাৰ দিশটো নিশ্চিত কৰিবৰ বাবে দাবী তুলিছে ভুক্ত ভোগী ৰাইজে। স্থানীয় লোকে দ্ৰুতভাৱে বন বিভাগৰ হস্তক্ষেপ আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে যাতে এনেধৰণৰ ঘটনা পুনৰাবৃত্তি নহয় আৰু বিদ্যালয়ৰ শৈক্ষিক কাৰ্যক্ৰম বাধাগ্ৰস্ত নহয়।

# বিশ্বনাথ পৌৰসভাৰ উদ্যোগত তিৰংগা যাত্ৰা কাৰ্যসূচী

## বিশ্বনাথৰ পৌৰপতি সহিতে কেইবাশ লোকৰ অংক্ষগ্ৰহণ

**অসম বাৰ্তা, জিনজিয়া, ১৪ আগষ্ট ঃ** ৰাজ্যৰ অন্য অন্য জিলাৰ সমান্তৰাল ভাৱে বিশ্বনাথতো জোৰদাৰ গতিত চলিছে স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন চৰকাৰী বিভাগৰ লগতে পৌৰসভা, জিলা প্ৰশাসনৰ লগতে ওলাই আহিছে শ শ ৰাইজ। প্ৰতি বছৰে স্বাধীনতা দিৱসৰ এসপ্তাহ মান আগৰেই পৰা এনেধৰণৰ তিৰংগা যাত্ৰা কাৰ্যসূচী পালন কৰি আহিছে বিশ্বনাথৰ জিলা প্ৰশাসনে আৰু স্বত স্ফূৰ্ত ভাৱে ওলাই আহিছে সাধাৰণ ৰাইজ। তৰংগা যাত্ৰা সমাপ্ত কৰি বিশ্বনাথৰ পৌৰপতি যে কয় যে ৰাইজক দেশ প্ৰেমৰ প্ৰতি আকৰ্ষিত কৰিবলৈ এনেধৰণৰ কাৰ্য্যসূচী সমূহ হাতত লোৱা হৈছে। আৰু এইবেলি ৰাইজৰ সঁহাৰি যথেষ্ট বৃদ্ধি পাইছে এশৰো অধিক বাইক ৰেলী কৰি বিশ্বনাথ নগৰৰ মাজেৰে বিভিন্ন দেশপ্ৰেমমূলক শ্লোগান দি তিৰংগা যাত্ৰাত ভাগ লোৱা দেখা গল এইবেলি।

# ডুমডুমা সমজিলাত স্বাধীনতা দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ আগষ্ট ঃ** আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে ডুমডুমা সমজিলাতো ডুমডুমা সমজিলা প্ৰশাসনৰ উদ্যোগত ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে ডুমডুমা নগৰ খেলপথাৰত আয়োজন কৰা স্বাধীনতা দিৱসৰ মূল কাৰ্যসূচীত ডুমডুমা সমজিলাৰ আয়ুক্ত নুজহাৎ নাছৰিনে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। তেখেতে অসম আৰক্ষী, বিভিন্ন বিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু স্কাউট আৰু গাইডৰ লগতে ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বেণ্ডৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পূৰ্বে ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম' পৰিৱেশন কৰা হয়। পতাকা উত্তোলনৰ পূৰ্বে মুখ্য অতিথিয়ে ডুমডুমা নগৰৰ মাজমজিয়াত অৱস্থিত মহাত্মা গান্ধীৰ মূৰ্তিত মাল্যদান কৰে আৰু নগৰ খেলপথাৰত স্থাপন কৰা অস্থায়ী শ্বহীদ বেদীত শ্বহীদ তৰ্পণ কৰে। এই উপলক্ষে দিয়া ভাষণত সমজিলা আয়ুক্ত নুজহাৎ নাছৰিনে ডুমডুমা সমজিলাত বৰ্তমান চলি থকা বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাম - কাজৰ এক খতিয়ান দাঙি ধৰে। তেওঁ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ নেতৃত্বত ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ডুমডুমা সমজিলাকো এখন উন্নত মানদণ্ডৰ সমজিলালৈ উন্নীত কৰাৰ বাবে অহৰ্নিশে কাম কৰি থকা বুলি উল্লেখ কৰে। অনুষ্ঠানত স্থানীয় কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে কেইবাটাও সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। শেষত কুচকাৱাজত অংশগ্ৰহণ কৰা দলসমূহক পুৰস্কৃত কৰা হয়। ছোৱালীৰ শাখাত ডুমডুমা মহাবিদ্যালয়, ডনবস্ক' চিনিয়ৰ চেকেণ্ডেৰী স্কুল আৰু ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমাৰ এনচিচিৰ দলে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে। আনহাতে ল'ৰাৰ শাখাত ডুমডুমা মহাবিদ্যালয়, পিএমশ্ৰী হুগলাল উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডনবস্ক' চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ এনচিচিৰ দলে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। ইয়াৰ উপৰিও কুচকাৱাজত অংশগ্ৰহণ কৰা প্ৰতিটো দলকে একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয় আৰু ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমাৰ বেণ্ডৰ দলটিক বিশেষভাৱে পুৰস্কৃত কৰা হয়। আজিৰ অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, মৰাণ স্বায়ত্বশাসিত পৰিষদৰ ডেপুটী চীফ দেবেশ্বৰ মৰাণ, ডুমডুমা সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্ত, সহকাৰী আয়ুক্তদ্বয় সুদীপ গগৈ আৰু কৃতাৰ্থ নেওগ, ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নৰজ্যোতি চহৰীয়া, ডুমডুমা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক মনুজল গগৈ প্ৰমুখ্যে ভালে সংখ্যক চৰকাৰী বিষয়া - কৰ্মচাৰী, শিক্ষানুষ্ঠানৰ মুৰব্বী, শিক্ষক, শিক্ষাৰ্থী, বিশিষ্ট নাগৰিক আৰু ৰাইজে অংশগ্ৰহণ কৰে।

**১০ বছৰ কাজিৰঙাৰ সেৱাত ব্ৰতী লিঅন; আজিৰে পৰা নতুনকৈ হাৰ্লীক মকৰ**

# ১৫ আগষ্টৰ দিনাই কাজিৰঙাৰ স্নিফাৰ কুকুৰ কে-নাইন লিঅ'নৰ অৱসৰ

**অসম বাৰ্তা, নুমলীগড়, ১৫ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ নিৰাপত্তাৰক্ষী হিচাপে সুদীৰ্ঘ ১০ বছৰ ধৰি নিষ্ঠাৰে সেৱা আগবঢ়োৱা স্নিফাৰ কুকুৰ কে-নাইন লিঅ'নে আজি ১৫ আগষ্টত অৱসৰ গ্ৰহণ কৰিলে। স্বাধীনতা দিৱসৰ বিস্তৃত কাৰ্যসূচীৰ মাজতে এই অৱসৰ অনুষ্ঠান সম্পন্ন হয় আৰু আজিৰে পৰা লিঅনৰ অৱসৰঠাইত নতুনকৈ হাৰ্লী নামৰ স্নিফাৰ কুকুৰক কাজিৰঙাৰ সেৱাৰ বাবে মকৰল কৰা হয়। ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহত জন্মগ্ৰহণ কৰা কে-নাইন লিঅ'নে সেই বছৰৰে নৱেম্বৰ মাহত কাজিৰঙাত যোগদান কৰিছিল। তাৰ পৰা আজি পৰ্যন্ত প্ৰায় এক দশক ধৰি লিঅনে উদ্যানৰ নিৰাপত্তা ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই দীৰ্ঘ কৰ্মজীৱনত লিঅ'নে কাজিৰঙাৰ বহু শিহৰণকাৰী আৰু স্মৰণীয় ঘটনাৰ সাক্ষী হৈছিল। উদ্যানৰ ভিতৰত অবৈধ কাৰ্যকলাপ চিনাক্তকৰণ আৰু নিৰাপত্তা নিশ্চিতকৰণত লিঅনৰ অৱদান উল্লেখযোগ্য বুলি পৰিগণিত হয়। আজি স্বাধীনতা দিৱসৰ দিনটোতে লিঅনক সন্মানেৰে অৱসৰ প্ৰদান কৰা হয়। লিঅ'নৰ অৱসৰৰ পিছতে কাজিৰঙাৰ উদ্যান কৰ্তৃপক্ষই হাৰ্লী নামৰ নতুন স্নিফাৰ কুকুৰক আজিৰে পৰা কাজিৰঙাৰ নিৰাপত্তাৰ দায়িত্বত মকৰল কৰে। হাৰ্লীয়ে এতিয়াৰে পৰা উদ্যানৰ স্নিফাৰ কুকুৰৰ সেৱা আগবঢ়াব। এই অৱসৰ আৰু নতুন নিযুক্তিৰ অনুষ্ঠান বোকাখাতস্থিত ক্ষেত্ৰ সঞ্চালকৰ কাৰ্যালয়ত আয়োজিত স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কাৰ্যসূচীৰ ঠিক পিছতে অনুষ্ঠিত হয়। অনুষ্ঠানত কাজিৰঙাৰ সেৱাত নিষ্ঠাৰে কাম কৰা তিনিগৰাকী বনকৰ্মীক বিশেষ সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকক নগদ ধনৰ চেকও প্ৰদান কৰা হয়। ইয়াৰ উপৰি ৰাসায়নিক ঔষধ ব্যৱহাৰ নকৰাকৈ ব্ৰইলাৰ আৰু লেয়াৰ কুকুৰা পালন কৰি লাভৰ মুখ দেখা বোকাখাত বৰভেটা ইক'-ডেভেলপমেণ্ট কমিটিক (ইডিচি) নগদ ধনৰ চেক প্ৰদান কৰা হয়। এই পদক্ষেপৰ জৰিয়তে স্থানীয় সমাজৰ বিকাশ আৰু পৰিৱেশ-বন্ধু কৃষি পদ্ধতি গঢ় দি সকলোকে উৎসাহিত কৰাৰ লক্ষ্য ৰখা হয়। স্বাধীনতা দিৱসৰ এই কাৰ্যসূচীত উপস্থিত থকাসকলৰ ভিতৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ কুমাৰ, ডিএফঅ' অৰুণ বিগণেশ, প্ৰকৃতিপ্ৰেমী সংগঠন আৰণ্যকৰ সঞ্চালক আৰিফ হুছেইন, ক্ষেত্ৰ সঞ্চালক কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী, বনকৰ্মী আৰু বিশেষ গঁড় সুৰক্ষা বাহিনীৰ জোৱানসকল উপস্থিত আছিল। এইদৰে কাজিৰঙাৰ নিৰাপত্তা ব্যৱস্থাৰ এটা অধ্যায়ৰ সমাপ্তি ঘটিছে আৰু নতুন অধ্যায়ৰ আৰম্ভণি হৈছে।

# স্বাধীনতা দিৱসৰ পৱিত্ৰ দিনাই মেৰাপানীত নতুন নামঘৰ প্ৰতিষ্ঠা

**অসম বাৰ্তা, মেৰাপানী, ১৫ আগষ্ট ঃ** দেশজুৰি ৮০সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ আনন্দ-উৎসাহৰ মাজতে মেৰাপানীৰ ১নং কৃষ্ণাশ্ৰমী গাঁৱত এক আধ্যাত্মিক আৰু ভক্তিমূলক পৰিৱেশৰ মাজেৰে নতুন নামঘৰ প্ৰতিষ্ঠা কৰা হয়। এক শৰণ ভাগৱতী সমাজৰ অন্তৰ্গত গাঁওখনৰ ৩০টা পৰিয়ালৰ উদ্যোগত নিৰ্মাণ কৰা এই নামঘৰটোৱে অঞ্চলটোৰ ধৰ্মীয় আৰু সামাজিক জীৱনত এক নতুন সংযোজন ঘটালে। নতুন নামঘৰ নিৰ্মাণৰ বাবে মূল্যৱান ভূমি দান কৰা বুঢ়া ভকত জীৱন দাসক নামঘৰ সমিতি আৰু স্থানীয় ৰাইজে বিশেষভাৱে সন্মান জনায়। গায়ন-বায়নৰ মাংগলিক ধ্বনিৰে প্ৰায় এক কিলোমিটাৰ পথ আদৰণি জনাই তেওঁক নামঘৰ প্ৰাংগণলৈ লৈ অহা হয়। ভক্তিৰসত মুখৰিত পৰিৱেশৰ মাজতে ফিতা কাটি নতুন নামঘৰৰ শুভ উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি পুৱাৰ ভাগত পাট-প্ৰসংগ অনুষ্ঠিত হয়। ইয়াৰ পিছতে উপস্থিত ভকত-বৈষ্ণৱসকলক আদৰণি জনোৱাৰ লগতে ধৰ্মীয় ৰীতি-নীতিৰে বিভিন্ন কাৰ্যসূচী সম্পন্ন কৰা হয়। দুপৰীয়াৰ ভাগত অনুষ্ঠিত হয় নাম-প্ৰসংগ। নাম-প্ৰসংগৰ সময়ত গায়ন-বায়নৰ সুৰ আৰু হৰিনামৰ ধ্বনিয়ে সমগ্ৰ পৰিৱেশ ভক্তিময় কৰি তোলে। অনুষ্ঠানত দৈয়াং অঞ্চলৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। বক্তাসকলে নতুন নামঘৰটো কেৱল ধৰ্মীয় উপাসনাৰ স্থান হিচাপেই নহয়, সমাজৰ ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধ শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপেও পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে, এখন গাঁৱৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত নামঘৰৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। নামঘৰক কেন্দ্ৰ কৰি ধৰ্মীয় অনুষ্ঠানৰ লগতে সামাজিক মিলন, সাংস্কৃতিক চৰ্চা আৰু নৱপ্ৰজন্মৰ মাজত আধ্যাত্মিক মূল্যবোধ জীয়াই ৰখাৰ সুযোগ সৃষ্টি হয়। সেয়েহে ১নং কৃষ্ণাশ্ৰমী গাঁৱত নতুন নামঘৰ প্ৰতিষ্ঠাই স্থানীয় ৰাইজৰ মাজত বিশেষ আনন্দৰ সৃষ্টি কৰিছে। এই পৱিত্ৰ অনুষ্ঠানত গোলাঘাট জিলা বিজেপিৰ উপ-সভাপতি পোনা বৰা, মেৰাপানী সাংবাদিক সন্থাৰ সভাপতি আলী হুছেইন আৰু সমাজকৰ্মী মণিৰাম দাসসহ অঞ্চলটোৰ কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। স্থানীয় ৰাইজ, ভকত-বৈষ্ণৱ আৰু নামঘৰ সমিতিৰ সদস্যসকলৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠানটো সাফল্যমণ্ডিত হৈ উঠে।

# মাগুৰমাৰীত ন'ভেল অকাডেমীৰ স্বাধীনতা দিৱসৰ বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, খাৰুপেটীয়া, ১৫ আগষ্ট ঃ** দেশৰ ৮০তম স্বাধীনতা দিৱস উপলক্ষে দৰং জিলাৰ মাগুৰমাৰীত ন'ভেল অকাডেমীৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বাধীনতা দিৱস উদযাপন কৰা হয়। স্বাধীনতা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত মুকলি সভা, বঁটা বিতৰণী অনুষ্ঠানৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে জাতীয় পতাকা উত্তোলন কৰি দেশৰ স্বাধীনতা সংগ্ৰামৰ বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। ইয়াৰ পিছতে অনুষ্ঠিত মুকলি সভাত উপস্থিত বিশিষ্ট ব্যক্তিসকলে স্বাধীনতা দিৱসৰ তাৎপৰ্য আৰু দেশ গঠনত নৱপ্ৰজন্মৰ ভূমিকা সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিভিন্ন ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে বঁটা আৰু সন্মান প্ৰদান কৰা হয়। বঁটা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক আগন্তুক দিনত অধিক নিষ্ঠাৰে অধ্যয়ন কৰি নিজৰ লগতে সমাজ আৰু দেশৰ নাম উজ্জ্বল কৰিবলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী। দেশপ্ৰেমমূলক গীত, নৃত্য, কবিতা আবৃত্তি আদি অনুষ্ঠানে উপস্থিত ৰাইজক আকৰ্ষিত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা প্ৰদৰ্শনে অনুষ্ঠানৰ পৰিৱেশ অধিক জীপাল কৰি তোলে। অনুষ্ঠানত ন'ভেল অকাডেমীৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, স্থানীয় ৰাইজৰ লগতে কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। স্বাধীনতা দিৱসৰ এই অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেশপ্ৰেম, জাতীয় একতা আৰু সামাজিক দায়িত্ববোধ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ন'ভেল অকাডেমীৰ এনে উদ্যোগক স্থানীয় ৰাইজে প্ৰশংসা কৰে।

**বৰপেটা পৌৰসভা খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ**

# বৰপেটাত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৫ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে বৰপেটা জিলাতো আজি উলহ-মালহেৰে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে বৰপেটা চহৰৰ মাজমজিয়াত অৱস্থিত বৰপেটা পৌৰসভা খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। আজি পুৱা নিৰ্ধাৰিত সময়ত বৰপেটা জিলাত পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দেশবাসীৰ লগতে বৰপেটাবাসীক স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পাছতে মন্ত্ৰীগৰাকীয়ে পেৰেড পৰিদৰ্শন কৰে। এই গৌৰৱোজ্জ্বল অনুষ্ঠানত বৰপেটা জিলা আৰক্ষী বাহিনীৰ লগতে জিলাখনৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এক সুন্দৰ মাৰ্চ পাষ্ট প্ৰদৰ্শন কৰি ৰাষ্ট্ৰীয় পতাকাক স-সন্মানে অভিবাদন জনায়। ছাত্ৰ-ছাত্ৰীসকলৰ এই সুশৃংখল পেৰেডে উপস্থিত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। স্বাধীনতা দিৱসৰ এই পৱিত্ৰ দিনটোৰ লগত সংগতি ৰাখি খেলপথাৰখনত ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় শিল্পীসকলৰ দ্বাৰা কেইবাটাও মনোগ্ৰাহী আৰু বাৰেবৰণীয়া সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰা পৰিলক্ষিত হ'ল। এই অনুষ্ঠানত বৰপেটা সমষ্টিৰ বিধায়ক দীপক কুমাৰ দাসৰ লগতে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়া, আৰক্ষী বিষয়া, বিশিষ্ট নাগৰিক আৰু ৰাইজ উপস্থিতিত সুন্দৰকৈ স্বাধীনতা দিৱস পালন কৰা হয়।

# স্বাধীনতা দিৱস উপলক্ষে ডিগবৈত অৱসৰপ্ৰাপ্ত প্ৰশাসনিক আৰু সুৰক্ষা সেৱাৰ বিষয়া-কৰ্মচাৰীক সম্বৰ্ধনা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ আগষ্ট ঃ** দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ডিগবৈ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল চেতিয়া, ডিগবৈ থানা কমিটিৰ সভাপতি হেমন্ত বৰগোহাঁই, সম্পাদক অনুপম দাস, কালীবাৰী গাঁৱৰক্ষী বাহিনীৰ সভাপতি ৰিয়াজ উদ্দিন, বালিজান গাঁৱৰক্ষী বাহিনীৰ সদস্য মধুৰাম দাস আৰু বিমল দাসে মিলি ডিগবৈ অঞ্চলৰ পাঁচগৰাকী অৱসৰপ্ৰাপ্ত প্ৰশাসনিক তথা সুৰক্ষা সেৱাৰ বিষয়াক তেওঁলোকৰ নিজ নিজ বাসগৃহত গৈ আন্তৰিকভাৱে সম্বৰ্ধনা জনায়। সম্বৰ্ধনাৰ চিন স্বৰূপে প্ৰতিগৰাকী ব্যক্তিক এখন পৱিত্ৰ গ্ৰন্থ, এখন অসমীয়া গামোচা আৰু এটি গছপুলি প্ৰদান কৰা হয়। সম্বৰ্ধনা জনোৱা বিশিষ্ট ব্যক্তিসকল হ'ল ক্ৰমে - ৩ নং বৰবিল, ৰামনগৰ নিবাসী দন্ধৰ গগৈ, বালিজান নিউ কলনী নিবাসী অৱসৰপ্ৰাপ্ত কনিষ্টবল (A.B.C. No. 251) দুলাল দাস, বালিজান কেন্দুগুৰি নিবাসী অৱসৰপ্ৰাপ্ত ভাৰতীয় সেনাৰ JCO পৱিত্ৰ গগৈ, কছুজান মীনাৰাম পথ নিবাসী অৱসৰপ্ৰাপ্ত APBN জোৱান ফুলেশ্বৰ দাস আৰু কছুজান নিবাসী অৱসৰপ্ৰাপ্ত SSB বিষয়া যতীন দাস। এই সম্বৰ্ধনা কাৰ্যসূচীৰ জৰিয়তে দেশ আৰু সমাজৰ সেৱাত নিজৰ জীৱনৰ মূল্যৱান সময় উছৰ্গা কৰা অৱসৰপ্ৰাপ্ত বিষয়াসকলৰ প্ৰতি সন্মান, কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰা হয়। তেওঁলোকৰ নিষ্ঠা, কৰ্তব্যবোধ আৰু সমাজৰ প্ৰতি আগবঢ়োৱা অৱদান নতুন প্ৰজন্মৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব বুলি আশা কৰা হৈছে।

# ৰহাত উলহমালহেৰে উদ্‌যাপন কৰা হয় ৮০ সংখ্যাক স্বাধীনতা দিৱস পতাকা উত্তোলন কৰে সমজিলা আয়ুক্ত ড° অংকিতা বৰাই

**অসম বাৰ্তা, ৰহা, ১৫ আগষ্ট ঃ** সমগ্ৰ দেশ আৰু ৰাজ্যৰ লগতে ৰহা সমজিলাতো ৰাষ্ট্ৰীৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উলহ-মালহেৰে পালন কৰা হয়। স্বাধীনতা দিৱস উপলক্ষে ৰহাৰ বিভিন্ন প্ৰান্তৰ চৰকাৰী, বে-চৰকাৰী বিদ্যালয়, মহাবিদ্যালয়, চৰকাৰী কাৰ্য্যালয়, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে স্বাধীনতা দিৱস পালন কৰাৰ সমান্তৰালকৈ ৰহা সমজিলা প্ৰশাসন ৰ উদ্যোগত ক্ৰীড়া সন্থাৰ খেল পথাৰত কেন্দ্ৰীয় ভাৱে অনুষ্ঠিত স্বাধীনতা দিৱসত ৰহা সমজিলা আয়ুক্ত ড° অংকিতা বৰাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি সকলোৰে। সহযোগত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। উক্ত অনুষ্ঠানত আৰক্ষী বাহিনী লগতে মুঠ ৯খন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী আৰু এনচিচিৰ দ্বাৰা কুচকুৱাজ প্ৰদৰ্শন কৰাৰ লগতে অঞ্চলৰ বিভিন্ন সাংস্কৃতিক দল সমূহৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিবেশন আৰু বৌদ্ধিধৰ্মা কাৰাটে ক্লাব, ৰহাৰ ছাত্ৰ-ছাত্ৰী সকলে সমৰকলা প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰি তুলে। লগতে গাওঁপ্ৰধান ৰণ্টু মুদৈ আঁত ধৰা অনুষ্ঠানত স্বহীদ পৰিয়াল আৰু মুক্তিযুঁজাৰু পৰিয়ালবৰ্গক সম্বৰ্ধনা জনোৱা হয়। স্বাধীনতা দিৱস উপলক্ষে ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, ৰহা পৌৰসভা পৌৰপতি বন্তি হাজৰিকা, উপ পৌৰপতি অনিমা দাস সহ প্ৰশাসনিক বিষয়া আৰু অলেখ ৰাইজ উপস্থিত থাকে।

# উৎকট গৰমৰ বাবে গোলাঘাট জিলাত বিদ্যালয়ৰ সময়সূচী পৰিৱৰ্তন

**অসম বাৰ্তা, নুমলীগড়, ১৫ আগষ্ট ঃ** গোলাঘাট জিলাত বৰ্তমান প্ৰচলিত প্ৰচণ্ড গৰম, অতি উচ্চ তাপমাত্ৰা আৰু তাপপ্ৰবাহৰ পৰিস্থিতি বিবেচনা কৰি ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য, সুৰক্ষা আৰু কল্যাণক সৰ্বোচ্চ প্ৰাধান্য দি গোলাঘাট জিলাৰ সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু স্বীকৃতিপ্ৰাপ্ত ব্যক্তিগত শিক্ষানুষ্ঠানৰ নিয়মীয়া বিদ্যালয়ৰ সময়সূচী তৎক্ষণাত পৰিৱৰ্তন কৰা হৈছে। গোলাঘাট জিলা চক্ৰৰ বিদ্যালয় পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া (DEEO) মদন পেগু, এআইএছয়ে ১৫ আগষ্ট ২০২৬ তাৰিখে জাৰি কৰা আদেশ অনুসৰি নতুন সময়সূচী তলত দিয়া ধৰণে হ'ব আৰু ই তৎক্ষণাত কাৰ্যকৰী হৈ পৰৱৰ্তী আদেশ নোহোৱালৈকে এই আদেশ বলবৎ থাকিব। বিদ্যালয়ৰ শ্ৰেণী সমূহৰ সংশোধিত সময়সূচী অনুসৰিপুৱা ৭:৩০ বজাৰ পৰা ১১:৩০ বজালৈ নিম্ন প্ৰাথমিক বিদ্যালয়, পুৱা ৭:৩০ বজাৰ পৰা দুপৰীয়া ১২:০০ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয় আৰু পুৱা ৭:৩০ বজাৰ পৰা দুপৰীয়া ১২:৩০ বজালৈ হাইস্কুল, উচ্চতৰ মাধ্যমিক, জ্যেষ্ঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ পাঠদানৰ নতুন সময়সূচী নিৰ্ধাৰণ কৰা হৈছে। এই আদেশৰ জৰিয়তে সকলো শিক্ষানুষ্ঠানৰ মূৰব্বীক সংশোধিত সময়সূচী কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। লগতে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য আৰু সুৰক্ষাৰ বাবে নিম্নলিখিত সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। বিদ্যালয় চৌহদত যথেষ্ট পৰিমাণৰ নিৰাপদ খোৱাপানীৰ ব্যৱস্থা নিশ্চিত কৰা, অতি গৰমৰ সময়ত বাহিৰৰ কাৰ্যকলাপ এৰা বা ন্যূনতম কৰা, আৰু ছাত্ৰ-ছাত্ৰীক প্ৰত্যক্ষ সূৰ্য্যৰ কিৰণৰ পৰা ৰক্ষা কৰা। বৰ্তমানৰ বতৰৰ পৰিস্থিতিত ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ স্বাস্থ্য আৰু সুৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ স্বাৰ্থত GDC/IS/Misc/26/725 নং আদেশৰ জৰিয়তে তাৎক্ষণিক ভাৱে এই আদেশ কাৰ্যকৰী কৰা হৈছে। অসমৰ অন্যান্য কেইবাখনো জিলাতো সাম্প্ৰতিক তাপপ্ৰবাহৰ বাবে একে ধৰণৰ বিদ্যালয়ৰ সময়সূচী পৰিৱৰ্তনৰ আদেশ জাৰি কৰা হৈছে। গোলাঘাট জিলাৰ এই সিদ্ধান্ত ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যক সৰ্বোচ্চ গুৰুত্ব দিয়াৰ উদ্দেশ্যে গ্ৰহণ কৰা হৈছে বুলি আদেশত উল্লেখ কৰা হৈছে।

# শদিয়া সমজিলাত ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৫ আগষ্ট ঃ** আজি দেশৰ ৮০সংখ্যক স্বাধীনতা দিৱস উপলক্ষে শদিয়া সমজিলা প্ৰশাসনৰ উদ্যোগত শদিয়া ৰাজহুৱা খেলপথাৰত আৰম্বৰ পূৰ্ণভাৱে স্বাধীনতা দিৱস উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে সমজিলা আয়ুক্ত চৈয়দ ৰাছবীৰ ছুভানীয়ে। চি আৰ পি এফ, অসম আৰক্ষী বাহিনী, গৃহৰক্ষী বাহিনীৰ উপৰিও শদিয়া মহাবিদ্যালয়ৰ লগতে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ২২টা দলে কুচকাৱাজত অংশ গ্ৰহণ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলকৰ কেইবাটাও দলে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে। উক্ত অনুষ্ঠানত ২০২৬ বৰ্ষৰ লোক সেৱা পুৰস্কাৰ লাভ কৰা শদিয়া সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ জিলা প্ৰশাসনিক মুখ্য সহায়িকা জোনামণি কলিতা আৰু জ্যেষ্ঠ জিলা প্ৰশাসনিক সহায়ক যতীন সোণোৱালক সম্বৰ্দ্ধনা জনোৱা হয়।

**নিৰপেক্ষ তদন্তৰ দাবী বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ**

# অইল ইণ্ডিয়া চিকিৎসালয়ত অতিৰিক্ত ধন সংগ্ৰহৰ অভিযোগ

**অসম বাৰ্তা, বৰডুমচা, ১৫ আগষ্ট ঃ** দুলীয়াজানস্থিত অইল ইণ্ডিয়া লিমিটেডৰ চিকিৎসালয়ত এগৰাকী চিকিৎসকৰ বিৰুদ্ধে ৰোগীৰ অভিভাৱকৰ পৰা নিৰ্ধাৰিত মাচুলৰ উপৰিও অতিৰিক্ত ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, জৰুৰীকালীন বিভাগত চিকিৎসাৰ বাবে অহা এগৰাকী ২ বছৰীয়া শিশুৰ অভিভাৱকৰ পৰা অতিৰিক্ত ২০০ টকা দাবী কৰাৰ লগতে ব্যক্তিগত গুগল পে' কিউ আৰ ক'ডৰ জৰিয়তে ধন গ্ৰহণ কৰা হয়। এই ঘটনাক লৈ বৃহত্তৰ অসমীয়া যুৱ মঞ্চই গভীৰ উদ্বেগ প্ৰকাশ কৰি অইল ইণ্ডিয়া লিমিটেডৰ কৰ্তৃপক্ষৰ ওচৰত নিৰপেক্ষ আৰু স্বচ্ছ তদন্তৰ দাবী জনাইছে। সংগঠনটোৱে ব্যক্তিগত কিউ আৰ ক'ডৰ জৰিয়তে ধন গ্ৰহণ কৰা হৈছিল নে নাই, সেই বিষয়কে ধৰি সমগ্ৰ ঘটনাৰ তথ্য-প্ৰমাণ পৰীক্ষা কৰাৰ দাবী জনায়। তদন্তত অভিযোগ সত্য প্ৰমাণিত হ'লে সংশ্লিষ্ট ব্যক্তিৰ বিৰুদ্ধে বিধি-অনুযায়ী কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে চিকিৎসালয়ত নিৰ্ধাৰিত মাচুলৰ বাহিৰে অতিৰিক্ত ধন সংগ্ৰহ বন্ধ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সংগঠনটোৱে। বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ সম্পাদক মানসজ্যোতি বৰুৱাই এক প্ৰেছ বিবৃতি যোগে কয় যে, চিকিৎসা সেৱাৰ দৰে সংবেদনশীল ক্ষেত্ৰত এনে অভিযোগক গুৰুত্বসহকাৰে লৈ নিৰপেক্ষ তদন্তৰ জৰিয়তে সত্য উদঘাটন কৰিব লাগে। তেওঁ লগতে সকীয়াই দিয়ে যে, তদন্তত গাফিলতি হ'লে সংগঠনটোৱে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হ'ব।

# কে.ডি.এন. জ্ঞানম অকাডেমী, জিনজিয়াত "৮০ সংখ্যাক স্বাধীনতা দিৱস" উদ্‌যাপন

**অসম বাৰ্তা, জিনজিয়া, ১৫ আগষ্ট ঃ** আজি ১৫ আগষ্ট অৰ্থাৎ "স্বাধীনতা দিৱস" সমগ্ৰ ভাৰতবৰ্ষৰ লগতে কে.ডি.এন. জ্ঞানম অকাডেমী, জিনজিয়াতো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাবিকাৰ উপস্থিত "৮০ সংখ্যাক স্বাধীনতা দিৱস" বৰ্ণাঢ্য কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। কাৰ্য্যসূচীৰ আঁত ধৰে কে.ডি.এন. জ্ঞানম অকাডেমীৰ আই.চি. অভিজিৎ বৰাই পতাকা উত্তোলন কৰে বিশিষ্ট সমাজ সেৱিকা শেৱালি শৰ্মাই, স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি পতাকা উত্তোলনৰ পাছতে শিক্ষক ৰকি ৰিয়ান, শিক্ষয়িত্ৰী অৰ্চনা ভট্টাচাৰ্য্যই দুটিকৈ দেশভক্তিমূলক গীত পৰিৱেশন কৰে, লগতে বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে দেশভক্তিমূলক নৃত্য-গীত আৰু কবিতা আবৃত্তি কৰে স্বাধীনতা দিৱস উদ্‌যাপন কাৰ্য্যসূচীত উপস্থিত থাকে জ্ঞানম অকাডেমীৰ সঞ্চালক ৰজনীকান্ত শৰ্মা, যুৱ সাংবাদিক সুৰেশ বৰা, মিণ্টু বৰা, শিক্ষক নাৰায়ণ শৰ্মা, অভিভাৱক -অভিভাবিকা কে.ডি.এন. জ্ঞানম অকাডেমীৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল। অনুষ্ঠানটি সহযোগিতা আগবঢ়োৱা সকলোকে কে.ডি.এন. জ্ঞানম অকাডেমী আই.চি অভিজিৎ বৰায়ে ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰে।

# "হৰ ঘৰ তিৰংগা-২০২৬" অভিযানৰ অধীনত ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ দ্বাৰা তিৰংগা মটৰ চাইকেল ৰেলীৰ আয়োজন

**অসম বাৰ্তা, মঙলদৈ, ১৫ আগষ্ট ঃ** ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ কমাণ্ডেণ্ট শ্ৰী এইচ. কে. গুপ্তাৰ দক্ষ নিৰ্দেশনা আৰু মাৰ্গদৰ্শনত "হৰ ঘৰ তিৰংগা-২০২৬" অভিযানৰ অধীনত ১৪ তাৰিখে তিৰংগা মটৰ চাইকেল ৰেলীৰ আয়োজন কৰা হয়। তিৰংগা মটৰ চাইকেল ৰেলীখনৰ শুভাৰম্ভ বাহিনী মুখ্য কাৰ্যালয়ৰ পৰা কৰা হয়। ৰেলীখন কেন্দুকোণা হৈ ৰঙিয়া টাউনৰ মাজেৰে পাৰ হৈ পুনৰ বাহিনী মুখ্য কাৰ্যালয়লৈ উভতি আহি সমাপ্ত হয়। ৰেলীত সশস্ত্ৰ সীমা বলৰ জোৱানসকলে অতি উৎসাহেৰে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা হাতত লৈ জনসাধাৰণৰ মাজত দেশপ্ৰেমৰ বাৰ্তা প্ৰচাৰ কৰে। ৰেলীৰ সময়ত জোৱানসকলে "হৰ ঘৰ তিৰংগা" অভিযানৰ সৈতে জড়িত বিভিন্ন দেশপ্ৰেমমূলক শ্লোগান দিয়ে। ৰেলীৰ মূল উদ্দেশ্য আছিল সাধাৰণ জনসাধাৰণৰ মাজত দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি সন্মানৰ ভাৱনা অধিক শক্তিশালী কৰা আৰু প্ৰতিটো ঘৰত তিৰংগা উত্তোলন কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰা। ৰেলীৰ সামৰণি অনুষ্ঠানত কমাণ্ডেণ্ট শ্ৰী এইচ. কে. গুপ্তাই অংশগ্ৰহণকাৰী জোৱানসকলক সম্বোধন কৰি "হৰ ঘৰ তিৰংগা-২০২৬" অভিযানৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ সকলোকে ৰাষ্ট্ৰীয় পতাকাৰ মৰ্যাদা আৰু সন্মান অক্ষুণ্ণ ৰখাৰ লগতে দেশপ্ৰেমৰ ভাৱনা জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ উৎসাহিত কৰে। ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল, ৰঙিয়াই "হৰ ঘৰ তিৰংগা-২০২৬" অভিযানৰ অধীনত জনসাধাৰণৰ মাজত ৰাষ্ট্ৰীয় একতা, অখণ্ডতা আৰু দেশপ্ৰেমৰ ভাৱনা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী নিৰন্তৰভাৱে আয়োজন কৰি আহিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা

● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন